www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

অসম বাৰ্তা

☐ PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

ৰাজনীতি মাত্ৰ এটা মুহূৰ্তৰ বাবে, কিন্তু সমীকৰণ হ'ল শাশ্বত কালৰ বাবে। — এলবাৰ্ট আইনষ্টাইন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

☐ প্ৰথম বছৰ ☐ সংখ্যা- ২০২ ☐ বৃহস্পতিবাৰ ☐ ২৮ মে', ২০২৬ চন ☐ Volume/Year- I ☐ Issue- 202 ☐ Thursday ☐ 28th May, 2026 ☐ Asom Barta, Majuli ☐ PRGI Reg. No.- ASASS/25/A2361 ☐ Price- Rs. 10 ☐ Total Page- 8

■ হিমন্ত চৰকাৰৰ বৃহৎ নাগৰিক আইন সংস্কাৰ ■ অসমত একক নাগৰিক আইন অনুমোদিত

UCC গৃহীত তৃতীয়খন ৰাজ্যত পৰিণত অসম

আইনৰ আওতাত বিবাহ, বিবাহ বিচ্ছেদ, বহুবিবাহ আৰু লিভ-ইন সম্পৰ্ক

নিউজ ডেস্ক, অসম বাৰ্তা, ২৭ মে' ঃ অসমৰ আইনী ইতিহাসত আজি এক সোণালী অধ্যায় সংযোজিত হ'ল। ৰাজ্য বিধানসভাৰ বুধবাৰীয়া অধিৱেশনত 'সমৰূপ নাগৰিক সংহিতা বিধেয়ক, ২০২৬' (ইউচিচি) সংখ্যাগৰিষ্ঠতাৰ ভিত্তিত গৃহীত হৈ আইনৰ মৰ্যাদা লাভ কৰে। ইয়াৰ ফলত উত্তৰাখণ্ড আৰু গুজৰাটৰ পিছতে ইউচিচি কাৰ্যকৰী কৰা ভাৰতৰ তৃতীয় ৰাজ্য হিচাপে অসম পৰিগণিত হয়। বিধেয়কখন সোমবাৰে মন্ত্ৰী অতুল বৰাই বিধানসভাত উত্থাপন কৰিছিল। আজি বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন হোৱাৰ পিছতে শাসকীয় আৰু বিৰোধী শিবিৰৰ মাজত দীৰ্ঘদিনীয়া আলোচনা আৰু বাক-বিতণ্ডাৰ সূচনা হয়। শাসকীয় দলৰ বিধায়কসকলে বিধেয়কখনৰ পক্ষত যুক্তি দাঙি ধৰাৰ বিপৰীতে বিৰোধী শিবিৰে ইয়াৰ বিৰোধিতা কৰে। বিস্তাৰিত আলোচনাৰ অন্তত বিধেয়কখন সদনত গৃহীত হয়। বিধেয়কখন গৃহীত হোৱাৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সদনত

❑ ৬ পৃষ্ঠাত

(BYJU's)ৰ প্ৰতিষ্ঠাপক বাইজু ৰবীন্দ্ৰনক ছিংগাপুৰ আদালতৰ ছমাহ কাৰাদণ্ড

আদালত অৱজ্ঞাৰ গোচৰত দোষী সাব্যস্ত, ৭০, ৫০০ ডলাৰ জৰিমনা আৰু তৎক্ষণাত আত্মসমৰ্পণৰ নিৰ্দেশ

নিউজ ডেস্ক, অসম বাৰ্তা, ২৭ মে' ঃ দেশৰ প্ৰথমটো এডটেক কোম্পানী বিওয়াইজুছ (BYJU's)ৰ প্ৰতিষ্ঠাপক বাইজু ৰবীন্দ্ৰনৰ বাবে বিপদৰ পৰিসমাপ্তি ঘটিছে ছমাহৰ কাৰাদণ্ডৰ ৰূপত। ছিংগাপুৰৰ এখন

❑ ৬ পৃষ্ঠাত

❑ বিস্ফোৰক বৈভৱ! ২৯ বলত ৯৭ ৰানৰ ইনিংছ বৈভৱ সূৰ্যবংশীৰ ❑

ছানৰাইজাৰ্ছক ৪৭ ৰানত পৰাস্ত কৰি কোৱালিফায়িঙ-২ত ৰাজস্থান ৰয়েলছ

অনলাইন ডেস্ক, অসম বাৰ্তা, ২৭ মে' ঃ আই পি এল ২০২৬ৰ এলিমিনেটৰ মেচখনত ছানৰাইজাৰ্ছ হায়দৰাবাদক (SRH) ৪৭ ৰাণত পৰাস্ত কৰি কোৱালিফায়াৰ-২ লৈ প্ৰৱেশ কৰিছে ৰাজস্থান ৰয়েলছে (RR)। নিউ চণ্ডীগড় ষ্টেডিয়ামত অনুষ্ঠিত হাইভল্টেজ খেলখনত ৰাজস্থানৰ যুৱ বেটছমেন বৈভৱ সূৰ্যবংশীয়ে বিস্ফোৰক ইনিংছ খেলি দলক এক বিশাল স্ক'ৰ দিয়ে। তাৰ পিছত নিয়ন্ত্ৰিত বলিং আক্ৰমণে

❑ ৬ পৃষ্ঠাত

কেৰালা আৰু বেংগালুৰুৰ ১০-১২ স্থানত সমান্তৰাল অভিযান

কেৰালাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী পিনাৰায়ী বিজয়নৰ বাসগৃহত ইডিৰ অভিযান

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৭ মে' ঃ ধন সৰবৰাহ নিৰোধক সংস্থা এনফ'ৰ্চমেণ্ট ডিৰেক্টৰেট (ইডি)য়ে বুধবাৰে কেৰালাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী পিনাৰায়ী বিজয়নৰ বাসগৃহকে ধৰি ৰাজ্যখনৰ বিভিন্ন স্থানত ব্যাপক তল্লাশী অভিযান চলায়। এই অভিযান কোচিন মিনাৰেলছ এণ্ড ৰুটাইল

❑ ৬ পৃষ্ঠাত

বিদেশ ভ্ৰমণলৈ ৰাজ্যপাল

৩ জুনৰ পাছতহে হ'ব মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ!

ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৭ মে' ঃ দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ পিছত ড° হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভাৰ সম্প্ৰসাৰণক লৈ ৰাজ্যৰ ৰাজনৈতিক মহলত জল্পনা-কল্পনা চৰম সীমাত উপনীত

❑ ৬ পৃষ্ঠাত

গুৱাহাটী ৰিং ৰোড প্ৰকল্পত বন্যপ্ৰাণী অধ্যয়ন নহালৈ গছ কটা নিষেধ

১২১ কিলোমিটাৰ দীঘল প্ৰকল্পটোৰ বাবে বন্যপ্ৰাণী অভয়াৰণ্য আৰু হাতী কৰিডৰত প্ৰভাৱৰ উদ্বেগ

ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৭ মে' ঃ গুৱাহাটী উচ্চ ন্যায়ালয়ে প্ৰস্তাৱিত গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰ বিৰুদ্ধে দাখিল কৰা এক জনস্বাৰ্থ জড়িত আবেদনৰ শুনানি

❑ ৬ পৃষ্ঠাত

মাচুল বৃদ্ধি সম্পৰ্কে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়কৰ স্পষ্টীকৰণ

৪ গুণ মাচুল বৃদ্ধিৰ বাতৰি সম্পূৰ্ণ মিছা, প্ৰকৃততে মাত্ৰ ১৫ শতাংশ মাচুল বাঢ়িছে!

অসম কলেজ অধ্যক্ষ পৰিষদক ভুল তথ্য প্ৰচাৰ নকৰি আলোচনাৰ আহ্বান

ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৭ মে' ঃ শেহতীয়াকৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ মাচুল বৃদ্ধিক লৈ সৃষ্টি হোৱা বিতৰ্কৰ মাজত আজি বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক ড° উৎপল শৰ্মাই এখন সংবাদমেল সম্বোধন কৰি বিভিন্ন

❑ ৬ পৃষ্ঠাত

■ 'কেৱল স্বীকৃতিৰ মাচুলৰ কথা কৈ অন্য মাচুল লুকুৱাই ৰখা হৈছে' ■

গুৱাহাটী বিশ্ববিদ্যালয় পঞ্জীয়কৰ তথ্য মিছা, ৬ গুণ মাচুল বৃদ্ধিৰ দাবী কলেজ অধ্যক্ষ পৰিষদৰ

অনুমোদন নথকা জাননী প্ৰকাশ কৰি পদমৰ্যাদা ম্লান কৰাৰ অভিযোগ

ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৭ মে' ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ মাচুল বৃদ্ধিক লৈ কৰ্তৃপক্ষ আৰু অসম কলেজ অধ্যক্ষ পৰিষদৰ মাজৰ বাক-বিতণ্ডা চৰম সীমাত উপনীত হৈছে। বুধবাৰে পঞ্জীয়ক ড° উৎপল শৰ্মাই এক সংবাদমেল কৰি মাচুল মাত্ৰ ১৫

❑ ৬ পৃষ্ঠাত

❑ দিল্লীত বিশাল কনভয় লৈ বিজয় ❑ বিৰোধীৰ তীব্ৰ সমালোচনা

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ তামিলনাডুৰ মুখ্যমন্ত্ৰী থালাপতি বিজয়ৰ

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৭ মে' ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীক পেট্ৰল-ডিজেলৰ দাম ৰাহি কৰাৰ লগতে ভিআইপি সংস্কৃতি ত্যাগ কৰি সৰলতা অৱলম্বন কৰিবলৈ দিয়া আহ্বানক আওকাণ কৰি তামিলনাডুৰ মুখ্যমন্ত্ৰী চি. জোচেফ বিজয় চৰ্চালৈ আহিছে। বুধবাৰে নিজৰ প্ৰথম চৰকাৰী দিল্লী ভ্ৰমণত মুখ্যমন্ত্ৰীজনে এখন বিশাল গাড়ীৰ কনভয় লৈ ৰাজধানীত উপস্থিত হৈ প্ৰধানমন্ত্ৰী মোডীৰ সৈতে সাক্ষাৎ কৰে। এই কনভয়ত প্ৰায় ডজনৰো অধিক

❑ ৬ পৃষ্ঠাত

■ লিভ-ইন সম্পৰ্কত আইন গোপনীয়তা নষ্ট কৰাৰ সমান ■

চৰকাৰে আমোলাতন্ত্ৰ সৃষ্টি কৰি মানুহৰ ব্যক্তিগত জীৱনত চোৰাংচোৱাগিৰি কৰিব বিচাৰে ঃ অখিল গগৈ

নিউজ ডেস্ক, অসম বাৰ্তা, ২৭ মে' ঃ অসম বিধানসভাত প্ৰস্তাৱিত সমৰূপ নাগৰিক সংহিতা (ইউচিচি) বিধেয়কৰ তীব্ৰ সমালোচনা কৰি বিৰোধী বিধায়ক অখিল গগৈয়ে আজি কয় যে লিভ-ইন সম্পৰ্কৰ বিৰুদ্ধে আইন অনাটো ব্যক্তিগত সম্পৰ্কৰ গোপনীয়তা ভংগ কৰাৰ সমান।

❑ ৬ পৃষ্ঠাত

সীমান্তৰ ১৫ কিলোমিটাৰৰ ভিতৰৰ সকলো অবৈধ নিৰ্মাণ ধ্বংস কৰাৰ নিৰ্দেশ

গৃহমন্ত্ৰী অমিত শ্বাহৰ কঠোৰ নিৰ্দেশ

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৭ মে' ঃ আন্তঃৰাষ্ট্ৰীয় সীমান্ত নিৰাপত্তাৰ বিষয়ত পুনৰ কঠোৰ হৈ পৰিছে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ। তেওঁ স্পষ্ট ভাষাত নিৰ্দেশ দিছে যে

❑ ৬ পৃষ্ঠাত

❑ নম্বৰ ভিত্তিত মূল্যায়ন বাহাল ৰাখিবলৈ আছুৰ দাবী ❑

উচ্চতৰ মাধ্যমিকত সপ্তম বিষয় সংযোগৰ প্ৰস্তাৱ, আছু-এএছএছইবিৰ মাজত বৈঠক

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৭ মে' ঃ অসমৰ মাধ্যমিক শিক্ষা ব্যৱস্থাত সম্ভাব্য পৰিৱৰ্তনৰ বাবে এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হ'ল। বুধবাৰে বামুণীমৈদামস্থিত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ (এএছএছইবি) কাৰ্যালয়ত সদৌ অসম ছাত্ৰ সন্থা (আছু)ৰ নেতৃত্ব আৰু পৰিষদৰ অধ্যক্ষকে ধৰি কৰ্তৃপক্ষৰ মাজত দীৰ্ঘ সময় ধৰি আলোচনা হয়। প্ৰায় তিনি ঘণ্টা জুৰি চলা এই বৈঠকত উচ্চতৰ

❑ ৬ পৃষ্ঠাত

Application Submission Deadline
15 June 2026

Nālandā UNIVERSITY
An Avant-Garde International University
under the aegis of the Ministry of External Affairs, Govt. of India.
(Established by an Act of Parliament of India)

Admissions Open
2026

PROGRAMMES: MA/MSc/MBA
Hindu Studies (Sanātana Dharma) | Ecology and Environment Studies | Historical Studies
Buddhist Studies, Philosophy and Comparative Religions | Sustainable Development and Management | Archaeology
World Literature in English | Mathematics | International Relations and Peace Studies
Philosophy | Economics | Hindi

Scholarships
- ASEAN
- BHUTAN
- BIMSTEC
- ICCR
- THAILAND
- NU Academic Excellence and more...

Scan here to apply

HIGHLIGHTS
• Net - Zero Sustainable Campus • Interdisciplinary Programmes • Cafeteria Model of Courses • Extra Credit Courses • Experiential Learning • International Visiting Faculty • State of the Art Library • Residential Campus. • Smart Classrooms • Wi-Fi Campus • Sports, Yoga, Gym and Athletic Facilities • Medical Centre • Shopping Arcade • Gender Inclusivity • Cross Civilizational Learning

NALANDA UNIVERSITY
PARTICIPATING COUNTRIES
India, Australia, Bangladesh, Bhutan, Brunei Darussalam, Cambodia, China, Indonesia, Mauritius, Myanmar, Lao PDR, New Zealand, Portugal, Singapore, South Korea, Sri Lanka, Thailand, Vietnam

Admission Help line
+91-6112-255330/+91-9031027489/+91-7033291552
For more details visit us: www.nalandauniv.edu.in
admission@nalandauniv.edu.in

মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ

ৰঙিয়াত মূল্যবৃদ্ধিৰ বিৰুদ্ধে চি পি আই (এম)ৰ প্ৰতিবাদ

অসম বাৰ্তা, ৰঙিয়া, ২৭ মে’ ঃ অসহনীয় আৰু আকাশ লংঘী দাম বৃদ্ধিৰ বিৰুদ্ধে চিপিআই (এম) ৰাজ্যিক কমিটিৰ ৰাজ্য জোৰা আন্দোলনৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই আজি পাৰ্টিৰ উদ্যোগত ৰঙিয়া চহৰত সমদল কৰা হয়। সমদলত অংশগ্ৰহণকাৰী সকলে চহৰখন পৰিক্ৰমা কালত পৰিবহণ নিগমৰ চ’ক, ১ নং পুলিচ পইণ্ট আৰু চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সমুখত পথসভা কৰে। পথসভা কেইখনত বক্তব্য আগবঢ়ায় পাৰ্টিৰ জিলা সম্পাদক বাসুদেৱ কলিতাৰ উপৰিও বীৰেন্দ্ৰ নাথ শৰ্মা, আবুল খায়েৰ আৰু বিবেকানন্দ অধিকাৰীয়ে। বক্তা সকলে পেট্ৰ’লজাত সামগ্ৰীৰ লগতে সকলো অত্যাৱশ্যকীয় সামগ্ৰীৰে প্ৰচণ্ড দাম বৃদ্ধিৰ বাবে উপসাগৰীয় যুদ্ধ আৰু আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ দাম বৃদ্ধিৰ চৰকাৰী যুক্তিক নস্যাৎ কৰে। চৰকাৰৰ ভুল বৈদেশিক নীতিৰ ফলতেই প্ৰতিৱেশী প্ৰায় আটাইবোৰ ৰাষ্ট্ৰৰ লগত সম্পৰ্কৰ অৱনতি ঘটাৰ লগতে আমেৰিকাৰ ৰাষ্ট্ৰপতি ট্ৰাম্পৰ ধমকত ইৰাণ আৰু ৰাছিয়াৰ দৰে পুৰণি বন্ধু ৰাষ্ট্ৰৰ লগতো সুসম্পৰ্কত যতি পৰিছে। ফলত ইৰাণ আৰু ৰাছিয়াৰ পৰা সস্তা তেল আমদানিৰ সুযোগৰ পৰা দেশক বঞ্চিত কৰি ট্ৰাম্প নিৰ্দেশিত উচ্চ মূল্যৰ খাৰুৱা তেল আমদানি কৰি তাৰ বোজা দেশৰ জনসাধাৰণৰ মূৰত জাপিবলৈ লৈছে। কৰ্পোৰেট বান্ধৱ চৰকাৰৰ আৰ্থিক নীতিৰ ফলতেই দেশৰ সৰ্ব সাধাৰণে দুৰ্ভোগ ভুগিবলগীয়া হৈছে। বস্তুৰ দামবৃদ্ধিৰ প্ৰকোপৰ পৰা ৰাইজক সঁকাহ দিয়াৰ বাবে ৰাজ্য চৰকাৰখনৰো উদাসীনতাক তীক্ষ্ণ সমালোচনা কৰে বক্তা সকলে। পাছত ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ বুলি পাঁচ দফা দাবী সম্বলিত স্মাৰক পত্ৰ ৰঙিয়া ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে প্ৰেৰণৰ বাবে অৰ্পণ কৰা হয়।

মুখ্যমন্ত্ৰীলৈ নলবাৰী জিলা আয়ুক্তৰ জৰিয়তে এআইডিএছঅ’ নলবাৰী জিলা কমিটিৰ স্মাৰকপত্ৰ প্ৰদান

অসম বাৰ্তা, নলবাৰী, ২৭ মে’ ঃ আজি অল ইণ্ডিয়া ডেম’ক্ৰেটিক ষ্টুডেণ্টছ অৰ্গেনাইজেশ্যন (AIDSO)- নলবাৰী জিলা কমিটিৰ তৰফৰ পৰা ৰাজ্যৰ শিক্ষা খণ্ডৰ বিভিন্ন গুৰুত্বপূৰ্ণ দাবী সম্বলিত এখন স্মাৰকপত্ৰ অসমৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। সংগঠনটোৰ প্ৰতিনিধি দলে নলবাৰী জিলা আয়ুক্তৰ জৰিয়তে এই স্মাৰক পত্ৰ প্ৰদান কৰে। স্মাৰক পত্ৰখনত ছাত্ৰ সংগঠনটোৱে মূলতঃ তিনিটা মুখ্য দাবী উত্থাপন কৰিছে - ৰাজ্যৰ মাতৃভাষা মাধ্যমৰ চৰকাৰী বিদ্যালয়সমূহ বন্ধ বা একত্ৰীকৰণ কৰাৰ প্ৰক্ৰিয়া বন্ধ কৰি সেইবোৰ সুৰক্ষিত আৰু উন্নত কৰা, অসমৰ সকলো শিক্ষানুষ্ঠানত দীৰ্ঘদিন ধৰি খালী হৈ থকা শিক্ষক আৰু কৰ্মচাৰীৰ শূন্য পদসমূহ শীঘ্ৰে পূৰণ কৰা আৰু সদ্যঘোষিত মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক পৰৱৰ্তী শ্ৰেণীত নামভৰ্তিৰ সম্পূৰ্ণ সুযোগ প্ৰদান কৰা। এ আই ডি এছ অ’-ৰ নেতৃত্বই প্ৰেছ বিজ্ঞপ্তিত উল্লেখ কৰে যে ৰাজ্যৰ শিক্ষা ব্যৱস্থাক ধ্বংসৰ মুখৰ পৰা ৰক্ষা কৰিবলৈ আৰু দুখীয়া-মধ্যবিত্ত পৰিয়ালৰ সন্তানৰ শিক্ষাৰ অধিকাৰ সুনিশ্চিত কৰিবলৈ চৰকাৰে এই দাবীসমূহ অতি শীঘ্ৰে মানি ল’ব লাগে।

নেবাকাচ কণ্ঠৰাণী সন্মানেৰে সন্মানিত নলবাৰীৰ সংগীত শিল্পী ৰূপহী দাস হালৈ

অসম বাৰ্তা, নলবাৰী, ২৭ মে’ ঃ ৰবিবাৰে গুৱাহাটীৰ জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিওত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত নলবাৰীৰ বিশিষ্ট সংগীত শিল্পী ৰূপহী দাস হালৈক “নেবাকাচ কণ্ঠৰাণী সন্মান”ৰে বিভূষিত কৰা হয়। সংগীত জগতলৈ আগবঢ়োৱা বিশেষ অৱদানৰ স্বীকৃতি স্বৰূপে এই সন্মান আগবঢ়োৱা হয়। সৰুৰে পৰাই সংগীতৰ প্ৰতি গভীৰ অনুৰাগ আৰু নিষ্ঠাৰে কাম কৰি অহা ৰূপহী দাস হালৈয়ে সংগীতৰ পথাৰখন চহকী কৰাৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। বিশেষকৈ নতুন প্ৰজন্মক সংগীত শিক্ষাৰ জৰিয়তে আগুৱাই নিয়াত তেওঁৰ অৱদান উল্লেখযোগ্য। তেওঁৰ তত্ত্বাৱধানত শিক্ষা গ্ৰহণ কৰা বহুতো ছাত্ৰ-ছাত্ৰী বৰ্তমান সংগীত জগতত প্ৰতিষ্ঠা লাভ কৰি সফলতাৰ দিশে আগবাঢ়িছে। অনুষ্ঠানত উপস্থিত বিশিষ্ট ব্যক্তিসকলে ৰূপহী দাস হালৈৰ এই সাফল্যক ভূয়সী প্ৰশংসা কৰাৰ লগতে আগন্তুক দিনতেও তেওঁ সংগীতৰ জগতখনলৈ অধিক অৱদান আগবঢ়াব বুলি আশাবাদ ব্যক্ত কৰে। এই সন্মানে নলবাৰী জিলাৰ লগতে সমগ্ৰ অসমবাসীৰ বাবে গৌৰৱৰ বিষয় হিচাপে পৰিগণিত হৈছে।

আনন্দ বাগানৰ সাপ্তাহিক সোমবৰীয়া বজাৰত মদৰ বিৰুদ্ধে আবকাৰী বিভাগৰ অভিযান

অসম বাৰ্তা, লখিমপুৰ বিশেষ, ২৭ মে’ ঃ আজি ২৫ মে’ত লখিমপুৰ জিলা আবকাৰী বিভাগে চাউলধোৱা আৰক্ষী চকীৰ অধীনস্থ আনন্দ বাগানৰ সাপ্তাহিক সোমবৰীয়া বজাৰত সাংবাদিকৰ তথ্যৰ ভিতৰত অবৈধ মদ ব্যৱসায়ৰ বিৰুদ্ধে অতৰ্কিতে অভিযান চলাই। দীৰ্ঘদিন ধৰি বজাৰখনৰ মহলদাৰৰ নেতৃত্বত সুৰাৰ বজাৰ চলাই আহিছিল একাংশ অবৈধ মদৰ ব্যৱসায়ীয়ে। যাৰ বাবে প্ৰতি সোমবাৰে বজাৰখনত মদাহীৰ উৎপাতত অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি হৈ আহিছিল। আবকাৰী বিভাগৰ বিষয়া উদিত ভাস্কৰ বৰাৰ নেতৃত্বত চলা এই অভিযানত বজাৰত মুকলিকৈ বিক্ৰী কৰি থকা যথেষ্ট মদ ধ্বংস কৰিবলৈ সক্ষম হয়। আবকাৰী বিভাগৰ লোক অহাৰ কথা জানিব পাৰি মদৰ ব্যৱসায়ী পলাই সাৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে, মদৰ বেপাৰীসমূহ অধিকাংশ মহিলা। বজাৰত কোনো কাৰণতে মদৰ ব্যৱসায় চলাবলৈ সুবিধা নিদিবলৈ সচেতন ৰাইজে আবকাৰী বিভাগৰ প্ৰতি আহ্বান জনাইছে।

লখিমপুৰৰ সু-সন্তান ৰঞ্জন বৰ্মনলৈ ২০ সংখ্যক বাৰ্ষিক নেবকছ ৰাষ্ট্ৰীয় বঁটা (NEBCUS National Award)

অসম বাৰ্তা, লখিমপুৰ বিশেষ, ২৭ মে’ ঃ শিক্ষা আৰু সমাজ জীৱনলৈ অনবদ্য অৱদান আগবঢ়াই অহা লখিমপুৰৰ বগীনদীৰ সু-সন্তান, বিশিষ্ট শিক্ষক, অসম চৰকাৰৰ যুৱ লেখক সন্মান প্ৰাপক গাগলডুবি মাজগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰঞ্জন বৰ্মনলৈ আগবঢ়োৱা হৈছে ২০ সংখ্যক বাৰ্ষিক নেবকছ ৰাষ্ট্ৰীয় বঁটা, ২০২৬ (20th Annual NEBCUS National Award 2026)। সামাজিক-সাংস্কৃতিক অনুষ্ঠান ‘নেবকছ’ (NEBCUS)ৰ তৰফৰ পৰা তেওঁক এই বৰ্ষৰ ‘কৃতি শিক্ষক বঁটা’ প্ৰদান কৰা হয়। যোৱা ২৪ মে’ (দেওবাৰ)ত গুৱাহাটীৰ কাহিলীপাৰাস্থিত জ্যোতি চিত্ৰবনত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বৰ্মনক আনুষ্ঠানিকভাৱে এই সন্মান অৰ্পণ কৰা হয়। কৰ্মজীৱনত দেখুওৱা আকাশসদৃশ কৃতিত্ব, নিষ্ঠা আৰু নিৰন্তৰ সেৱাৰ স্বীকৃতিস্বৰূপ তেওঁক এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ সন্মানেৰে বিভূষিত কৰা হৈছে। ৰঞ্জন বৰ্মনৰ এই সাফল্যই সমগ্ৰ লখিমপুৰ জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে। তেওঁৰ এই সফলতাত জিলাখনৰ বিভিন্ন মহলৰ লগতে গুণমুগ্ধসকলে গভীৰ আনন্দ প্ৰকাশ কৰিছে আৰু তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিছে।

ৰঙিয়াত কামৰূপ জিলা ছাত্ৰ সন্থাৰ প্ৰতিবাদ

অসম বাৰ্তা, ৰঙিয়া, ২৭ মে’ ঃ আজি সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাই ৰঙিয়া হাওৰে চকত পেট্ৰ’ল-ডিজেলৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত কেন্দ্ৰীয় পেট্ৰলিয়াম মন্ত্ৰীৰ প্ৰতিকৃতি দাহ কৰে। জিলা ছাত্ৰ সন্থাৰ সভাপতি নৱজ্যোতি দাস আৰু সাঃসম্পাদক তৌফিকুৰ ৰহমানৰ নেতৃত্বত বাহিৰ কৰা প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত থাকি জিলা ছাত্ৰ সন্থাৰ সাঃসম্পাদক তৌফিকুৰ ৰহমানে কয় ডাবল ইঞ্জিনৰ চৰকাৰ খনে নিৰ্বাচনৰ সময়ত জনসাধাৰণক আভুৱা ভাৰি শাসনত অধিষ্ঠিত হ’ল। নিৰ্বাচনৰ পিছত জনসাধাৰণৰ ওপৰত মূল্যবৃদ্ধিৰ বোজা জাপি দি জুৰুলা কৰা আমাৰ পৰিলক্ষিত হৈছে। সামগ্ৰীসমূহৰ ওপৰত কোনো নিয়ন্ত্ৰণ নোহোৱাৰ ফলত সৰ্বসাধাৰণ জনতাৰ এতিয়া পানীত হাঁহ নচৰাৰ অৱস্থা হৈছে। পেট্ৰ’ল-ডিজেলৰ মূল্যবৃদ্ধি হ্ৰাস নকৰিলে আমি ইয়াতকৈ অধিক জংগী আন্দোলন কৰিবলৈ বাধ্য হম। কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি নৱজ্যেতি দাসে কয় অত্যধিক মূল্যবৃদ্ধিৰ ফলত সাধাৰণ জনতা কোঙা হৈ পৰিছে। চৰকাৰে অতিশীঘ্ৰে মূল্যবৃদ্ধি হ্ৰাস নকৰিলে ৰাইজৰ সহযোগত ইয়াতকৈ অধিক জংগী আন্দোলন কৰিবলৈ বাধ্য হম। কাৰ্যসূচীত উপস্থিত থাকে জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা গোলোক ৰাজবংশী, বুবুল আলী, ৰিদুল কুমাৰ নাথ, প্ৰাণজিত দেউৰীয়া।

বৰপেটা জিলাত জন ভাগিদাৰী সবচে দূৰ-সবচে পেহলে অভিযান সমাপ্ত

অসম বাৰ্তা, বৰপেটা সদৰ, ২৭ মে’ ঃ ভাৰত চৰকাৰৰ জনজাতীয় পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত বৰপেটা জিলাৰ শুহা গাৰৰ বড়ো জনজাতি বসতি পূৰ্ণ এলেকাত অনুষ্ঠিত হোৱা “জন ভাগিদাৰী অভিযান - সবচে দূৰ, সবচে পেহলে” অভিযান আজি সামৰণি পৰে। যোৱা ১৫ মে’ৰ পৰা দেশজুৰি চলাজন ভাগিদাৰী সবচে দূৰ সবচে পেহলে অভিযান বিভিন্ন কাৰ্যসূচী বৰপেটাটো অনুষ্ঠিত কৰা হয়। বৰপেটা জিলাতো এই অভিযানৰ অধীনত বিভিন্ন কাৰ্যসূচী সফলভাৱে ৰূপায়ণ কৰা হয় আৰু আজি অন্তিম দিনৰ কাৰ্যসূচীৰে ইয়াৰ সফল সমাপ্তি ঘটে। উল্লেখযোগ্য যে, সৰুক্ষেত্ৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত জনজাতি অধ্যুষিত শুহা গাঁৱত এই অভিযানৰ শুভাৰম্ভ কৰে জিলা আয়ুক্ত ৰোহন কুমাৰ ঝাই। অনুষ্ঠানত বিভিন্ন বিভাগৰ বিষয়া কৰ্মচাৰীসকল উপস্থিত থাকে। জন ভাগিদাৰী অভিযানৰ অংশ হিচাপে বিভিন্ন বিভাগসমূহে বড়ো জনজাতি অধ্যুষিত এলেকাসমূহত বিশেষ শিবিৰ অনুষ্ঠিত কৰে। বিশেষকৈ স্বাস্থ্য শিবিৰ, আই টি ডি পি, মীন বিভাগ, সামাজিক বনানী কৰণ, পশু চিকিৎসা বিভাগ আদিৰ জৰিয়তে বিভিন্ন সজাগতা আৰু সেৱামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অঞ্চলটো বড়ো জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণৰ মাজেৰে এই সপ্তাহজোৰা কাৰ্যসূচীসমূহ সফলভাৱে সম্পন্ন হয়। মৰিগাঁও, হতাপাৰা, শুভা, দক্ষিণ বুঢ়ীখামাৰ, কমাৰগাঁও, বৰঘোপা, গহিয়া আদি গাঁৱত এই অভিযানৰ বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আজিৰ অন্তিম দিনত বিভিন্ন খেল-ধেমালিৰ কাৰ্যসূচীৰে সপ্তাহজোৰা অভিযানৰ সফল পৰিসমাপ্তি ঘটে। পিছপৰা জনজাতীয় সম্প্ৰদায়ৰ লোকসকলৰ ঘৰে ঘৰে চৰকাৰী সুবিধা দুৱাৰদলিলৈ লৈ যোৱাই এই অভিযানৰ মূল উদ্দেশ্য আছিল বুলি আজি বৰপেটা আৱৰ্ত ভৱনত অনুষ্ঠিত হোৱা এক সংবাদমেল যোগে বৰপেটা জিলা উন্নয়ন আয়ুক্ত গিতালী দুৱৰাই সদৰী কৰে। কোনো যোগ্য হিতাধিকাৰী যাতে চৰকাৰী সুবিধাৰ পৰা বঞ্চিত নহয়, সেয়াই এই অভিযানৰ মুখ্য লক্ষ্য আছিল বুলি উন্নয়ন আয়ুক্ত গৰাকীয়ে কয়। এই অভিযানৰ জৰিয়তে আধাৰ আপডেটকৰণো সম্পন্ন কৰা হয়। লগতে জনসাধাৰণৰ অভিযোগ গ্ৰহণ আৰু নিষ্পত্তিকৰণো এক গুৰুত্বপূৰ্ণ কাৰ্যসূচী ৰূপায়ণ কৰে। উন্নয়ন আয়ুক্ত গৰাকীয়ে জনোৱা মতে বৰপেটা জিলাত মুঠ ২১০টা অভিযোগ সমাধান কৰা হয় আৰু ৫২৮টা অভিযোগ সমাধানৰ বাবে গ্ৰহণ কৰা হয়। জন ভাগিদাৰী অভিযানে বৰপেটা জিলাৰ সাতখন গাৰৰ প্ৰায় বিশ হাজাৰ লোকক সামৰি লয় বুলি জানিব দিয়ে।

কুশবাৰীত কৃষকৰ শাক-পাচলিৰ বাৰী কাটি তহিলং

অসম বাৰ্তা, অভয়াপুৰী, ২৭ মে’ ঃ বঙাইগাঁও জিলাৰ মেৰেৰচৰ থানাৰ অন্তৰ্গত কুশবাৰী দ্বিতীয় খণ্ড নিবাসী কোবাদ আলী (৪৩) নামৰ এজন দৰিদ্ৰ কৃষকৰ শাক-পাচলিৰ বাৰী আৰু ইয়াৰ চাৰি সীমাৰ বেৰ অজ্ঞাত দুষ্কৃতি কাৰীয়ে ৰাতিৰ এন্ধাৰৰ সুযোগ লৈ কাটি তহিলং কৰাত মূৰে-কপালে হাত দিবলগীয়া হৈছে। পৰিয়াল সূত্ৰে জানিবলৈ দিয়া মতে দীৰ্ঘ দিন ধৰি কোনোবা দুষ্কৃতিকাৰীয়ে উক্ত দৰিদ্ৰ কৃষক জনৰ কৃষি জাত সামগ্ৰী সহ কৃষি ভূমিৰ চাৰিওফালে নেট জালেৰে বেৰ দিয়া নেটৰ বেৰা কাটি তহিলং কৰি আহিছে। এই সম্পৰ্কে কোবাদ আলীয়ে গাঁওখনৰ মুখিয়াল লোকক অভিযোগ দি আহিছে যদিও অজ্ঞাত দুষ্কৃতিকাৰীৰ সুংসূত্ৰ উলিয়াব পৰা নাই। কালি নিশাও ধাৰাষাৰে বৰষুণ দিয়াৰ ফলত দুষ্কৃতিকাৰীয়ে এন্ধাৰৰ সুযোগ লৈ পুনৰ শাক-পাচলিৰ গছ আৰু নেটৰ বেৰা কাটি তহিলং কৰে। ফলত দৰিদ্ৰ কৃষকজনে আজি আৰক্ষীৰ কাষ চাপিছে বুলি জানিবলৈ দিছে। উল্লেখযোগ্য যে কোবাদ আলীয়ে যোৱা অসম বিধান সভা নিৰ্বাচনৰ সময়ত অগপৰ কৰ্মী হোৱা হেতুকে নিজ ঘৰৰ চৌহদত দলীয় প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰ বেনাৰ লগাই ৰাখিছিল যদিও দুষ্কৃতিকাৰীয়ে ৰাতিৰ এন্ধাৰত উক্ত বেনাৰখনো ফালি থৈ যায়। প্ৰশাসনক বিষটো তদন্ত মূলে বিহীত ব্যৱস্থা লোৱাৰ দাবী জনাইছে ভুক্তভোগী কৃষকজনে।

স্কুলত অনুপস্থিত থাকিও ‘শিক্ষা সেতু’ত হাজিৰা প্ৰধান শিক্ষকৰ

গৰৈমাৰীৰ হাজী মহম্মদ আলী মেম’ৰিয়েল এম.ই. স্কুলত ব্যাপক দুৰ্নীতি

অসম বাৰ্তা, গৰৈমাৰী, ২৭ মে’ ঃ কামৰূপ জিলাৰ গৰৈমাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত কানহাৰাস্থিত হাজী মহম্মদ আলী মেম’ৰিয়েল এম ই স্কুলৰ প্ৰধান শিক্ষক জাকিৰ হুছেইনৰ বিৰুদ্ধে ব্যাপক দুৰ্নীতিৰ লগতে বিত্তীয় অনিয়ম আৰু কৰ্তব্যত গাফিলতিৰ অভিযোগ উত্থাপন হৈছে। প্ৰাপ্ত অভিযোগ অনুসৰি হাজী মহম্মদ আলী মেম’ৰিয়েল এম ই স্কুলৰ প্ৰধান শিক্ষক জাকিৰ হুছেইন ৯ মে’ৰ পৰা আজি (২৬ মে’)লৈ ধাৰাবাহিকভাৱে বিদ্যালয়ত অনুপস্থিত আছে। আশ্চৰ্যজনকভাৱে চৰকাৰে ডিজিটেল হাজিৰাৰ বাবে প্ৰৱৰ্তন কৰা ‘শিক্ষা হেতু’ এপত প্ৰধান শিক্ষকগৰাকীয়ে প্ৰতিদিনে নিজৰ উপস্থিতি দেখুৱাই আহিছে। বিদ্যালয়ত উপস্থিত নথকাকৈয়ে কেনেকৈ হাজিৰা সম্পন্ন হৈছে, তাক লৈ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। ইপিনে কেৱল ভুৱা হাজিৰাই নহয়, প্ৰধান শিক্ষকজনৰ বিৰুদ্ধে চৰকাৰী পুঁজি আত্মসাৎ কৰাৰো গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। বিদ্যালয়খনৰ উন্নয়নৰ বাবে অহা আন্তঃগাঁথনিৰ ধন সঠিক কামত ব্যৱহাৰ নকৰি ব্যাপক লুণ্ঠন চলাইছে। আনকি ছাত্ৰ-ছাত্ৰীৰ মধ্যাহ্ন ভোজন আঁচনিৰ ক্ষেত্ৰতো ব্যাপক অনিয়ম সংঘটিত কৰি শিশুসকলৰ প্ৰাপ্য অধিকাৰো দুৰ্নীতিগ্ৰস্ত প্ৰধান শিক্ষক জাকিৰ হুছেইনে খৰ্ব কৰিছে। ফলত বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ সম্পূৰ্ণৰূপে বিনষ্ট হৈ পৰিছে। দুৰ্নীতিপৰায়ণ প্ৰধান শিক্ষকজনৰ মইমতালি আৰু অনিয়মৰ খবৰ পাই গৰৈমাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া কাশ্যপী কাশ্যপ আজি হাজী মহম্মদ আলী মেম’ৰিয়েল এম ই স্কুলত উপস্থিত হৈ বিদ্যালয়খনৰ সামগ্ৰিক পৰিস্থিতিৰ বুজ লয় আৰু শিক্ষক-কৰ্মচাৰী তথা স্থানীয় লোকৰ সৈতে বাৰ্তালাপ কৰি ঘটনাৰ প্ৰাথমিক সত্যতাৰ তদন্ত কৰে। ইপিনে চৰম দুৰ্নীতিত নিমজ্জিত প্ৰধান শিক্ষকজনৰ বিৰুদ্ধে কঠোৰ আইনী আৰু বিভাগীয় ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হাতেম আলীয়ে লগতে দুৰ্নীতিগ্ৰস্থ শিক্ষক জাকিৰ হুছেইনৰ বিৰুদ্ধে আজি চক্ৰ বিষয়া কাশ্যপী কাশ্যপৰ হাতত এখন অভিযোগ দাখিল কৰে। পৰিচালনা সমিতি আৰু স্থানীয় ৰাইজে সমগ্ৰ ঘটনাৰ এক উচ্চস্তৰীয় তদন্তৰ জৰিয়তে দুৰ্নীতিগ্ৰস্ত প্ৰধান শিক্ষকগৰাকীৰ বিৰুদ্ধে বিহীত ব্যৱস্থা গ্ৰহণ কৰি বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ ঘূৰাই অনাৰ দাবী জনায়। উল্লেখ্য যে প্ৰধান শিক্ষকগৰাকীৰ কৰ্মকাণ্ডত অতিষ্ঠ হৈ বিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰীয়ে যোৱা ২১ মে’ত ছয়গাঁও খণ্ড প্ৰাথমিক শিক্ষা বিষয়াক লিখিত অভিযোগ দাখিল কৰিছে।

চহৰ পৰিষ্কাৰ ৰখাৰ বাবে তিনিচুকীয়া পৌৰসভাৰ অভিনৱ প্ৰচেষ্টা

পথৰ কাষত আইনা লগাইও বিফল, ৰাইজৰ অসচেতনতাত ব্যৰ্থ পৰিকল্পনা

অসম বাৰ্তা, তিনিচুকীয়া সদৰ, ২৭ মে’ ঃ তিনিচুকীয়া পৌৰসভাই চহৰখনক পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ স্বাৰ্থত সদায় নন পদক্ষেপ গ্ৰহণ কৰি আহিছে। কিন্তু একাংশ ৰাইজৰ অসচেতনতাৰ বাবে চহৰখনক লৈ কৰা বহু পৰিকল্পনাই ব্যৰ্থ হ’বলগীয়া হৈছে। শেহতীয়াকৈ পৌৰসভাই পৰীক্ষামূলকভাৱে চহৰৰ কেইবাটাও স্থানত এক অভিনৱ ব্যৱস্থা গ্ৰহণ কৰিছে। যিবোৰ স্থানত একাংশ অসচেতন লোকে নিয়মীয়াকৈ ৰাজহুৱাকৈ প্ৰস্ৰাৱ কৰে, সেইবোৰ পথৰ কাষত পৌৰসভাই ডাঙৰ ডাঙৰ আইনা সংস্থাপন কৰিছে। উদ্দেশ্য আছিল - প্ৰস্ৰাৱ কৰিবলৈ লওঁতেই যাতে লোকজনে আইনাত নিজৰ প্ৰতিচ্ছবি দেখি লজ্জাবোধ কৰে আৰু এই কু-অভ্যাস ত্যাগ কৰে। কিন্তু আইনা দেখা পায়ো একাংশ অসচেতন লোকে কোনো কোঠাবোধ নকৰাকৈ আইনাৰ কাষতেই প্ৰস্ৰাৱ কৰি আছে। আনকি কোনো কোনো স্থানত আইনাৰ ওপৰতেই পান-গুটখাৰ পিক পেলাই লেতেৰা কৰাৰ দৰে ঘটনাও সংঘটিত হৈছে। স্থানীয় একাংশ সচেতন মহলে ক্ষোভ প্ৰকাশ কৰি কয়, “পৌৰসভাই ইমান ধুনীয়া ব্যৱস্থা কৰিছে, তথাপিও মানুহে নামানে। প্ৰতিটো সমস্যাৰ বাবে কেৱল বিধায়ক আৰু পৌৰসভাক দোষ দি থকাৰ বাহিৰে একাংশ চহৰবাসীৰ যেন আন কোনো কৰণীয় নাই। নিজৰ দায়িত্ববোধ বুলিও যে এটা কথা আছে, সেয়া তেওঁলোকে পাহৰি গৈছে।” চহৰখন পৰিষ্কাৰ কৰি ৰখাটো প্ৰতিজন দায়িত্ব। নিজৰ মানসিকতা সলনি নকৰালৈকে তিনিচুকীয়া চহৰ পৰিষ্কাৰ হৈনুঠিব।

বিশিষ্ট শিক্ষক তথা সমাজসেৱক ৰত্নাকান্ত বৰ্মনৰ দেহাৱসান

অসম বাৰ্তা, কোকৰাঝাৰ, ২৭ মে’ ঃ কোকৰাঝাৰ জিলাৰ ডাঙ্গাইমাৰী অঞ্চলৰ বিশিষ্ট শিক্ষক তথা সমাজসেৱক ৰত্নাকান্ত বৰ্মনৰ দেহাৱসানত অঞ্চলজুৰি শোকৰ ছাঁ পৰিলক্ষিত হয়। শিক্ষকজনৰ মানৱদৰদী ব্যৱহাৰে যেন আজি তেখেতৰ অন্তিম দিনটোত অঞ্চলখনৰ সকলোকে কন্দুৱাই থৈ গল। কিছুদিন আগত শিক্ষকজনে ভৰি পিছলি পৰি মানসিক ভাৰসাম্য হেৰুৱাই এমাহমান আগত গুৱাহাটী মেডিকেল কলেজ, হস্পিতালত চিকিৎসাধীন হৈ আছিল। দীৰ্ঘদিন ধৰি শিক্ষা আৰু সমাজসেৱাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে অঞ্চলখনত বিশেষ সন্মান লাভ কৰিছিল বৰ্মনে। হিন্দী বিষয়ৰ শিক্ষক হিচাপে কৰ্মজীৱন আৰম্ভ কৰা বৰ্মন ২০১২ চনত বিদ্যালয়খনৰ প্ৰধান শিক্ষক হিচাপে দায়িত্ব গ্ৰহণ কৰি প্ৰায় দহ বছৰ সফলতাৰে কৰ্তব্য পালন কৰাৰ পিছত অৱসৰ গ্ৰহণ কৰে। শিক্ষকতা জীৱনৰ সমান্তৰালভাৱে সমাজসেৱাতো গভীৰভাৱে জড়িত আছিল ৰত্নাকান্ত বৰ্মন। গৰিব-দুখীয়াৰ বিবাহ, শ্ৰাদ্ধ আদি সামাজিক কামত আৰ্থিক সহায় আগবঢ়োৱাৰ লগতে আইভাণ্ডাৰ মন্দিৰৰ উন্নয়নমূলক কামতো তেখেতৰ উল্লেখযোগ্য অৱদান আছিল। বিশেষভাৱে সক্ষম হোৱা সত্ত্বেও নিজৰ কৰ্ম আৰু মানৱদৰদী আচৰণে তেখেতক সাধাৰণ মানুহৰ মাজত অতি জনপ্ৰিয় কৰি তুলিছিল। নিজৰ গাঁঠিৰ ধন ব্যয় কৰি গৰীব ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ পৰা আদি কৰি কৰ্মৰত বিদ্যালয়খনৰ উন্নয়নৰ বাবেও বহু কাম কৰিছিল বুলি স্থানীয় লোকে জানিবলৈ দিয়ে। ৰত্নাকান্ত বৰ্মনৰ বিয়োগত স্থানীয় ৰাইজ আৰু বিভিন্ন শৈক্ষিক মহলে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

গৰৈমাৰীত আমছুৰ শ্বহীদ দিৱস উদযাপন

অসম বাৰ্তা, গৰৈমাৰী, ২৭ মে’ ঃ সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছু)ৰ দক্ষিণ কামৰূপ জিলা সমিতিৰ উদ্যোগত আৰু গৰৈমাৰী আঞ্চলিক সমিতিৰ সহযোগত গৰৈমাৰী আঞ্চলিক ইউনিয়ন পুথিভঁৰাল প্ৰাংগণত আজি বিভিন্ন কাৰ্যসূচীৰে ৪৬ সংখ্যক শ্বহীদ দিৱস উদযাপন কৰা হয়। এই উপলক্ষে পুৱা আমছুৰ পতাকা উত্তোলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পিছত শ্বহীদ বেদীত সংখ্যালঘু জাতিৰ স্বাৰ্থত আত্মবলিদান দিয়া বীৰ শ্বহীদসকলক আমছুৰ কৰ্মকৰ্তাসকলে শ্ৰদ্ধাঞ্জলি জনায়। এই উপলক্ষে পুথিভঁৰাল প্ৰাংগণত দক্ষিণ কামৰূপ জিলা আমছুৰ সভাপতি আমিনুল ইছলাম আহমেদৰ সঞ্চালনাত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলা সম্পাদক ফুলুছউদ্দিনে। সভাত আমছুৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক আবুল কালাম আজাদ, গৰৈমাৰী আঞ্চলিক সমিতিৰ সভাপতি ইমৰাণ হক, সম্পাদকদ্বয় ৰুহুল আমিন, আব্দুল আজিজকে প্ৰমুখ্য কৰি প্ৰতিটো আঞ্চলিক সমিতিৰ বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে।

লাহৰীঘাটত পুনৰ গ্ৰেপ্তাৰ দুই ড্ৰাগছ সৰবৰাহকাৰী, জব্দ ড্ৰাগছভৰ্তি ৪টাকৈ চাবোনৰ বাকচ

অসম বাৰ্তা, লাহৰীঘাট, ২৭ মে’ ঃ লাহৰীঘাটত মৰিগাঁও আৰক্ষীৰ ড্ৰাগছ বিৰুধী অভিযান অব্যাহত। প্ৰায় প্ৰতিদিনেই গ্ৰেপ্তাৰ হৈছে অবৈধ ড্ৰাগছ সৰবৰাহকাৰী। কালি নিশা লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত ধোৱামাৰিত মৰিগাঁও আৰক্ষীৰ বিশেষ শাখা আৰু লাহৰিঘাট আৰক্ষীৰ যৌথ অভিযান চলাই বৃহৎ পৰিমাণৰ ড্ৰাগছসহ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে মাতৃ-পুত্ৰক। ধৃত ড্ৰাগছ সৰবৰাহকাৰী কেইটা ক্ৰমে মাতৃ নুৰ নেহাৰ আৰু পুত্ৰ ৰেকিব হুছেইন বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। ধৃত ড্ৰাগছ সৰবৰাহকাৰী কেইটাৰ পৰা ড্ৰাগছ ভৰ্তি ৪ চাবোনৰ বাকচ জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে, মাতৃ-পুত্ৰই মিলি দীৰ্ঘদিন ধৰি অবৈধ ড্ৰাগছৰ ব্যৱসায় চলাই আহিছিল বুলি স্থানীয় ৰাইজৰ অভিযোগ আছিল। একাংশ দুষ্ট চক্ৰই অঞ্চলটোত দীৰ্ঘদিন ধৰি সমাজ ধ্বংসকাৰী অবৈধ ড্ৰাগছৰ ব্যৱসায় চলাই আহিছিল চোৰাংকৈ। যোৱা দুদিন মৰিগাঁও আৰক্ষীৰ বিশেষ শাখা আৰু লাহৰীঘাট আৰক্ষীৰ যৌথ অভিযানত বহু কেইটা ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়।

আটছাৰ গৰঙা প্ৰাথমিক গোট গঠন

অসম বাৰ্তা, খুমটাই, ২৭ মে’ ঃ অসম চাহ জনজাতি ছাত্ৰ সন্থা (আটছা) খুমটাই শাখাৰ অন্তৰ্গত শাওঁতলী উপশাখাৰ উদ্যোগত আজি গৰঙা চাহ বাগিচাত “গৰঙা প্ৰাথমিক গোট” গঠন কৰা হয়। গৰঙা চাহ বাগিছাৰ মহাপ্ৰভু জগন্নাথ ৰাজহুৱা প্ৰেক্ষাগৃহ আৰু দক্ষতা বিকাশ কেন্দ্ৰত অনুষ্ঠিত সভাখনত উপশাখাৰ সভাপতি সন্তোষ তাচা আৰু সম্পাদক বিটুপন তাঁতীয়ে সভা পৰিচালনা কৰে। সভাত আটছাৰ গৰঙা প্ৰাথমিক গোটৰ নতুন সমিতি গঠন কৰা হয়। সমিতিখনৰ সভাপতি হিচাপে হেমন্ত মিৰ্দ্ধা আৰু সম্পাদক হিচাপে দ্বীপ মিৰ্দ্ধাক নিৰ্বাচিত কৰাৰ লগতে ২১ জনীয়া এখন পূৰ্ণাংগ সমিতি গঠন কৰা হয়। উক্ত সভাত আটছা খুমটাই শাখাৰ ভাৰপ্ৰাপ্ত সম্পাদক আমিৰ ভূমিজ, শাওঁতলী উপশাখাৰ ভাৰপ্ৰাপ্ত সভাপতি বিনোদ তাঁতী, বিষয়ববীয়া মহাদেৱ গঞ্জু, সুফল ভূঞাসহ বহু সংখ্যক চাহ জনজাতীয় লোক উপস্থিত থাকে। সভাখনত সংগঠন শক্তিশালী কৰাৰ লগতে সমাজৰ উন্নয়নমূলক বিভিন্ন বিষয় সন্দৰ্ভতো আলোচনা কৰা হয়।

বিশ্বনাথ জিলাৰ হেলেমৰ আঠটাকৈ মছজিদ কমিটিয়ে ঈদুল আজাহাত গৰু কোৰবানি নিদিয়াৰ সিদ্ধান্ত

অসম বাৰ্তা, জিনজিয়া, ২৭ মে’ ঃ সমাগত ইছলাম ধৰ্মাৱলম্বী লোক সকলৰ ঈদুল আজাহা। অহা ২৮ মে তাৰিখে ৰাজ্য, দেশ তথা সমগ্ৰ বিশ্বতে ইছলাম ধৰ্মাৱলম্বী লোক সকলে উলহ মালহেৰে পালন কৰিব ঈদুল আজাহা। এই ঈদত গৰু কোৰবানি দিয়া নিদিয়াক লৈ চৰকাৰে SOP বান্ধি দিয়াৰ পাছত বিভিন্ন প্ৰান্তত বিভিন্ন ধৰণৰ বিতৰ্ক সৃষ্টি হৈ থকাৰ সময়তে আজি বিশ্বনাথ জিলাৰ হেলেমৰ ৮ টাকৈ মছজিদ কমিটিয়ে এক বৈতকত মিলিত হৈ ঈদুল আজাহাত গৰু কোৰবানি নিদিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এওঁলোকৰ মত যি দেশৰ প্ৰজা এই দেশৰ চৰকাৰী নীতি নিয়ম মানি চলাতো ইছলামৰ আদৰ্শ বুলি উল্লেখ কৰি তেখেতসকলে এই সিদ্ধান্তত উপনীত হোৱাৰ লগতে আগন্তুক ঈদুল আজাহাত গৰু পৰিবৰ্তে ছাগলী, ভেৰা বা মহৰ কোৰবানি দিব বুলি জানিবলৈ দিয়ে।

দৰং জিলাত প্ৰায় ৩০০০ লোকৰ অংশগ্ৰহণেৰে "জন ভাগীদাৰী- সবচে দূৰ, সবচে পেহলে" অভিযানৰ সফল সামৰণি

অসম বাৰ্তা, দেওমৰনৈ, ২৭ মে' ঃ দৰং জিলাত ১৮ মে'ৰ পৰা ২৫ মে', ২০২৬ লৈ সপ্তাহজোৰা "জন ভাগীদাৰী- সবচে দূৰ, সবচে পেহলে" অভিযানৰ আজি সফল সমাপ্তি ঘটে। আজিৰ এই অভিযানৰ সামৰণিৰ দিনাখন জিলা উন্নয়ন আয়ুক্ত দেৱজিত বৰুৱাই এই অভিযানৰ সৈতে সংযুক্ত সকলো সংশ্লিষ্ট বিভাগীয় মুৰব্বীৰ উপস্থিতত এক সংবাদ মেল সম্বোধন কৰি এই সপ্তাহজোৰা অভিযানৰ যাৱতীয় তথ্য সমূহ সংবাদ মাধ্যমক অৱগত কৰে। "ধৰ্তি আবা জনজাতীয় গ্ৰাম উৎকৰ্ষ অভিযান" আৰু PM JANMAN-ৰ অধীনত ৰূপায়িত এই সপ্তাহজোৰা কাৰ্যসূচীৰ মূল উদ্দেশ্য আছিল জনজাতীয় আৰু পিছপৰা অঞ্চলসমূহত চৰকাৰী সেৱা আৰু কল্যাণমূলক আঁচনিৰ কাৰ্যকাৰীতা নিশ্চিত কৰাৰ লগতে তৃণমূল স্তৰত জনঅংশগ্ৰহণ শক্তিশালী কৰা। এই সপ্তাহজোৰা কাৰ্যসূচীৰ সময়ছোৱাৰ ভিতৰত দৰং জিলা প্ৰশাসনৰ উদ্যোগত ছিপাঝাৰ, বেচিমাৰী, দলগাঁও, পশ্চিম মঙলদৈ আৰু পূব মঙলদৈ উন্নয়ন খণ্ডৰ জনজাতীয় বসতি থকা বিভিন্ন গাঁৱত সজাগতা সভা, গ্ৰাম সভা, স্বাস্থ্য শিবিৰ, সেৱা শিবিৰ আৰু জনসংযোগমূলক কাৰ্যসূচী আয়োজন কৰা হয়। এই অভিযানৰ অধীনত মুঠ ৬১টা সজাগতা শিবিৰৰ জৰিয়তে ৭৩খন গাঁও সামৰি লোৱা হয় আৰু মুঠ ২,৯০৩ গৰাকী লোকে অংশগ্ৰহণ কৰে। অভিযানৰ সময়ছোৱাত বিভিন্ন চৰকাৰী আঁচনিৰ অধীনত হিতাধিকাৰী সকলক বিভিন্ন ধৰণে সুবিধা প্ৰদানৰ চেষ্টা কৰা হয়। PMAY-ৰ অধীনত ৩১৭ গৰাকী, PM Fasal Bima Yojana-ৰ অধীনত ২০৫ গৰাকী, PM Vandan Yojana-ত ২২৭ গৰাকী, KCC-ৰ জৰিয়তে ২৭০ গৰাকী আৰু PM Kisan Samman Nidhi Yojana-ৰ অধীনত ২০৫ গৰাকী হিতাধিকাৰীয়ে সুবিধা লাভ কৰে। ইয়াৰ উপৰিও PM Vishwakarma আঁচনিৰ অধীনত ২২ গৰাকী হিতাধিকাৰীক সহায় প্ৰদান কৰা হয়। পুষ্টি আৰু খাদ্য সুৰক্ষা উদ্যোগৰ অধীনত ৬ গৰাকী হিতাধিকাৰীক Poshan Vatika-ত অন্তৰ্ভুক্ত কৰাৰ লগতে ৩৭২ গৰাকীক ৰেচন কাৰ্ড সম্পৰ্কীয় সহায় প্ৰদান কৰা হয়। ঠিক সেইদৰে স্বাস্থ্য বিভাগৰ উদ্যোগত বিভিন্ন স্বাস্থ্য সজাগতা আৰু চিকিৎসা শিবিৰ আয়োজন কৰি HPV টিকাকৰণ, ১০০ দিনীয়া যক্ষ্মা সজাগতা, মাতৃ-শিশু সুৰক্ষা, পুষ্টি আৰু জনস্বাস্থ্য সম্পৰ্কীয় বিষয়ত সজাগতা বৃদ্ধি কৰা হয়। লগতে NCD, যক্ষ্মা, ৰক্তাল্পতা আৰু চিকল চেল ৰোগৰ পৰীক্ষা সম্পন্ন কৰা হয়। চিকল চেল ৰোগৰ বাবে মুঠ ৩২টা স্ক্ৰিনিং কৰা হয়। এই অভিযানৰ এক বিশেষ অংশ হিচাপে তৃণমূল স্তৰত জনঅংশগ্ৰহণ আৰু অভিযোগ নিষ্পত্তি ব্যৱস্থা অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে ৩টা আদি সেৱা কেন্দ্ৰৰ জৰিয়তে ২৬খন গাঁও সামৰি ২৭খনজন শুনানি আৰু মতবিনিময় সভা অনুষ্ঠিত কৰা হয়। এই কাৰ্যসূচীসমূহত ২৯৮ গৰাকী পুৰুষ আৰু ৫১১গৰাকী মহিলাই অংশগ্ৰহণ কৰে। জিলা আয়ুক্ত আয়ুষী জৈনে যোৱা ১৮ মে'ত শুভাৰম্ভ কৰা এই অভিযানৰ সমগ্ৰ কাৰ্যসূচীত বিভিন্ন বিভাগৰ বিষয়ববীয়া, স্বাস্থ্যকৰ্মী, ASRLM কেডাৰ, SHG সদস্য, পঞ্চায়ত প্ৰতিনিধি, এনজিঅ' আৰু সামাজিক কৰ্মীসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। দৰং জিলা প্ৰশাসনৰ তৰফৰ পৰা জিলা উন্নয়ন আয়ুক্ত দেৱজিত বৰুৱাই জনজাতীয় আৰু পিছপৰা অঞ্চলসমূহত চৰকাৰী সেৱাৰ কাৰ্যকৰী ৰূপায়ণ নিশ্চিত কৰাৰ লক্ষ্যৰে আগন্তুক দিনতো সমন্বিত প্ৰচেষ্টা অব্যাহত থাকিব বুলি জানিবলৈ দিয়ে। তেখেতে লগতে জনায় যে- এই বিষয়টো প্ৰত্যেক মাহৰ জিলা উন্নয়ন সমিতিৰ পৰ্যালোচনা বৈঠকত আলোচনাৰ এক গুৰুত্বপূৰ্ণ বিষয়বস্তু হিচাবে গ্ৰহণ কৰি ইয়াৰ ফলপ্ৰসতা মূল্যায়ন কৰা হ'ব।

এখন দৈনিকত আছুৰ সাংগঠনিক সম্পাদক জীতেন্দ্ৰ চুতীয়াৰ ফটো ধৃত ব্যক্তিৰ স'তে প্ৰকাশক লৈ প্ৰতিক্ৰিয়া

'আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা সংবাদিক দেৱাশিস গোহাঁই চোৰাংচোৱা বিভাগৰ দ্বাৰা নিয়োজিত ব্যক্তি' - আলফা (স্বাঃ)

অসম বাৰ্তা বিশেষ, পেঙেৰী, ২৭ মে' ঃ কালি সংযুক্ত মুক্তি বাহিনী, অসম (স্বাঃ) ৰ হৈ ধন সংগ্ৰহৰ অভিযোগত আটক কৰা চাৰি যুৱক ক্ৰমে সাংবাদিক দেৱাশিস গোহাঁই, আছু নেতা সমৰ গোঁহাই, দিপু চেতিয়া পাত্ৰ আৰু মৃত্যুঞ্জয় কোঁৱৰৰ লগতে মহাৰাষ্ট্ৰৰ পৰা আটক কৰি অনা শ্বেইখ ৰাছীৰৰ সন্দৰ্ভত সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিজ্ঞপ্তি যোগে আলফা (স্বাধীন) সংগঠনে বিস্ফোৰক মন্তব্য আগবঢ়াইছে। উল্লেখ্য যে কালিৰ ঘটনাটোৱে সমগ্ৰ অসমজুৰি চাঞ্চল্যৰ সৃষ্টি কৰাৰ সময়তে উগ্ৰপন্থী সংগঠনটোৱে প্ৰেৰণ কৰা বিবৃতিয়ে বিশেষ তাৎপৰ্য বহন কৰিছে। সংযুক্ত মুক্তি বাহিনী, অসম (স্বাধীন)ৰ প্ৰচাৰ বিভাগৰ সহঃ সম্পাদক স্বয়ম্ভূ ছেকেণ্ড লেঃ অনুৰণন অসম স্বাক্ষৰিত বিবৃতিটোত কোৱা হৈছে - "সংযুক্ত মুক্তি বাহিনী, অসম (স্বাধীন) সংগঠনৰ বিত্তীয় লেন-দেনৰ অভিযোগত তিনিচুকীয়াৰ আৰক্ষীয়ে যি চাৰিগৰাকী ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে তেখেতসকলৰ ভিতৰত তিনিগৰাকী ক্ৰমে দিপু চেতিয়া পাত্ৰ, সমৰ গোঁহাই আৰু মৃত্যুঞ্জয় কোঁৱৰ কোনো প্ৰকাৰে সংযুক্ত মুক্তি বাহিনী, অসম (স্বাধীন) সংগঠন আৰু সংগঠনৰ বিত্তীয় লেন-দেনৰ সৈতে জড়িত নহয়। আনফালে তিনিচুকীয়া আৰক্ষীৰ ভাষ্য অনুসৰি শ্বেইখ ৰাছীৰৰ সন্দৰ্ভত বিভিন্ন সংবাদ মাধ্যমে যিধৰণে বাতৰি সম্প্ৰচাৰ কৰিছে সেয়াও গোকাট মিছা তথা এই সমগ্ৰ বিষয়টো আটকাধীন দেৱাশিস গোহাঁই (চোৰাংচোৱা বিভাগৰ দ্বাৰা নিয়োজিত)ৰ লগত লগ হৈ অসম আৰক্ষীৰ পৰিকল্পিত মনেসজা কাহিনী। গতিকে তিনিচুকীয়া আৰক্ষী আৰু চোৰাংচোৱা সংস্থাৰ বেতনধাৰী সদস্যৰ এনে ভুৱা বাতৰিক প্ৰশ্চয় নিদিবলৈ অসমৰ থলগিৰি জনগণলৈ এই বিবৃতিৰ যোগে আহ্বান জনালোঁ।" ইফালে কালি সন্ধিয়া তিনিচুকীয়াৰ আৰক্ষীয়ে সংবাদমেল সম্বোধন কৰি ধৃত যুৱককেইজনৰ বিৰুদ্ধে বিস্ফোৰক তথ্যসহ দুটাকৈ গোচৰৰ বিৰুদ্ধে চাৰি যুৱকক গ্ৰেপ্তাৰ কৰাৰ কথা সদৰী কৰে। ইফালে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত এখন দৈনিক কাকতত গ্ৰেপ্তাৰৰ বাতৰিটোত আছুৰ সহকাৰী সম্পাদক সমৰ গোহাঁইৰ সতে আছুৰ সাংগঠনিক সম্পাদক জীতেন্দ্ৰ চুতীয়াৰ ফটো অপ্ৰাসঙ্গিকভাৱে সংলগ্ন কৰা বিষয়টোৱে মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। এই সন্দৰ্ভত আছু নেতা জীতেন্দ্ৰ চুতীয়াই এই প্ৰতিবেদকক ফোনযোগে জানিবলৈ দিয়ে যে দৰাচলতে পৰহি আৰক্ষীয়ে তেওঁক সোধাপোছাৰ বাবে মাতি নি কালি পুৱাৰ ভাগত ঘৰলৈ যাব দিয়ে। তেওঁ কোনোপ্ৰকাৰে উক্ত অপকৰ্মত জড়িত নাই বুলি স্পষ্ট হোৱাৰ পাছতেই আৰক্ষীয়ে তেওঁক যাবলৈ দিয়ে। অৱশ্যে শনিবাৰৰ নিশা তিনিচুকীয়াৰ আৰক্ষীয়ে তেওঁক জেৰাৰ নামত অকথ্য মানসিক নিৰ্যাতন চলোৱাৰ কথাও ব্যক্ত কৰে। কিন্তু আৰক্ষীয়ে এৰি দিয়াৰ পাছত এখন প্ৰসিদ্ধ দৈনিক কাকতে কি উদ্দেশ্যৰে তেওঁৰ ফটোখন কাকতখনৰ প্ৰথম পৃষ্ঠাতে গ্ৰেপ্তাৰৰ বাতৰিটোৰ সতে সংলগ্ন কৰিলে সেয়া নুবুজা সাঁথৰ বুলিও ক'লে। এই সন্দৰ্ভত তেওঁ কাকত কৰ্তৃপক্ষক জবাবদিহি কৰাৰ কথাও ব্যক্ত কৰে।

অপৰাধীৰ বিৰুদ্ধে কঠোৰ তাৰাবাৰী আৰক্ষী

এক্সন মুডত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় কুমাৰ ৰয়

অসম বাৰ্তা, চেঙা, ২৭ মে' ঃ বৰপেটা জিলাৰ তাৰাবাৰী থানাত পুনৰ কঠোৰ আৰু দৃঢ় ৰূপত দেখা গ'ল ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় কুমাৰ ৰয়ক। অঞ্চলজুৰি দিনক দিনে বৃদ্ধি পাই অহা জুৱা, ড্ৰাগছৰ অবৈধ বেহা, বাইক চুৰি, গৰু চুৰি আৰু বিভিন্ন সমাজবিৰোধী কাৰ্যকলাপৰ বিৰুদ্ধে এইবাৰ সম্পূৰ্ণ এ'ন মুডত নামি পৰিছে তাৰাবাৰী আৰক্ষী। দীঘলীয়া সময় ধৰি অঞ্চলটোৰ বিভিন্ন ঠাইত গোপনে চলি থকা জুৱা আৰু ড্ৰাগছৰ আড্ডাসমূহৰ বিৰুদ্ধে আৰক্ষীয়ে কঠোৰ অভিযান আৰম্ভ কৰাৰ ফলত অপৰাধী চক্ৰৰ মাজত তীব্ৰ আতংকৰ সৃষ্টি হোৱা দেখা গৈছে। বিশেষকৈ নিশা সময়ত আৰক্ষীৰ তৎপৰতা যথেষ্ট বৃদ্ধি পোৱাত বহু অপৰাধী এলেকা এৰি পলায়ন কৰিবলৈ বাধ্য হোৱা বুলি স্থানীয় লোকসকলে জানিবলৈ দিয়ে। ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় কুমাৰ ৰয়ৰ নেতৃত্বত আৰক্ষীৰ এটা বৃহৎ দলে নিশাই তাৰাবাৰী থানাৰ অন্তৰ্গত বিভিন্ন স্পৰ্শকাতৰ অঞ্চলত অভিযান চলাই আছে। আৰক্ষীৰ এই অভিযানত জুৱা খেলুৱৈ, ড্ৰাগছ সৰবৰাহকাৰী, চুৰি-ডকাইতিৰ সৈতে জড়িত বহু সন্দেহজনক লোকক আটক কৰি জেল হাজোতলৈ প্ৰেৰণ কৰাৰ খবৰ পোৱা গৈছে। ইয়াৰ উপৰিও কেইদিনমান আগতে বহুদিন ধৰি চুৰি হোৱা কেইবাখনো বাইক অভিযান চলাই উদ্ধাৰ কৰি দিয়াও দেখা গৈছে তাৰাবাৰী আৰক্ষীয়ে। বহু ক্ষেত্ৰত বাইকৰ মালিকসকলে নিজৰ হেৰুৱা বাহন পুনৰ ঘূৰাই পাই আৰক্ষীক ধন্যবাদ জনোৱা দেখা গৈছে। বিশেষকৈ ব্ৰহ্মপুত্ৰ নদীৰ পাৰত গোপনে চলি থকা এখন বৃহৎ জুৱাৰ আড্ডাত আৰক্ষীয়ে আকস্মিকভাৱে অভিযান চলাই ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰে। আৰক্ষীৰ উপস্থিতিৰ খবৰ লাভ কৰাৰ লগে লগে জুৱাৰ সৈতে জড়িত কেইবাজনো লোক ঘটনাস্থলীৰ পৰা পলায়ন কৰে যদিও জুৱাৰ সৈতে জড়িত লোকসকলৰ সন্ধানত তৎপৰ হৈ আছে বুলি জানিব পৰা গৈছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, বহুদিন ধৰি অঞ্চলটোৰ বিভিন্ন ঠাইত গোপনে জুৱা আৰু ড্ৰাগছৰ বেহা চলি আছিল। বিশেষকৈ যুৱ প্ৰজন্মৰ বহু ল'ৰা এই নিচাৰ কবলত পৰি নিজৰ জীৱন ধ্বংস কৰাৰ পথত আগবাঢ়িছিল। এনে পৰিস্থিতিত আৰক্ষীৰ কঠোৰ পদক্ষেপত অভিভাৱক মহলৰ মাজত স্বস্তিৰ সৃষ্টি হৈছে। এই সন্দৰ্ভত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় কুমাৰ ৰয়ে স্পষ্ট ভাষাত কয় যে, "তাৰাবাৰী থানাৰ অন্তৰ্গত অঞ্চলত কোনো ধৰণৰ অপৰাধমূলক কাৰ্যকলাপ সহ্য কৰা নহ'ব। ড্ৰাগছ, জুৱা, চুৰি অথবা সমাজবিৰোধী কামৰ সৈতে জড়িত যিকোনো ব্যক্তিৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। সাধাৰণ ৰাইজৰ শান্তি আৰু সুৰক্ষা নিশ্চিত কৰাৰ বাবে আৰক্ষীয়ে অহৰহ কাম কৰি আছে আৰু আগলৈও এই অভিযান অব্যাহত থাকিব।" তেওঁ আৰু কয় যে, অপৰাধী যিমানেই শক্তিশালী নহওক কিয়, আৰক্ষীৰ চকুৰ পৰা কোনো অপৰাধী সাৰি যাব নোৱাৰে। আইন নিজৰ পথত চলিব আৰু দোষীক কোনো ধৰণৰ ৰেহাই দিয়া নহ'ব বুলি কঠোৰ বাৰ্তা প্ৰেৰণ কৰে আৰক্ষী বিষয়াগৰাকীয়ে। ইফালে, তাৰাবাৰী আৰক্ষীৰ এই ধাৰাবাহিক অভিযানক শলাগ লৈছে সচেতন মহলৰ লগতে স্থানীয় ৰাইজেও। বহুদিন ধৰি অঞ্চলত বৃদ্ধি পোৱা অপৰাধমূলক কাৰ্যকলাপৰ বাবে উদ্বিগ্ন হৈ থকা লোকসকলে কয় যে, আৰক্ষীৰ এনে কঠোৰ ভূমিকা অব্যাহত থাকিলে অঞ্চলখন পুনৰ শান্তিপূৰ্ণ পৰিবেশলৈ ঘূৰি আহিব। স্থানীয় একাংশ লোকে কয় যে, আগতে নিশা সময়ত বহু ঠাইত জুৱাৰ আড্ডা, ড্ৰাগছ সেৱন আৰু বিভিন্ন সমাজবিৰোধী কাম চলি থাকিলেও এতিয়া আৰক্ষীৰ নিয়মীয়া টহল আৰু অভিযানৰ ফলত বহু পৰিমাণে এনে কাৰ্যকলাপ হ্ৰাস পাইছে। বিশেষকৈ আৰক্ষীৰ তৎপৰতাত বহু অভিভাৱকে স্বস্তিৰ নিশ্বাস পেলোৱা দেখা গৈছে। সচেতন মহলে আৰক্ষীক অধিক শক্তিশালীভাৱে এই অভিযান অব্যাহত ৰাখিবলৈ আহ্বান জনাইছে। লগতে ড্ৰাগছ আৰু জুৱাৰ দৰে সমাজ ধ্বংসকাৰী কাৰ্যকলাপৰ বিৰুদ্ধে আৰক্ষীৰ লগতে সাধাৰণ ৰাইজকো আগবাঢ়ি আহিবলৈ আহ্বান জনোৱা হৈছে। তাৰাবাৰী আৰক্ষীৰ এই কঠোৰ স্থিতিয়ে এতিয়া স্পষ্টকৈ এটা বাৰ্তা দিছে- অপৰাধীৰ স্থান জেল হাজোতত, সমাজত নহয়।

১৫০জন শিশুৰ জংঘল চাফাৰীৰ অভিজ্ঞতা লাভ

মানস মিত্ৰ কাৰ্যসূচীৰ অধীনত ১,৫৩৭ৰো অধিক শিক্ষাৰ্থী অনুপ্ৰাণিত

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৭ মে' ঃ মানস ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ (এম.এন.পি.টি.আৰ.) সামূহিক প্ৰচেষ্টা, মানস মিত্ৰ কাৰ্যসূচীৰ অধীনত "প্ৰকৃতি অভিমুখীকৰণ" আৰু "কনিষ্ঠসকলৰ বাবে জংঘল যাত্ৰা (জে৩)" কাৰ্যসূচীয়ে ওচৰৰ গাওঁবোৰৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সংৰক্ষণৰ বিষয়ে সজাগতা বৃদ্ধি কৰিছে। স্থানীয় লোকসকল আৰু বন্যপ্ৰাণী সংৰক্ষণৰ মাজৰ সম্পৰ্ক শক্তিশালী কৰাৰ লক্ষ্যৰে ২০১৪ চনৰ ১৪ নৱেম্বৰত 'শিশু দিৱস' উপলক্ষে বাঁচবাৰী ৰেঞ্জত এই পদক্ষেপটো আৰম্ভ কৰা হৈছিল। একেদৰে, ফেব্ৰুৱাৰী ২০২৬ ৰ পৰা নেচাৰ অৰিয়েণ্টেচন কাৰ্যকলাপে সংৰক্ষিত বনাঞ্চলৰ কাষৰীয়া গাওঁবোৰৰ ২২খন বিদ্যালয়ৰ মুঠ ১৫৩৭জন শিক্ষাৰ্থীৰ ওচৰ চাপে। এই অধিৱেশনবোৰত, মানসৰ জৈৱবৈচিত্ৰ্য, পৰিৱেশ আৰু বন্যপ্ৰাণী সংৰক্ষণৰ গুৰুত্ব এক বিশেষ শিক্ষাৰ্থী-অনুকূল প্ৰকাৰে প্ৰদান কৰা হৈছে। প্ৰতিটো শিশুক স্মাৰক হিচাপে জন্তুৰ মুখা আৰু অনুকূলিত পেঞ্চিল প্ৰদান কৰা হৈছে। কাৰ্যসূচীটোৰ এটা মুখ্য অংশ হৈছে 'জংগল জাৰ্নি ফৰ জুনিয়ৰ্ছ (জে৩)', যাৰ অধীনত নিৰ্বাচিত শিক্ষাৰ্থীসকলক সংৰক্ষিত বনাঞ্চলৰ জৈৱবৈচিত্ৰ্য আৰু পাৰিপাৰ্শ্বিক উপাদানবোৰ ওচৰৰ পৰা চাবলৈ এক বিনামূলীয়া শৈক্ষিক চাফাৰীলৈ প্ৰেৰণ কৰা হয়। এতিয়ালৈকে, J3 ৰ অধীনত ১৫০জন শিক্ষাৰ্থী আৰু ২৫জন শিক্ষকে উদ্যানৰ ভিতৰত চাফাৰীৰ অভিজ্ঞতা লাভ কৰিছে। মানস মিত্ৰ কাৰ্যসূচীৰ উদ্দেশ্য হৈছে স্থানীয় সম্প্ৰদায়ক, বিশেষকৈ যুৱ আৰু শিক্ষাৰ্থীসকলক সংৰক্ষণ কাৰ্যকলাপত অন্তৰ্ভুক্ত কৰা আৰু তেওঁলোকক মানস লেণ্ডস্কেপৰ পাৰিপাৰ্শ্বিক গুৰুত্বৰ বিষয়ে সজাগ কৰা। ইয়াৰ লগতে এই পদক্ষেপত পৰিৱেশ-বিকাশ সমিতি, প্ৰকৃতি নিৰ্দেশনা আৰু জীপ চাফাৰী অপাৰেটৰসকলৰ প্ৰশিক্ষণ আৰু সংৰক্ষণত সম্প্ৰদায়ৰ অংশগ্ৰহণৰ প্ৰচাৰৰ বাবে পৰ্যটনৰ হিতাধিকাৰীসকলৰ সৈতে যোগাযোগ অন্তৰ্ভুক্ত কৰা হৈছে। এই কাৰ্যসূচীটো হৈছে ইউনেস্কোৰ বিশ্ব ঐতিহ্যবাহী স্থান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল মানস ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰাকৃতিক আৰু সাংস্কৃতিক ঐতিহ্যৰ সৈতে মানুহৰ দীৰ্ঘম্যাদী সম্পৰ্ক শক্তিশালী কৰাৰ এক নিৰন্তৰ প্ৰচেষ্টা। এই কাৰ্যসূচীকলৈ মানস'ৰ বিষয়ববীয়া সকলে কৈছে যে শিশুসকলৰ মাজত প্ৰাৰম্ভিক পৰ্যায়ত সজাগতা আৰু আঞ্চলিক ব্যস্ততাই ভৱিষ্যতৰ মানৱ-বন্যপ্ৰাণী সংঘাত হ্ৰাস কৰাত আৰু সংৰক্ষণৰ লক্ষ্যক সমৰ্থন কৰাত এই ধৰণৰ কাৰ্যসূচীয়ে এক নিৰ্ণায়ক ভূমিকা পালন কৰিব।

বিশ্বনাথত মৰণফান্দত পৰিণত হোৱা অপৰিকল্পিতভাৱে নিৰ্মাণ কৰা ডিভাইদাৰৰ সমস্যা সমাধানৰ দিশে

অসম বাৰ্তা, বিহালী, ২৭ মে' ঃ বৰ্তমান মূল্য বৃদ্ধিৰ সময়ত প্ৰায় ১৫ লক্ষ্য টকা অপচয় কৰি ভাঙি পেলোৱা হব অ'পৰিকল্পিত নিৰ্মাণ কৰা ডিভাইদাৰ বিশ্বনাথ চাৰিআলিৰ ক্লক টাৱাৰৰস্থিত প্ৰদ্যুৎ হোটেলৰ সন্মুখত যি কোনো পৰিকল্পনা নোহোৱাকৈ পাঁচ মাহ আগতে ডিভাইডাৰৰ কাম আৰম্ভ কৰা হৈছিল। তাৰ বাবে বিভিন্ন জাতীয় সংগঠনে বাধা আৰোপ কৰি জিলা আয়ুক্তলৈ ধাৰাবাহিকভাবে স্মাৰক পত্ৰ প্ৰদান কৰিছিল। এই কাৰ্যৰ পিচত পথটোত দুয়োফালে প্ৰকাণ্ড প্ৰকাণ্ড গাত সৃষ্টি হোৱা ফলতে পথচাৰীৰ সকলে দুৰ্ভোগ ভুগিব লগিয়া হৈছে। লগতে মৰণ ফান্দত পৰিণত হৈ প্ৰতিদিনে পথ দুৰ্ঘটনা আৰম্ভ হৈছে। এই ক্ষেত্ৰত জাতীয় সংগঠন আৰু সচেতন ৰাইজে অতি শীঘ্ৰে এই পথটিৰ ব্যৱস্থা লববৈলে জিলা প্ৰশাসনক দাবী কৰা ভিত্তিত আজি বিশ্বনাথৰ নবনিৰ্বাচিত বিধায়ক পল্লৱ লোচন দাসৰ প্ৰয়াসত আৰু জিলা প্ৰশাসনৰ নেতৃত্বত এই ডিভাইডাৰৰ কাম বন্ধ কৰি ভাঙী পেলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এতিয়া কথা হল কাৰ নিৰ্দেশত আৰু কাৰ নেতৃত্বত এই ধৰণে অপৰিকল্পিতভাবে ডিভাইদাৰ নিৰ্মাণ আৰম্ভ কৰা হৈছিল। এই সন্দৰ্ভত জিলা প্ৰশাসনে তদন্ত কৰি উচিত কাৰ্য্য ব্যবস্থা গ্ৰহণ কৰিবলৈ ৰাইজে অনুৰোধ জনাইছে।

আদৰ্শ বিদ্যাপীঠ গেলেকীৰ নৱাগত আদৰণি সভা

কৃৰ্তি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা অনুষ্ঠান

অসম বাৰ্তা, গেলেকী, ২৬ মে' ঃ শিক্ষাৰ অন্যতম আগৰণুৱা শিক্ষানুষ্ঠান গেলেকী আদৰ্শ বিদ্যাপীঠত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয় নৱাগত আদৰণি সভাৰ লগতে শৈক্ষিক বঁটা বিতৰণী আৰু অভিনন্দন অনুষ্ঠানৰ। অনুষ্ঠানত প্ৰাক প্ৰাথমিক প্ৰথম বৰ্ষৰ অংকুৰৰ পৰা নৱম শ্ৰেণীলৈ নামভৰ্তি কৰা সমূহ নৱাগত ছাত্ৰ-ছাত্ৰীক আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হয়। এই অনুষ্ঠানত ২০২৫-২৬ বৰ্ষৰ বছৰেকীয়া পৰীক্ষাত প্ৰথম তিনিটা স্থান দখল কৰা ছাত্ৰ-ছাত্ৰীক কিতাপৰ টোপোলা আৰু প্ৰশস্তি পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে বিদ্যালয় খনত ২০২৫ বৰ্ষৰ পৰা স্তৰ অনুযায়ী সৰ্ব্বোচ্চ নম্বৰ পোৱা ছাত্ৰ-ছাত্ৰীক শৈক্ষিক সোঁৱৰণী বঁটা প্ৰদান কৰি অহা হৈছে। এইবাৰ ২০২৫-২৬ বৰ্ষৰ নিম্ন প্ৰাথমিক স্তৰৰ সৰ্ব্বোচ্চ নম্বৰ প্ৰাপক চিমলিন দুৱৰাক স্বৰ্গীয় ৰূপান্তৰ গগৈ সোঁৱৰণী শৈক্ষিক বঁটা নগদ ধনৰাশি আৰু কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জনোৱা হয়। উচ্চ মাধ্যমিক স্তৰৰ সৰ্ব্বোচ্চ নম্বৰ প্ৰাপক ষষ্ঠ শ্ৰেণীৰ ভাগৰজ্যোতি বৰৱাক স্বৰ্গীয় আনন্দ বড়া সোঁৱৰণী শৈক্ষিক বঁটা আৰু নৱম শ্ৰেণীৰ ছাত্ৰী বিৰিণা বৰুৱাক নীলিকেশ গগৈ সোঁৱৰণী বঁটা প্ৰদান কৰি শৈক্ষিক উত্তৰণৰ কামনা কৰা হয়। একেখন সভাতে স্থানীয় সমাজকৰ্মী যুৱক হেমন্ত গগৈয়ে নিজ প্ৰয়াত মাতৃ স্বৰ্গীয় মিনু গগৈ সোঁৱৰণত শৈক্ষিক বঁটা প্ৰদান কৰি ছাত্ৰ-ছাত্ৰী সকলৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে। অনুষ্ঠানত ২০২৫-২৬ বৰ্ষৰ সুন্দৰ ইংৰাজী আৰু অসমীয়া হাতৰ আখৰৰ বাবে বিদ্যালয় খনৰ দশম শ্ৰেণীৰ ছাত্ৰ স্পন্দীপ ছেত্ৰীক পৰিচালনা সমিতিৰ বিষয়ববীয়া গুণ গগৈয়ে প্ৰয়াত দুলেশ্বৰ গগৈ সোঁৱৰণী বঁটা প্ৰদান কৰে। একেটা অনুষ্ঠানতে শিক্ষাৰ দিশত আগৰণুৱা কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীক কেইবাটাও বিশেষ সন্মানীয় বঁটাৰে সন্মান জনোৱা হয়। অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত আছিল হেমন্ত ৰাজখোৱা, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী গুণ গগৈ, অৱসৰপ্ৰাপ্ত শিক্ষক হৰেণ কলিতা, জ্যেষ্ঠ খেলুৱৈ চম্পা বৰুৱা, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ৰেণু হাতীমুৰীয়া, আৰু গেলেকী প্ৰেছ ক্লাবৰ সভাপতি ৰাহিদ আলী। আমন্ত্ৰিত আটাই কেইগৰাকী অতিথিলৈ বিদ্যালয়ৰ সঞ্চালিকা কুন্তী ৰাণী বড়াই অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

□ নৱনিৰ্বাচিত বিধায়ক মেহবুব মুক্তাৰৰ চমক □

ধিং সমষ্টিত দুই দিনত ১০টি পথৰ নিৰ্মাণ শুভাৰম্ভ

অসম বাৰ্তা, মৈৰাবাৰী, ২৬ মে' ঃ শপত গ্ৰহণৰ পাছতে নিজা নিজা সমষ্টিত একাংশ বিধায়কে নিজা নিজা সমষ্টিত উন্নয়ন মুলক কাম কাজত সক্ৰীয় হৈ পৰিছে। সেই সকলৰ ভিতৰত অন্যতম এজন হিছাবে দেখা গৈছে নগাঁও জিলাৰ ধিং সমষ্টিৰ ৰাইজৰ দলৰ বিধায়ক মেহবুব মুক্তাৰ। শপত গ্ৰহণৰ পাছতে সমষ্টিৰ নিজা গৃহত উপস্থিত হৈয়ে সমষ্টিৰ উন্নয়নৰ বাবে বিভিন্ন লোকৰ সৈতে আলোচনাত মিলিত হয় বিধায়ক গৰাকী। তাৰ মাজতে যোৱা দুটা দিনত বিধায়ক গৰাকীয়ে ১০ টাকৈ জৰাজীৰ্ণ পথৰ শুভাৰম্ভ কৰে। সেই অনুসৰি ২৩ মেত নিৰ্মাণ শুভাৰম্ভ কৰা পথ কেইটাৰ পিণ্ট পইণ্ট ক্ৰমে- ধূপগুৰি ঢাকাইবস্তি পি এম জি এছৱাই ৰোড ৰ পৰা ডুমডুমীয়া ৰোড, ঢাকাইবস্তিৰ পৰা ধূপগুৰি, ছলাপথাৰৰ পৰা বাটমাৰী পথ, বাটমাৰী-ৰামপুৰ সত্ৰ ৰোড (বটদ্ৰৱা-আলিটাঙনি ৰোড, বাটামাৰী), আৰু বগৰিগুৰি-বাটমাৰী (নগাঁও ধিং ৰোডৰ পৰা হাইড়ুবি)। একেদৰে ২৪ মে ত বিধায়ক গৰাকীয়ে নিৰ্মাণ শুভাৰম্ভ কৰা আন ৬টা পথৰ পিণ্ট পইণ্ট ক্ৰমে -নগাঁও-ভূৰাগাঁও পথ (নিজধিঙৰ পৰা মৈৰাবাৰী পেট্ৰ'ল পাম্পলৈকে), এন বি ৰোডৰ পৰা বৰচাপৰি হৈ তাতিকটা, শালমাৰাবড়ীৰ পৰা বানেবিহাৰলৈ, কাঁছখাইটিৰ পৰা সৰু ৰাধা আটি, আৰু এন বি ৰোডৰ পৰা মাগুৰমাৰী। এন বি ৰোডৰ পৰা আঠগাঁও চাপৰি। উল্লেখ্য যে পথ নিৰ্মাণৰ শুভাৰম্ভ কৰি বিধায়ক গৰাকীয়ে ঠিকাদাৰ তথা বিভাগীয় বিষয়াক মুকলিকৈ কয় যে - মোক ভাল কামহে লাগে। কমিচন নালাগে। গতিকে সকলোৱে আন্তৰিকতাৰে কাম কৰক। স্থানীয় লোকে যাতে মোক কাম বেয়া হোৱা বুলি কোৱাৰ সুযোগ লাভ নকৰে। তদুপৰি তেওঁ কয়, এতিয়া ধিং সমষ্টিত উন্নয়নৰ নতুন যাত্ৰা আৰম্ভ হ'ব। সকলোৱে এই নতুন যাত্ৰাৰ অংশিদাৰ হওক। আৰু অসমৰ ভিতৰত ধিং সমষ্টি টোক এটা অন্যতম সমষ্টি হিছাবে গঢ়ি তোলাৰ বাবে সকলোৱে সংকল্প লওক। ৰাইজৰ অভিভাৱকত্বৰ অবিহনে এজন বিধায়কে অকলে সমষ্টি এটাত পৰিবৰ্তন আনিব নোৱাৰে। সেয়ে সমষ্টিৰ প্ৰতিজন লোক চৰকাৰী আচনি ৰূপায়নৰ ক্ষেত্ৰত খুবেই সচেতন আৰু দায়িত্বশীল হব লাগে। বিধায়ক গৰাকীৰ এনে যোগাত্মক মন্তব্যই সাধাৰণ লোকক স্বাভাবিকতে আস্বস্ত কৰিছে যদিও অনাগত দিনত বিধায়ক গৰাকীয়ে বাট পথ জৰাজীৰ্ণ সমষ্টি টোৰ উন্নয়নৰ ক্ষেত্ৰত কেনে কাম-কাজ কৰে সেই ক্ষেত্ৰত দৃষ্টি নিবন্ধ থাকিব সমষ্টিটোৰ সচেতন মহলৰ।

লখিমপুৰৰ কৃষ্ণগুৰু সেৱাশ্ৰমত পৰমগুৰু কৃষ্ণগুৰু ঈশ্বৰৰ ৯২তম্ আৱিৰ্ভাৱ মহোৎসৱ পালন

অসম বাৰ্তা, লীলাবাৰী, ২৬ মে' ঃ পৰমগুৰু কৃষ্ণগুৰু ঈশ্বৰৰ ৯২ তম আৱিৰ্ভাৱ মহোৎসৱ অসমৰ বিভিন্ন ঠাইৰ সমান্তৰালকৈ লখিমপুৰৰ চুকুলীভৰীয়াস্থিত কৃষ্ণগুৰু সেৱাশ্ৰমত ৮ জেঠ, শনিবাৰে এদিনীয়াকৈ অনুষ্ঠিত হৈ যায়। পুৱা ৫ বজাত উষা কীৰ্ত্তনেৰে আৰম্ভণি হোৱা আধ্যাত্মিক অনুষ্ঠানটি ১২ ঘণ্টীয়া কৃষ্ণগুৰু একনাম অখণ্ড কীৰ্ত্তনেৰে সন্ধিয়া ৬ বজাত সামৰণি পৰে। উল্লেখ্য যে, পৰমগুৰু কৃষ্ণগুৰু ঈশ্বৰৰ ৯২ তম আৱিৰ্ভাৱ মহোৎসৱৰ উপলক্ষত সেৱা আশ্ৰম প্ৰাংগণত গছপুলি ৰোপণ কৰা হয়। গছপুলি ৰোপণ কাৰ্যসূচীত চাবতি গাঁও পঞ্চায়তৰ সভাপতি পুষ্পাঞ্জলি দেৱী, গাঁওসভাৰ সদস্য মিতালী গগৈ, বগলীজান গাঁও পঞ্চায়তৰ সভাপতি গীতা বৰুৱা, গাঁওসভাৰ সদস্য দীপক চুতীয়া, কৃষ্ণগুৰু সেৱা আশ্ৰম লখিমপুৰ চক্ৰৰ সভাপতি-সম্পাদকদ্বয় নিৰ্মালি বড়া আৰু দীপ কুমাৰ গগৈৰ লগতে অজস্ৰ ভক্তই অংশগ্ৰহণ কৰে বুলি সেৱাশ্ৰমৰ ভকত ৰাজীৱ দত্তই সাংবাদিকক জানিবলৈ দিয়ে।

সৃজনগ্ৰামৰ ডুমেৰগুৰি, আমবাৰী বজাৰৰ পথৰ দুৰৱস্থা

অসম বাৰ্তা, অভয়াপুৰী, ২৬ মে' ঃ বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাৰ অন্তৰ্গত ডুমেৰগুৰি, আমবাৰী আৰু বৰঘোলা সংযোগী পথৰ দুৰৱস্থা দীৰ্ঘদিনৰ পৰা জ্বলা কলা খুই ৰাইছে অঞ্চলটোৰ গঞা ৰাইজক। আনকি উক্ত পথেদি দৈনিক অহা-যোৱা কৰা পথচাৰীয়ে উক্ত পথচোৱাৰ জৰাজীৰ্ণ অৱস্থাৰ বাৱে জীয়াতু ভুগিছে। উত্তৰ শালমাৰা মহকুমাৰ অন্তৰ্গত অতি গুৰুত্বপূৰ্ণ এই টো পথেদি অঞ্চলটোৰ ৰাইজৰ লগতে ইয়াৰে সংযোগী কেইবাখনো গাঁৱৰ ৰাইজে, স্কুলৰ ছাত্ৰ-ছাত্ৰীয়ে যাতায়ত কৰে। কিন্তু স্বৰাজোত্তৰ কালৰে পৰা অঞ্চলটোৰ গঞা ৰাইজে উক্ত পথচোৱাৰে বহু কষ্টৰে অহা-যোৱা কৰি আহিছে। উপায়হীন হৈ সুচল যাতায়তৰ বাবে অঞ্চলটোৰ ৰাইজে নিজৰ গাঁঠিৰ ধনেৰে পথটোত এটা বাঁহৰ দলং নিৰ্মাণ কৰিছিল যদিও সেয়া ৰাইজৰ অহা-যোৱা কৰাৰ বাবে উপযোগী হৈ নুঠিল বুলি ক্ষোভ প্ৰকাশ কৰে। আনকি এই অঞ্চলৰ ৰাইজৰ যাতায়তৰ ক্ষেত্ৰত এই দুৰৱস্থাৰ পৰা পৰিত্ৰাণ দিবলৈ আজিলৈ কোনোও বিশেষ ব্যবস্থা গ্ৰহণ নকৰাৰ অভিযোগ কৰে অঞ্চলটোৰ ভুক্তভোগী ৰাইজে। আনহাতে, অঞ্চলটোৰ এই গুৰুতত্বপূৰ্ন পথচোৱাৰ এই সংকট পূৰ্ণ যাতায়ত ব্যৱস্থা অঞ্চলটোৰ ৰাইজক গভীৰ সমস্যাত পেলাইছে। অঞ্চলটোৰ এই গুৰুতত্বপূৰ্ন পথেদি ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন বিদ্যালয়ত অহা-যোৱা কৰে। আনকি কোনো জৰুৰীকালীন পৰিস্থিতিৰ বাবে ১০৮ এম্বুলেন্স, অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী এই উক্ত অঞ্চললৈ যাতায়ত কৰিব নোৱাৰে। এনে পৰিস্থিতিত এই গুৰুতত্বপূৰ্ন পথচোৱা ৰাইজৰ যোগাযোগ সুবিধাৰ্থে মেৰামতি কৰি যাতায়তৰ বাবে সুচল কৰিবলৈ অঞ্চলটোৰ ৰাইজে দাবী জনাইছে।

সম্পাদকীয়

সমতাৰ প্ৰতিশ্ৰুতি নে বিভাজনৰ ৰাজনীতি?

বুধবাৰে অসম বিধানসভাৰ অন্তিম অধিৱেশনত ঐতিহাসিক সমৰূপ নাগৰিক সংহিতা (UCC) বিধেয়ক সংখ্যাৰ বলত গৃহীত হোৱাৰ লগে লগে উত্তৰাখণ্ড আৰু গুজৰাটৰ পিছতে এই আইন প্ৰবৰ্তন কৰা তৃতীয় ৰাজ্য হিচাপে পৰিগণিত হৈছে অসম। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰে নিৰ্বাচনী প্ৰতিশ্ৰুতি পূৰণ কৰি এই বিধেয়ক সদনত উত্থাপন আৰু গৃহীত কৰোৱাত সফল হয়। যদিও শাসকীয় দলে একে আৰু সকলেৰে বাবে সমান নাগৰিক অধিকাৰৰ কথাত গুৰুত্ব আৰোপ কৰিছে, তথাপি বিৰোধী দল কংগ্ৰেছৰ তীব্ৰ প্ৰতিবাদ আৰু সদনৰ হুলস্থুলীয়া পৰিৱেশে এই বিধেয়কক লৈ থকা মতানৈক্যৰ সুস্পষ্ট ইংগিত দিছে।

মুখ্যমন্ত্ৰীয়ে ভাষণত স্পষ্ট কৰি দিয়াৰ দৰে, ইউচিচি মূলতঃ বিবাহ, বিবাহ বিচ্ছেদ, উত্তৰাধিকাৰ আৰু লিভ-ইন সম্পৰ্কৰ ক্ষেত্ৰত একক আইন প্ৰতিষ্ঠা কৰিব। বাল্য বিবাহ নিষিদ্ধ কৰাৰ লগতে বিবাহ বাধ্যতামূলকভাৱে পঞ্জীয়ন কৰাৰ ব্যৱস্থা আইনখনত সন্নিৱিষ্ট কৰা হৈছে। লগতে একাধিক বিবাহ কৰিলে সাত বছৰ কাৰাদণ্ডৰ বিধান ৰখাই চৰকাৰে বহুবিবাহৰ বিৰুদ্ধে কঠোৰতা অৱলম্বন কৰা দেখা গৈছে। আনহাতে, জীৱিত পিতৃ-মাতৃ আৰু কন্যা সন্তানক সম্পত্তিৰ অধিকাৰ দিয়া, লিভ-ইন সম্পৰ্কত দায়বদ্ধতা নিৰ্ধাৰণ কৰা আদি দিশসমূহ প্ৰগতিশীল বুলিও অভিহিত কৰিব পাৰি।

কিন্তু সমস্যাৰ সূত্ৰপাত হয় যেতিয়া চৰকাৰে জনজাতীয় সম্প্ৰদায়ক এই আইনৰ পৰা পৃথক ৰখাৰ সিদ্ধান্ত লয়। মুখ্যমন্ত্ৰীৰ মতে, জনজাতীয় সমাজত প্ৰচলিত প্ৰথা আৰু ৰীতি-নীতি বহুবিবাহৰ বিৰোধী আৰু তেওঁলোকে নাৰীক সমান সন্মান দিয়ে, সেয়ে তেওঁলোকক আইনৰ আওতাত অনা অপ্ৰয়োজনীয়। এই যুক্তি যুক্তিসংগত যেন লাগিলেও, ইয়াৰ দ্বাৰা “সমৰূপ” শব্দটোৰ প্ৰকৃত অৰ্থতে ভংগী ঘটে। কাৰণ সমান নাগৰিক সংহিতাই সকলো নাগৰিকৰ বাবে সমান আইন বিচাৰে, কিন্তু ইয়াতেই একাংশ নাগৰিকক পৃথক কৰি ৰখা হয়। বিৰোধী দল কংগ্ৰেছেও এই বিধেয়কখনক বিশেষ ধৰ্মীয় গোষ্ঠীক লক্ষ্য কৰি অনা বুলি আখ্যা দিয়ে। মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছে কেৱল কোৰান আৰু ছৰিয়তৰ কথা উত্থাপন কৰি এটা বিশেষ ধৰ্মৰ প্ৰতিনিধিত্ব কৰা বুলি সমালোচনা কৰিলেও, বিৰোধীয়ে বিধেয়কখন ছিলেক্ট কমিটিৰ জৰিয়তে পুনৰীক্ষণৰ দাবী উত্থাপন কৰে। অধ্যক্ষই সেই দাবী অগ্ৰাহ্য কৰি বিৰোধীৰ প্ৰতিবাদ উপেক্ষা কৰি বিধেয়ক গৃহীত কৰোৱাটো গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ বাবে বিতৰ্কিত হৈছে। দ্ৰুত গতি আৰু বিৰোধীক দমন কৰি আইন পাছ কৰাটোৱে প্ৰশ্ন তুলিছে যে, ইমান জটিল বিষয়ত ব্যাপক আলোচনাৰ প্ৰয়োজনীয়তা কিয় উপেক্ষা কৰা হ’ল?

মুখ্যমন্ত্ৰীৰ বক্তব্যত “প্ৰথম পত্নীৰ অসুখত দ্বিতীয় বিবাহৰ কথা কোৱা সভ্যতাৰ বিৰুদ্ধে” বুলি কোৱা অংশটোৱেও ব্যাপক সমালোচনাৰ সৃষ্টি কৰিছে। কোনো মহিলা অসুস্থ হৈ পৰিলে তেওঁক পৰিত্যাগ কৰি আন বিবাহ কৰাটো নিন্দনীয় যদিও, এই জাতীয় ব্যক্তিগত আৰু আবেগিক বিষয় আইনৰ মাজলৈ অনাটোও সমীচীন নহয়। ইয়াৰ উপৰিও, লাভ জেহাদ, ধৰ্মান্তৰকৰণ আদি ইংগিতমূলক শব্দ ব্যৱহাৰ কৰি আইনখনৰ বৈধতা প্ৰতিষ্ঠা কৰাৰ চেষ্টা চৰকাৰৰ পৰা বিচাৰপন্থী দৃষ্টিভংগীৰ অভাৱ বুলিয়েই ধৰা লাগে।

সামগ্ৰিকভাৱে, ইউচিচি অসমৰ বাবে এক প্ৰগতিশীল পদক্ষেপ নে সাম্প্ৰদায়িক মেৰুকৰণৰ অস্ত্ৰ, সেয়া সময়েই ক’ব। নাৰী সবলীকৰণ, বৈষম্য দূৰীকৰণ আৰু এক আইনৰ অধীনত সকলো নাগৰিকক অনা নিশ্চয় স্বাগত। কিন্তু জনজাতীয় সম্প্ৰদায়ক বাদ দিয়া, বিৰোধীক দমন কৰি দ্ৰুতগতিত বিধেয়ক গ্ৰহণ কৰা, আৰু মুখ্যমন্ত্ৰীৰ ভাষাত প্ৰকাশ পোৱা বিতৰ্কিত মন্তব্যে এই আইনৰ প্ৰকৃত উদ্দেশ্যৰ ওপৰত ছাঁ পেলাইছে। চৰকাৰে আহ্বান জনোৱা ‘ভাৰত মাতা কি জয়’ৰ ধ্বনি যাতে কেৱল সংখ্যাগৰিষ্ঠৰ জয় হিচাপে নাথাকে, তাৰ বাবে প্ৰশাসনিক স্তৰত নিৰপেক্ষ আৰু সুষম কাৰ্যকৰীকৰণ পদ্ধতি অতি প্ৰয়োজন। লগতে, বিধেয়কখন এখন স্পৃহণীয় আইন হিচাপে গঢ়ি তোলাৰ বাবে সকলো পক্ষৰ অংশগ্ৰহণ আৰু আলোচনা অপৰিহাৰ্য। অসমে ইতিহাস সৃষ্টি কৰিলে, কিন্তু এই ইতিহাস গৌৰৱৰ নে গ্লানিৰ, সেয়া নিৰ্ভৰ কৰিব এই আইন ৰূপায়ণৰ প্ৰক্ৰিয়া কিমান সুস্থ আৰু অন্তৰ্ভুক্তিমূলক হয় তাৰ ওপৰত।

গণতন্ত্ৰৰ জয়যাত্ৰা ঃ শাসকৰ দায়বদ্ধতা আৰু বিৰোধীৰ কৰ্তব্য

নলিনী ৰঞ্জন ভূঞা

বিগত ৯ এপ্ৰিল তাৰিখে অসমত হৈ যোৱা বিধান সভা নিৰ্বাচনৰ পিছত ৪ মে তাৰিখে ফলাফল ঘোষিত হ’ল। জনতাৰ বিপুল সমৰ্থনত এতিয়া বিজেপি মিত্ৰজোটে সংখ্যাগৰিষ্ঠতা লাভ কৰি চৰকাৰ গঠনৰ বাবে আগবাঢ়িছে। এখন নতুন চৰকাৰে অহা পাঁচ বছৰৰ বাবে আমাৰ ৰাজ্যখনৰ শাসনভাৰ গ্ৰহণ কৰিব। নিৰ্বাচনৰ এই উত্তাল ঢৌ আৰু তাৰ পৰিণতিত অহা ফলাফল কেৱল জয়-পৰাজয়ৰ অংক নহয়; ই হ’ল ৰাইজৰ আস্থা আৰু গণতান্ত্ৰিক দায়িত্বৰ এক নতুন সূচনা।

গণতন্ত্ৰ কেৱল সংখ্যাগৰিষ্ঠৰ শাসন নহয়, ই হ’ল মত, বিৰোধ আৰু সহমতৰ এক সুন্দৰ সমন্বয়। নিৰ্বাচন এখন দেশ বা ৰাজ্যৰ গণতান্ত্ৰিক যাত্ৰাৰ এটা অংশহে, ই অন্তিম লক্ষ্য হ’ব নোৱাৰে। নিৰ্বাচনী যুঁজত জয়ী হৈ এটা দলে বা মিত্ৰজোটে চৰকাৰ গঠন কৰে ঠিকেই, কিন্তু যিসকল জয়ী হ’ব নোৱাৰিলে, তেওঁলোকৰ দায়িত্ব চৰকাৰ গঠন কৰা দলটোতকৈ কোনো গুণে কম নহয়। সুস্থ আৰু সবল গণতন্ত্ৰৰ বাবে এটি সক্ৰিয় তথা গঠনমূলক বিৰোধী পক্ষৰ উপস্থিতি এক অপৰিহাৰ্য চৰ্ত। চৰকাৰৰ কাম-কাজৰ ওপৰত তীক্ষ্ণ নজৰ ৰখা, ত্ৰুটিসমূহ আঙুলিয়াই দিয়া আৰু জনস্বাৰ্থৰ সপক্ষে মাত মতাটোৱেই হ’ল বিৰোধীৰ প্ৰধান ধৰ্ম। নিৰ্বাচনৰ তীব্ৰ প্ৰতিযোগিতাৰ শেষত শাসক আৰু বিৰোধী উভয় পক্ষই ব্যক্তিগত আৰু দলীয় তিক্ততা পৰিহাৰ কৰি দেশৰ সামগ্ৰিক উন্নয়নত মনোনিৱেশ কৰাটোৱেই প্ৰকৃত গণতান্ত্ৰিক আদৰ্শ।

কিন্তু গণতন্ত্ৰত চৰকাৰ গঠন কৰাটোৱেই শেষ কথা নহয়। এক শক্তিশালী গণতন্ত্ৰৰ বাবে বিৰোধীৰ গঠনমূলক সমালোচনা আৰু সক্ৰিয় অংশগ্ৰহণ কিয় প্ৰয়োজন, সেই বিষয়ে গভীৰভাৱে চিন্তাচৰ্চা কৰাৰ প্ৰয়োজন আছে। চৰকাৰ এখন যিমানেই জনপ্ৰিয় নহওক কিয়, সমালোচনা অবিহনে সেই চৰকাৰৰ মাজত একনায়কত্ববাদী মানসিকতা গা কৰি উঠাৰ সম্ভাৱনা থাকে। বিৰোধী পক্ষই যেতিয়া চৰকাৰৰ নীতিসমূহৰ গঠনমূলক বিশ্লেষণ কৰে, তেতিয়া চৰকাৰী পক্ষ অধিক সজাগ আৰু দায়বদ্ধ হ’বলৈ বাধ্য হয়। এই সমালোচনা কেৱল বিৰোধিতাৰ বাবে বিৰোধিতা হ’ব নালাগে। চৰকাৰে গ্ৰহণ কৰা কোনো এটা আঁচনিৰ যদি কিবা ত্ৰুটি থাকে বা নীতিগত বৈপৰীত্য থাকে, তেন্তে সেইসমূহ তথ্য আৰু যুক্তিৰে ডাঙি ধৰাটো বিৰোধীৰ পৰম কৰ্তব্য। ইয়াৰ ফলত নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত থকা দুৰ্বলতাসমূহ সংশোধন কৰিবলৈ চৰকাৰে সুযোগ পায়। সুস্থ গণতন্ত্ৰত বিৰোধী হ’ল চৰকাৰৰ বাবে দাপোণস্বৰূপ, য’ত চৰকাৰে নিজৰ কাম-কাজৰ প্ৰকৃত প্ৰতিচ্ছবি দেখা পায়। নিৰ্বাচনৰ সময়ত বিভিন্ন দলৰ মাজত মতাদৰ্শগত সংঘাত আৰু বাকযুদ্ধ হোৱাটো স্বাভাৱিক। কিন্তু নিৰ্বাচন শেষ হোৱাৰ লগে লগে সেই দলীয় তিক্ততাৰ অন্ত পৰা উচিত। বিশেষকৈ স্থানীয় পৰ্যায়ত নিৰ্বাচনক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিভেদ দূৰ কৰিবলৈ সমন্বয় সভাৰ আয়োজন কৰাটো অত্যন্ত প্ৰয়োজনীয়। সমাজৰ সকলো শ্ৰেণীৰ, সকলো দল-মতৰ লোকক একেলগ কৰি শান্তি আৰু সম্প্ৰীতি সভা অনুষ্ঠিত কৰিলেহে সামাজিক স্থিৰতা অটুট থাকে। ৰাজনীতি হ’ব লাগে সমাজ গঠনৰ বাবে, সমাজ ভাঙিবৰ বাবে নহয়। যেতিয়া স্থানীয় পৰ্যায়ৰ নেতা আৰু কৰ্মীসকলে দলীয় সংকীৰ্ণতা পৰিহাৰ কৰি একত্ৰিত হয়, তেতিয়া অঞ্চলটোৰ উন্নয়নৰ গতি খৰতকীয়া হয়। এই সমন্বয় সভাসমূহে জনসাধাৰণৰ মাজত এনে বাৰ্তা প্ৰেৰণ কৰে যে, নিৰ্বাচন এটা প্ৰক্ৰিয়াহে, মূল লক্ষ্য হ’ল সামূহিক হিতসাধন।

বৰ্তমানৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগত চৰকাৰী কাম-কাজত স্বচ্ছতা অনাৰ আটাইতকৈ কাৰ্যকৰী মাধ্যম হ’ল আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ। ডিজিটেল ব্যৱস্থাৰ জৰিয়তে চৰকাৰী আঁচনিসমূহৰ ৰূপায়ণ, ধনৰ আবণ্টন আৰু হিতাধিকাৰীৰ তালিকা ৰাজহুৱা কৰিলে দুৰ্নীতিৰ কোনো থল নাথাকে। বিৰোধী পক্ষই চৰকাৰক ডিজিটেল স্বচ্ছতাৰ বাবে সদায় হেঁচা দি থাকিব লাগে। প্ৰযুক্তিৰ ব্যৱহাৰে প্ৰশাসনক জনসাধাৰণৰ অধিক ওচৰ চপাই নিয়ে। যেতিয়া প্ৰতিটো চৰকাৰী ফাইলৰ স্থিতি বা প্ৰতিটো টকাৰ খৰচৰ হিচাপ অনলাইনযোগে উপলব্ধ হয়, তেতিয়া বিৰোধীৰ বাবেও চৰকাৰক জবাবদিহি কৰা সহজ হৈ পৰে। ইয়াৰ ফলত জনসাধাৰণৰ চৰকাৰৰ প্ৰতি আস্থা বৃদ্ধি পায় আৰু গণতন্ত্ৰৰ ভেটি অধিক সুদৃঢ় হয়।

নিৰ্বাচনী বৈতৰণী পাৰ হোৱাৰ পিছত শাসকীয় পক্ষৰ বাবে সকলো নাগৰিকেই সমান হ’ব লাগে। সকলোৰে বাবে উন্নয়নৰ লক্ষ্যৰে চৰকাৰে কাম কৰিব লাগে, য’ত কোনো বিশেষ দলৰ সমৰ্থক হোৱাৰ বাবে কোনোৱে অধিক সুবিধা নাপায় বা বিৰোধী দলক ভোট দিয়াৰ বাবে কোনো বঞ্চিত নহয়। ঠিক তেনেদৰে, বিৰোধী পক্ষয়ো চৰকাৰৰ প্ৰতিটো জনমুখী কামত সহযোগিতা আগবঢ়োৱা উচিত। উন্নয়নৰ নামত ৰাজনীতি কৰাটো দেশৰ বাবে চৰম ক্ষতিকৰ। শিক্ষা, স্বাস্থ্য, কৃষি আৰু আন্তঃগাঁথনিৰ দৰে মৌলিক বিষয়সমূহৰ ক্ষেত্ৰত শাসক আৰু বিৰোধীৰ মাজত এক অলিখিত বুজাবুজি থকাটো প্ৰয়োজন। ৰাজ্য বা দেশৰ সামগ্ৰিক স্বাৰ্থত দুয়ো পক্ষই একগোট হৈ কাম কৰিলেহে প্ৰকৃত বিকাশৰ ফল নিম্ন পৰ্যায়ৰ মানুহজনেও লাভ কৰিব পাৰে।

ভাৰতীয় সংবিধানত বিৰোধী পক্ষৰ ভূমিকাক এক বিশেষ মৰ্যাদা প্ৰদান কৰা হৈছে। সংসদীয় গণতন্ত্ৰত ‘বিৰোধী দলৰ নেতা’ৰ পদটো কেৱল এটা পদবী নহয়, ই এক সাংবিধানিক দায়িত্ব। চৰকাৰে যাতে সংবিধানৰ মূল নীতিসমূহ উলংঘা কৰিব নোৱাৰে, তাক সুনিশ্চিত কৰাটো বিৰোধীৰ কাম। সংবিধানৰ ৩৭১ (খ) অনুচ্ছেদৰ দৰে বিশেষ ব্যৱস্থাসমূহৰ সুৰক্ষা আৰু ৰাজ্যৰ স্বাৰ্থ বিঘ্নিত হোৱা যিকোনো বিষয়তে বিৰোধীয়ে সদনৰ মজিয়াত বলিষ্ঠ যুক্তিৰে চৰকাৰক প্ৰত্যাহ্বান জনোৱাটো গণতন্ত্ৰৰ এক অপৰিহাৰ্য অংগ।

নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছত এজন জয়ী প্ৰতিনিধি কেৱল এটা নিৰ্দিষ্ট দলৰ হৈ নাথাকে, তেওঁ সমগ্ৰ সমষ্টিটোৰে জনপ্ৰতিনিধি হৈ পৰে। ঠিক তেনেদৰে, যিজন প্ৰাৰ্থী জয়ী হ’ব নোৱাৰিলে, তেওঁৰো সমষ্টিটোৰ প্ৰতি দায়বদ্ধতা একেই থাকে। জনপ্ৰতিনিধিৰ মূল উত্তৰদায়িত্ব হ’ল জনসাধাৰণৰ সমস্যাসমূহ চৰকাৰৰ ওচৰত সঠিকভাৱে উপস্থাপন কৰা। ৰাজনীতিৰ উৰ্ধত গৈ সমষ্টিৰ উন্নয়ন আৰু জনসেৱাক অগ্ৰাধিকাৰ দিলেহে নিৰ্বাচনী গণতন্ত্ৰই সৰ্বসাধাৰণক প্ৰকৃত ন্যায় প্ৰদান কৰিব পাৰিব।

বিৰোধীৰ দায়িত্ব কেৱল সদনৰ ভিতৰতে আৱদ্ধ নহয়। সমাজত চলি থকা অন্যায়, অবিচাৰ আৰু জনসাধাৰণৰ সমস্যাসমূহৰ বিৰুদ্ধে মাত মতাটো তেওঁলোকৰ নৈতিক কৰ্তব্য। এটা শক্তিশালী বিৰোধী দলে জনসাধাৰণক তেওঁলোকৰ অধিকাৰৰ বিষয়ে সজাগ কৰিব পাৰে। চৰকাৰে যদি কোনো জনবিৰোধী আইন বা নীতি গ্ৰহণ কৰিবলৈ বিচাৰে, তেন্তে তাৰ বিৰুদ্ধে জনমত গঠন কৰাটো বিৰোধীৰ এক ডাঙৰ দায়িত্ব। এই সজাগতাই চৰকাৰক সাৱধান কৰি ৰাখে আৰু যিকোনো হঠকাৰী সিদ্ধান্ত লোৱাৰ পৰা বিৰত ৰাখে। সুস্থ গণতন্ত্ৰত ৰাজনৈতিক শিষ্টাচাৰৰ বিশেষ গুৰুত্ব আছে। ব্যক্তিগত বিদ্বেষ বা কটু ভাষাৰ ব্যৱহাৰ কৰি দিয়া বক্তব্যই সমাজত বিৰূপ প্ৰভাৱ পেলায়। শাসক আৰু বিৰোধী উভয় পক্ষই পৰস্পৰৰ প্ৰতি সৌজন্যবোধ প্ৰদৰ্শন কৰা উচিত। তৰ্ক হ’ব লাগে নীতিৰ ওপৰত ভিত্তি কৰি, ঘৃণাৰ ওপৰত নহয়। আমাৰ ৰাজ্যৰ নিচিনা বহুত্ববাদী সমাজ এখনত বিভিন্ন মতাদৰ্শৰ উপস্থিতি স্বাভাৱিক, কিন্তু সেই ভিন্নতাক আমি সমাজ গঠনৰ শক্তি হিচাপেহে ব্যৱহাৰ কৰিব লাগে। ৪ মে’ৰ ফলাফলে যি নতুন আশাৰ সঞ্চাৰ কৰিছে, তাক জীয়াই ৰাখি এখন সুস্থ সমাজ গঢ়াৰ দায়িত্ব আমাৰ সকলোৰে ওপৰত ন্যস্ত হৈছে।”

পৰিশেষত ক’ব পাৰি যে, সুস্থ গণতন্ত্ৰৰ চকা দুটা। এটা হ’ল শাসক আৰু আনটো বিৰোধী। এটা চকা বিকল হ’লে গণতন্ত্ৰৰ ৰথখন সুচাৰুৰূপে আগুৱাই যাব নোৱাৰে। নিৰ্বাচনী জয়-পৰাজয়ক খেলুৱৈ সুলভ মনোভাৱেৰে গ্ৰহণ কৰি ৰাষ্ট্ৰ নিৰ্মাণৰ কামত আত্মনিয়োগ কৰাটোৱেই সকলো ৰাজনৈতিক দলৰ মূল ব্ৰত হোৱা উচিত। বিৰোধীৰ গঠনমূলক সমালোচনা আৰু চৰকাৰৰ সহনশীলতাই এখন সমাজক প্ৰগতিৰ নতুন শিখৰলৈ আগুৱাই লৈ যায়। ব্যক্তিগত স্বাৰ্থ আৰু দলীয় সংকীৰ্ণতাতকৈ দেশৰ স্বাৰ্থক সৰ্বোপৰি জ্ঞান কৰিলেহে আমাৰ গণতন্ত্ৰৰ প্ৰকৃত জয় হ’ব। সমন্বয়, স্বচ্ছতা আৰু সৰ্বাত্মক উন্নয়নৰ সংকল্পৰে আগুৱাই গ’লেহে অহা পাঁচ বছৰে আমাৰ ৰাজ্যখনে এক সোণালী যুগৰ মুখ দেখিবলৈ সক্ষম হ’ব বুলি আশা কৰিব পাৰি।

> *বিৰোধীৰ দায়িত্ব কেৱল সদনৰ ভিতৰতে আৱদ্ধ নহয়। সমাজত চলি থকা অন্যায়, অবিচাৰ আৰু জনসাধাৰণৰ সমস্যাসমূহৰ বিৰুদ্ধে মাত মতাটো তেওঁলোকৰ নৈতিক কৰ্তব্য। এটা শক্তিশালী বিৰোধী দলে জনসাধাৰণক তেওঁলোকৰ অধিকাৰৰ বিষয়ে সজাগ কৰিব পাৰে। চৰকাৰে যদি কোনো জনবিৰোধী আইন বা নীতি গ্ৰহণ কৰিবলৈ বিচাৰে, তেন্তে তাৰ বিৰুদ্ধে জনমত গঠন কৰাটো বিৰোধীৰ এক ডাঙৰ দায়িত্ব। এই সজাগতাই চৰকাৰক সাৱধান কৰি ৰাখে আৰু যিকোনো হঠকাৰী সিদ্ধান্ত লোৱাৰ পৰা বিৰত ৰাখে। সুস্থ গণতন্ত্ৰত ৰাজনৈতিক শিষ্টাচাৰৰ বিশেষ গুৰুত্ব আছে। ব্যক্তিগত বিদ্বেষ বা কটু ভাষাৰ ব্যৱহাৰ কৰি দিয়া বক্তব্যই সমাজত বিৰূপ প্ৰভাৱ পেলায়। শাসক আৰু বিৰোধী উভয় পক্ষই পৰস্পৰৰ প্ৰতি সৌজন্যবোধ প্ৰদৰ্শন কৰা উচিত। তৰ্ক হ’ব লাগে নীতিৰ ওপৰত ভিত্তি কৰি, ঘৃণাৰ ওপৰত নহয়।*

ৰাজহুৱা পৰিবহণৰ সুৰক্ষা প্ৰযুক্তি, প্ৰত্যাহ্বান আৰু উচ্চতম ন্যায়ালয়ৰ হস্তক্ষেপ

কবিতা নাথ

একবিংশ শতিকাৰ দ্ৰুতগামী জীৱনশৈলীত ৰাজহুৱা পৰিবহণ ব্যৱস্থা যিকোনো আধুনিক সমাজৰ মেৰুদণ্ডস্বৰূপ। বিশেষকৈ ভাৰতৰ দৰে জনবহুল দেশ এখনত লাখ লাখ মানুহৰ দৈনিক যাতায়তৰ নিৰ্ভৰযোগ্য মাধ্যম হ’ল বাছ, টেম্পু বা অন্যান্য ৰাজহুৱা বাহনসমূহ। কিন্তু এই যাত্ৰা কিমান সুৰক্ষিত? বিশেষকৈ মহিলা আৰু শিশুসকলৰ বাবে আমাৰ ৰাজহুৱা পৰিবহণ ব্যৱস্থা আজিও এক শংকাৰ আৱৰ্তত থকাটো চৰম দুৰ্ভাগ্যজনক। শেহতীয়াকৈ ভাৰতৰ উচ্চতম ন্যায়ালয়ে ৰাজহুৱা পৰিবহণৰ বাহনসমূহত ‘প্যানিক বুটাম’ (Panic Button) আৰু ‘ভেহিকল ট্ৰেকিং ডিভাইচ’ (Vehicle Tracking Device) স্থাপনৰ সন্দৰ্ভত ৰাজ্য চৰকাৰসমূহক যি কঠোৰ নিৰ্দেশনা প্ৰদান কৰিছে, সেয়া কেৱল এক আইনী প্ৰক্ৰিয়া নহয়, বৰঞ্চ জনসাধাৰণৰ জীৱনৰ অধিকাৰ সুনিশ্চিত কৰাৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ।

২০১২ চনৰ সেই অতি ভয়াবহ ‘নিৰ্ভয়া’ কাণ্ডৰ পাছত সমগ্ৰ দেশত মহিলাৰ সুৰক্ষা সন্দৰ্ভত যি অভূতপূৰ্ব জাগৰণৰ সৃষ্টি হৈছিল, তাৰ পৰিণতিত কেন্দ্ৰীয় চৰকাৰে ‘নিৰ্ভয়া পুঁজি’ গঠন কৰিছিল। এই পুঁজিৰ এটা মূল উদ্দেশ্য আছিল ৰাজহুৱা পৰিবহণ ব্যৱস্থাক প্ৰযুক্তিৰ সহায়ত অধিক সুৰক্ষিত কৰা। ইয়াৰ অংশ হিচাপে প্ৰতিখন ৰাজহুৱা বাহনত ‘গ্ল’বেল পজিচনিং চিষ্টেম’ (GPS) বা ‘ভেহিকল লোকেচন ট্ৰেকিং ডিভাইচ’ (VLTD) আৰু যাত্ৰীৰ বিপদৰ সময়ত ব্যৱহাৰ কৰিব পৰাকৈ ‘প্যানিক বুটাম’ লগোৱাটো বাধ্যতামূলক কৰা হৈছিল। কিন্তু অতি পৰিতাপৰ কথা যে, এক দশক পাৰ হৈ যোৱাৰ পাছতো এই ব্যৱস্থাটো কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত অধিকাংশ ৰাজ্যৰে ভূমিকা অতিশয় উদাসীন। শেহতীয়াকৈ উচ্চতম ন্যায়ালয়ে এই গাফিলতিৰ ওপৰত তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে আৰু ৰাজ্যসমূহক ইয়াৰ বৰ্তমানৰ স্থিতি সম্পৰ্কে শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিছে। প্ৰযুক্তিগত দিশৰ পৰা চালে দেখা যায় যে, এই সুৰক্ষা ব্যৱস্থাটো অত্যন্ত শক্তিশালী হ’ব পাৰে যদিহে ইয়াক সঠিকভাৱে ৰূপায়ণ কৰা হয়। ভেহিকল ট্ৰেকিং ডিভাইচৰ জৰিয়তে এখন বাহন কোনো এটা নিৰ্দিষ্ট মুহূৰ্তত ক’ত আছে, সেয়া কেন্দ্ৰীয় নিয়ন্ত্ৰণ কক্ষৰ পৰা নিৰীক্ষণ কৰিব পাৰি। আনহাতে, যদি কোনো যাত্ৰীয়ে বিপদৰ অনুভৱ কৰে, তেতিয়া তেওঁ বাহনখনত থকা প্যানিক বুটামটো টিপি দিয়াৰ লগে-লগে সেই সংকেত পোনপটীয়াকৈ আৰক্ষীৰ নিয়ন্ত্ৰণ কক্ষ বা জৰুৰীকালীন সঁহাৰি কেন্দ্ৰলৈ (ERSS-112) গুচি যাব। ইয়াৰ ফলত আৰক্ষীয়ে তাৎক্ষণিকভাৱে বাহনখনৰ অৱস্থান চিনাক্ত কৰি উদ্ধাৰ অভিযান চলাবলৈ সক্ষম হ’ব। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা গৈছে যে, বহু ৰাজ্যত কেৱল নথিপত্ৰতহে এই সঁজুলিবোৰ লগোৱা হৈছে। বহু ক্ষেত্ৰত এই বুটামসমূহ কেন্দ্ৰীয় চাৰ্ভাৰৰ সৈতে সংযোগ হৈ থকা নাই, যাৰ ফলত বিপদৰ সময়ত এয়া কেৱল এটা প্লাষ্টিকৰ টুকুৰাহে হৈ ৰৈছে। উচ্চতম ন্যায়ালয়ৰ শেহতীয়া শুনানিৰ সময়ত যিটো বিষয় আটাইতকৈ চৰ্চিত হৈছে, সেয়া হ’ল ৰাজ্যসমূহৰ মাজত থকা সমন্বয়ৰ অভাৱ। কেন্দ্ৰীয় চৰকাৰে নিৰ্ভয়া পুঁজিৰ জৰিয়তে ধন যোগান ধৰাৰ পাছতো কিয় ৰাজ্যসমূহে ক’মাণ্ড এণ্ড কণ্ট্ৰ’ল চেণ্টাৰসমূহ স্থাপন কৰিব পৰা নাই, সেয়া এক ডাঙৰ প্ৰশ্ন। আদালতৰ পৰ্যবেক্ষণ অনুসৰি, চৰকাৰী বাছসমূহৰ তুলনাত ব্যক্তিগত খণ্ডৰ ৰাজহুৱা বাহনসমূহৰ অৱস্থা অধিক শোচনীয়। বহু ট্ৰেভেলাৰ বা বাছত প্যানিক বুটামবোৰ এনে ঠাইত লগোৱা হয় য’ত যাত্ৰীৰ হাত ঢুকি নাপায়, অথবা সেইবোৰ অকামিলা হৈ পৰি থাকে। আনহাতে, পৰিবহণ বিভাগৰ পৰা ‘ফিটনেচ চাৰ্টিফিকেট’ ল’বলৈ যাওঁতে এই সঁজুলিবোৰ লগোৱাটো বাধ্যতামূলক যদিও, তাৰ পাছত সেইবোৰ সক্ৰিয় হৈ আছে নে নাই, তাৰ কোনো তদাৰকী কৰা নহয়। এই সমগ্ৰ ব্যৱস্থাটোৰ বিফলতাৰ আঁৰত কেৱল চৰকাৰী তন্ত্ৰই নহয়, বৰঞ্চ একাংশ দুৰ্নীতিগ্ৰস্ত ভেণ্ডৰৰ ভূমিকাও নুই কৰিব নোৱাৰি। নিম্ন মানদণ্ডৰ চীনদেশীয় সঁজুলি ব্যৱহাৰ কৰাৰ ফলত সঘনাই এইবোৰ বিকল হয়। ইয়াৰ উপৰি, বহু সময়ত ভুৱা এলাৰ্ম (False Alarm) যোৱাৰ ফলত আৰক্ষী বিভাগো বিমোৰত পৰে। গতিকে, কেৱল যন্ত্ৰ লগোৱাই শেষ কথা নহয়, ইয়াৰ বাবে এটা সু-শৃংখল ‘ইক’চিষ্টেম’ বা পৰিৱেশ তন্ত্ৰৰ প্ৰয়োজন। যাত্ৰীসকলক এই বুটামৰ ব্যৱহাৰ সম্পৰ্কে সজাগ কৰাটোও সমানেই প্ৰয়োজনীয়। বহু যাত্ৰীয়ে আজিও নাজানে যে তেওঁলোকৰ সুৰক্ষাৰ বাবে বাছখনত এনে এক শক্তিশালী ব্যৱস্থা আছে। সমাজতাত্ত্বিক দৃষ্টিকোণৰ পৰা চালে, মহিলাৰ বাবে সুৰক্ষিত পৰিবহণ ব্যৱস্থা কেৱল আইন-শৃংখলাৰ বিষয় নহয়, ই দেশৰ অৰ্থনীতিৰ সৈতেও জড়িত। যেতিয়ালৈকে এগৰাকী মহিলাই নিশাৰ ভাগত বা নিৰ্জন পথত ৰাজহুৱা বাহনত ভৰি দিওঁতে নিৰাপত্তাহীনতাত ভুগিব, তেতিয়ালৈকে কৰ্মক্ষেত্ৰত মহিলাৰ অংশগ্ৰহণ বৃদ্ধি পোৱাটো কঠিন। সুৰক্ষিত পৰিবহণে মহিলাক এক স্বাধীন গতিশীলতা প্ৰদান কৰে। সেয়েহে উচ্চতম ন্যায়ালয়ৰ এই হস্তক্ষেপক আমি এক আশাবাদী খোজ হিচাপে গণ্য কৰিব পাৰোঁ। আদালতে স্পষ্ট কৰি দিছে যে সুৰক্ষাৰ নামত কোনো ধৰণৰ আপোচ সহ্য কৰা নহ’ব। দেশৰ কেইখনমান ৰাজ্যই ইতিমধ্যে এক একত্ৰিত ক’মাণ্ড চেণ্টাৰৰ জৰিয়তে সফল আৰ্হি প্ৰস্তুত কৰিছে, কিন্তু সৰ্বভাৰতীয় স্তৰত ইয়াৰ ৰূপায়ণ এতিয়াও এক প্ৰত্যাহ্বান। অসমৰ দৰে ৰাজ্যসমূহতো যাত্ৰীবাহী বাহনত VLTD লগোৱাৰ কাম চলি আছে যদিও ইয়াৰ সঠিক নিৰীক্ষণৰ বাবে প্ৰযুক্তিগত আন্তঃগাঁথনি অধিক শক্তিশালী কৰাৰ থল আছে। বিশেষকৈ পাহাৰীয়া অঞ্চল বা দূৰৱৰ্তী অঞ্চলত য’ত নেটৱৰ্কৰ সমস্যা থাকে, তাত এই সঁজুলিবোৰে কেনেদৰে কাম কৰিব, সেয়াও এক চিন্তনীয় বিষয়।

উচ্চতম ন্যায়ালয়ৰ এই কঠোৰ স্থিতিৰ পাছত আশা কৰা হৈছে যে ৰাজ্য চৰকাৰসমূহ কুম্ভকৰ্ণ নিদ্ৰাৰ পৰা সাৰ পাব। প্ৰযুক্তি আমাৰ হাতত আছে, পুঁজিৰো অভাৱ নাই, অভাৱ কেৱল সদিচ্ছা আৰু সঠিক তদাৰকীৰ। প্ৰতিজন যাত্ৰীৰ সুৰক্ষা নিশ্চিত কৰাটো গণতান্ত্ৰিক চৰকাৰ এখনৰ নৈতিক দায়িত্ব। প্যানিক বুটামটোৱে যাতে কেৱল যান্ত্ৰিক শব্দ নকৰি প্ৰকৃতাৰ্থত বিপদৰ সময়ত ত্ৰাণকৰ্তাৰ ভূমিকা পালন কৰিব পাৰে, তাৰ বাবে এক স্বচ্ছ আৰু জবাবদিহি ব্যৱস্থাৰ প্ৰয়োজন। শীৰ্ষ আদালতৰ নিৰ্দেশনা পালন কৰাৰ লগতে জনসাধাৰণেও নিজৰ অধিকাৰ সন্দৰ্ভত সজাগ হোৱাটো প্ৰয়োজন। তেতিয়াহে আমাৰ পথসমূহ আৰু যাত্ৰাসমূহ প্ৰকৃততে সকলোৰে বাবে নিৰাপদ হৈ উঠিব।

মহানগৰীৰ কৃত্ৰিম বান

ৰাজু কলিতা

মহানগৰীৰ কৃত্ৰিম বান বৰ্তমান সময়ৰ এক অন্যতম জ্বলন্ত আৰু জটিল সমস্যা, যাৰ পৰিণাম কেৱল ক্ষন্তেকীয়া জলমগ্নতাৰ মাজতে আৱদ্ধ হৈ থকা নাই, বৰঞ্চ ই সমগ্ৰ নগৰীয়া জীৱনযাত্ৰা, অৰ্থনীতি আৰু পৰিৱেশতন্ত্ৰক গভীৰভাৱে বিপৰ্যস্ত কৰি তুলিছে। প্ৰতিবছৰে বাৰিষা অহাৰ লগে লগেই মহানগৰীৰ ব্যস্ত ৰাজপথসমূহ একো একোখন নদীত পৰিণত হোৱা আৰু জনজীৱন স্তব্ধ হৈ পৰা দৃশ্যটো এতিয়া এক নিয়মীয়া ঘটনাত পৰিণত হৈছে। এই সমস্যাটো কোনো একক কাৰণৰ ফল নহয়, বৰঞ্চ ই প্ৰকৃতিৰ ওপৰত মানুহৰ অনিয়ন্ত্ৰিত হস্তক্ষেপ, অপৰিকল্পিত নগৰীকৰণ আৰু আধুনিক ব্যৱস্থাপনাৰ চৰম ব্যৰ্থতাৰ এক সামূহিক পৰিণতি। ভৌগোলিক আৰু প্ৰাকৃতিক দৃষ্টিকোণৰ পৰা চালে দেখা যায় যে বৰষুণৰ অতিৰিক্ত পানীভাগ স্বাভাৱিকভাৱে বৈ যাবলৈ যি প্ৰাকৃতিক ভূ-প্ৰকৃতিৰ প্ৰয়োজন আছিল, তাক মানুহে নিজৰ স্বাৰ্থত সম্পূৰ্ণৰূপে সলনি কৰি পেলাইছে। মহানগৰীৰ আশে-পাশে থকা পাহাৰবোৰ বনাঞ্চল ধ্বংস আৰু বালি-মাটিৰ অবাধ খননৰ ফলত নগ্ন হৈ পৰিছে। ইয়াৰ ফলত ধাৰাসাৰ বৰষুণ হ’লে পাহাৰৰ পৰা কেৱল পানীয়েই নামি নাহে, বৰঞ্চ তাৰ লগত বুজন পৰিমাণৰ পলস আৰু বোকা মাটিও উটি আহে। এই বোকামিশ্ৰিত পানীভাগ যেতিয়া ভৈয়ামৰ মহানগৰীৰ সমতল অঞ্চলত প্ৰৱেশ কৰে, তেতিয়া ই নলা-নৰ্দমাবোৰ পলসেৰে পুতি পেলায়, যাৰ ফলত পানী ওলাই যোৱাৰ স্বাভাৱিক পথবোৰ বন্ধ হৈ পৰে। একে সময়তে, এতিয়াৰ বৰষুণৰ ধৰণো সলনি হৈছে; জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱত কম সময়ৰ ভিতৰতে অত্যধিক পৰিমাণৰ বৰষুণ হয়, যাক তাৎক্ষণিকভাৱে বহন কৰিব পৰা ক্ষমতা মহানগৰীৰ বিদ্যমান নিষ্কাষণ ব্যৱস্থাৰ নাই। এই প্ৰাকৃতিক কাৰকসমূহৰ সমান্তৰালভাৱে আটাইতকৈ ডাঙৰ আত্মঘাতী পদক্ষেপটো হৈছে মহানগৰীৰ আৰ্দ্ৰভূমি আৰু জলাশয়সমূহৰ ক্ৰমাগত ধ্বংসসাধন। অতীতত চহৰখনৰ চাৰিওফালে থকা বিল, পিতনি আৰু দ-অঞ্চলসমূহে একো একোটা স্বাভাৱিক স্পঞ্জৰ দৰে কাম কৰিছিল, যিয়ে বৰষুণৰ অতিৰিক্ত পানীভাগ শুহি লৈ চহৰখনক বানৰ পৰা ৰক্ষা কৰিছিল। কিন্তু জনসংখ্যাৰ প্ৰচণ্ড চাপ আৰু ভূমিৰ বাণিজ্যিকীকৰণৰ বাবে এই জলাশয়সমূহ পুতি বহুতল অট্টালিকা, কল-কাৰখানা আৰু বাসস্থান নিৰ্মাণ কৰা হ’ল। ফলস্বৰূপে, বৰষুণৰ পানী জমা হ’বলৈ কোনো মুকলি স্থান বাকী নৰ’ল। তদুপৰি, গোটেই চহৰখন পকী পথ আৰু কংক্ৰিটৰ অৰণ্যত পৰিণত হোৱাৰ বাবে মাটিৰ তললৈ পানী সৰকি যোৱাৰ প্ৰক্ৰিয়াটো প্ৰায় বন্ধ হৈ পৰিছে, যাৰ বাবে সমগ্ৰ পানীভাগ কংক্ৰিটৰ উপৰিভাগতেই আৱদ্ধ হৈ কৃত্ৰিম বানৰ সৃষ্টি কৰে। ইয়াৰ লগতে যোগ হৈছে এক চৰম অপৰিকল্পিত আৰু দুৰ্বল নিষ্কাষণ ব্যৱস্থা। মহানগৰীৰ নলা-নৰ্দমাবোৰ বৈজ্ঞানিক পদ্ধতিৰে নিৰ্মাণ কৰা হোৱা নাই। বহু ঠাইত নলাৰ পানীৰ গতিৰ দিশ সঠিক নহয় আৰু মূল নদী বা প্ৰাকৃতিক জলধাৰাৰ সৈতে এইবোৰৰ সংযোগ সুষম নহয়। তাতকৈও ডাঙৰ সমস্যাটো হ’ল আমাৰ নাগৰিক সজাগতাৰ অভাৱ। প্লাষ্টিক, পলিথিন, আৰু ঘৰুৱা জাবৰ-জোথৰ চহৰৰ নলা-নৰ্দমাত পেলাই দিয়াৰ ফলত পানীৰ সোঁত সম্পূৰ্ণৰূপে স্তব্ধ হৈ পৰে। প্লাষ্টিক প্ৰদূষণে বৰ্তমান সময়ত এই সমস্যাক এক ভয়াবহ ৰূপ দিছে। চৰকাৰী বিভাগসমূহৰ মাজত থকা সমন্বয়হীনতা আৰু বাৰিষাৰ পূৰ্বে নলাসমূহ পৰিষ্কাৰ কৰাৰ ক্ষেত্ৰত দেখা পোৱা লেহেমীয়া তথা দায়িত্বহীন মনোভাৱেও এই সংকটক প্ৰতি বছৰে অধিক জটিল কৰি তুলিছে। এই কৃত্ৰিম বানৰ প্ৰভাৱ কেৱল পথত পানী জমা হোৱাৰ মাজতে সীমাবদ্ধ নহয়, ইয়াৰ অৰ্থনৈতিক আৰু সামাজিক প্ৰভাৱ অতি সুদূৰপ্ৰসাৰী। বানৰ কেইটামান ঘণ্টাই সমগ্ৰ চহৰখনৰ বাণিজ্য স্তব্ধ কৰি দিয়ে, দৈনিক হাজাৰ হাজাৰ শ্ৰমিকৰ উপাৰ্জন কাঢ়ি নিয়ে আৰু যান-বাহন তথা সা-সম্পত্তিৰ ব্যাপক ক্ষতিসাধন কৰে। ইয়াৰ উপৰিও, বানৰ পানী নামি যোৱাৰ পিছত সৃষ্টি হোৱা আৱৰ্জনা আৰু দূষিত পানীৰ পৰা মেলেৰীয়া, ডেংগু, আৰু ডায়েৰিয়াৰ দৰে মাৰাত্মক মহামাৰীৰ সৃষ্টি হয়, যিয়ে জনস্বাস্থ্যৰ প্ৰতি তীব্ৰ ভাবুকি কঢ়িয়াই আনে। গতিকে, মহানগৰীৰ এই জটিল ব্যাধিৰ পৰা পৰিত্ৰাণ পাবলৈ হ’লে আমাক এক হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী বৈজ্ঞানিক পৰিকল্পনাৰ প্ৰয়োজন। কেৱল বাৰিষা অহাৰ সময়ত নলা কিছুমান চাফা কৰি বা পানী সিঁচি এই সমস্যাৰ স্থায়ী সমাধান সম্ভৱ নহয়। ইয়াৰ বাবে পাহাৰীয়া অঞ্চলৰ মাটিৰ খহনীয়া ৰোধ কৰিবলৈ ব্যাপক বৃক্ষৰোপণ কৰিব লাগিব, অৱশিষ্ট থকা আৰ্দ্ৰভূমিসমূহক আইনগতভাৱে সুৰক্ষিত কৰি সেইবোৰৰ জলধাৰণ ক্ষমতা বৃদ্ধি কৰিব লাগিব আৰু সমগ্ৰ চহৰখনৰ বাবে এক আধুনিক, জিআইএছ (GIS) প্ৰযুক্তিভিত্তিক ভূ-গৰ্ভস্থ নিষ্কাষণ প্ৰণালী গঢ়ি তুলিব লাগিব। একে সময়তে, প্লাষ্টিক বৰ্জন আৰু আৱৰ্জনা ব্যৱস্থাপনাৰ ক্ষেত্ৰত নাগৰিকসকলেও কঠোৰ অনুশাসন পালন কৰিব লাগিব। প্ৰশাসনৰ দীৰ্ঘম্যাদী দূৰদৰ্শিতা আৰু জনসাধাৰণৰ সক্ৰিয় সহযোগিতাৰ অবিহনে মহানগৰীক এই কংক্ৰিটৰ অভিশাপৰ পৰা মুক্ত কৰা কেতিয়াও সম্ভৱ নহয়।

শদিয়া সমজিলাত "জন ভাগীদাৰী- চবসে দূৰ, চবসে পেহলে" শীৰ্ষক কাৰ্যসূচীৰ সফল পৰিসমাপ্তি

অসম বাৰ্তা, শদিয়া, ২৭ মে' ঃ ভাৰত চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ে জনজাতীয় লোকসকলৰ কল্যাণাৰ্থে ১৮ মে'ৰ পৰা ২৫ মে'লৈকে আয়োজন কৰা "জন ভাগীদাৰী- চবসে দূৰ, চবসে পেহলে" শীৰ্ষক কাৰ্যসূচী আজি শদিয়া সমজিলাত সফলতাৰে সম্পন্ন হৈ যায়। তিনিচুকীয়া জিলাৰ শদিয়া আৰু চৈখোৱা উন্নয়ন খণ্ডৰ অন্তৰ্গত ৩৫খন জনজাতীয় গাঁৱত এই কাৰ্যসূচীৰ অধীনত চৰকাৰী জনকল্যাণমূলক সেৱা তথা আঁচনিৰ সন্দৰ্ভত সজাগতা আৰু বিভিন্ন চৰকাৰী সেৱা প্ৰদানৰ শিবিৰ আয়োজন কৰা হয়। তৃণমূল পৰ্যায়ৰ শাসন ব্যৱস্থা শক্তিশালী কৰা, চৰকাৰী আঁচনিৰ সজাগতা বৃদ্ধি, হিতাধিকাৰী সংপৃক্তকৰণ আৰু জনজাতীয় ৰাইজৰ সমস্যা সমাধান কৰাই আছিল এই অভিযানৰ মূল উদ্দেশ্য। সমগ্ৰ দেশৰ লগতে তিনিচুকীয়া জিলাতো ১৮ মে'ত এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে জিলা আয়ুক্ত সুমিত সাত্তাৱানে। ইয়াৰ পাছতে ১৯ মে'ত সমজিলাখনৰ দুটা উন্নয়ন খণ্ডত স্বাস্থ্য বিভাগৰ সহযোগত স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়। যোগ্য হিতাধিকাৰীক আয়ুষ্মান কাৰ্ড প্ৰদান আৰু ঘৰে ঘৰে গৈ আঁচনিৰ নথি-পত্ৰৰ সহায় আগবঢ়োৱা হয়। ২০ মে'ত বিভিন্ন জনজাতীয় গাঁৱত 'ট্ৰেন্সেক্ট ৱাক'ৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীৰ মূল লক্ষ্য আছিল ভিতৰুৱা জনজাতীয় এলেকাত চৰকাৰী কল্যাণকামী আঁচনিৰ বিষয়ে সজাগতা সৃষ্টি কৰা আৰু প্ৰতিগৰাকী প্ৰকৃত হিতাধিকাৰীক ইয়াৰ আওতালৈ অনা। এই বিশেষ অভিযানৰ অংশস্বৰূপ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলে স্থানীয় জনজাতীয় বসতিস্থলসমূহলৈ খোজ কাঢ়ি গৈ 'ট্ৰেন্সেক্ট ৱাক' কৰে আৰু ৰাইজৰ জীৱন-ধাৰণৰ মানদণ্ড তথা মৌলিক অভাৱ-অভিযোগসমূহ প্ৰত্যক্ষভাৱে পৰিদৰ্শন কৰে। উক্ত কাৰ্যসূচীত কৃষি, খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা, পশুপালন আৰু পশু চিকিৎসা, জনস্বাস্থ্য-কাৰিকৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ লগতে অন্যান্য বিভিন্ন বিভাগৰ প্ৰতিনিধি আৰু বিষয়াসকলে উপস্থিত থাকে। বিভাগীয় বিষয়াসকলে স্থানীয় ৰাইজৰ সৈতে পোনপটীয়া মত বিনিময়ত মিলিত হৈ চৰকাৰৰ বিভিন্ন হিতাধিকাৰীমুখী সেৱা, প্ৰাপ্য অধিকাৰ আৰু উন্নয়নমূলক পদক্ষেপসমূহ সৰল ভাষাত আলোকপাত কৰে। ২১ মে'ৰ পৰা ২৩ মে'লৈ বিভিন্ন খণ্ডতজন শুনানি অনুষ্ঠিত হয়। এইজন শুনানিত ৰাইজে উপস্থিত থকা বিভিন্ন বিভাগৰ বিষয়াসকলৰ আগত তেওঁলোকৰ অভাৱ-অভিযোগসমূহ উত্থাপন কৰে। বিভাগীয় প্ৰতিনিধিসকলে স্থানীয় ৰাইজে উত্থাপন কৰা বিভিন্ন সমস্যা আৰু অভাৱ-অভিযোগসমূহ লিখিতভাৱে নথিভুক্ত কৰে, যাতে পৰৱৰ্তী সময়ত সেই সমস্যা তথা অভাৱ-অভিযোগৰ ক্ষিপ্ৰ সমাধান আৰু প্ৰয়োজনীয় ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায়। উল্লেখযোগ্য যে, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, কৃষি, স্বাস্থ্য, পশুপালন, জনস্বাস্থ্য কাৰিকৰী, ৰাজহ, বন, খাদ্য আৰু যোগান, শিক্ষা, উদ্যোগ, শক্তি আদি বিভাগে সক্ৰিয়ভাৱে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ৰাইজক আঁচনিৰ যোগ্যতা, আবেদন প্ৰক্ৰিয়া আৰু সুবিধাৰ বিষয়ে বেনাৰ, পত্ৰিকা আৰু প্ৰত্যক্ষ আলোচনাৰে সজাগ কৰা হয়। এই অভিযানে দুৰ্গম জনজাতীয় অঞ্চলত চৰকাৰী আঁচনিৰ প্ৰসাৰ, স্থানীয় সমস্যাৰ চিনাক্তকৰণ আৰু নাগৰিক-কেন্দ্ৰিক প্ৰশাসন শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। ৰাইজৰ উৎসাহজনক অংশগ্ৰহণে প্ৰশাসন আৰু জনজাতীয় সমাজৰ মাজত বিশ্বাস বৃদ্ধি কৰিছে। "জন ভাগীদাৰী-চবসে দূৰ, সবসে পেহলে" কাৰ্যসূচীত বিভিন্ন বিভাগৰ সন্মিলিত পদক্ষেপে দুৰ্গম অঞ্চলৰ জনজাতীয় লোকসকলক চৰকাৰী ব্যৱস্থাৰ প্ৰতি অধিক বিশ্বাসী কৰি তোলাৰ লগতে সামগ্ৰিক উন্নয়ন ত্বৰান্বিত কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

মন্ত্ৰী অতুল বৰাৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ১০০ দিনীয়া কাৰ্য পৰিকল্পনাৰ অগ্ৰগতিৰ পৰ্যালোচনা

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৭ মে' ঃ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী অতুল বৰাই ২৫ মে', সোমবাৰে দিছপুৰৰ জনতা ভৱনত বিভাগটোৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে বিভাগটোৰ প্ৰথম ১০০ দিনীয়া কাৰ্য পৰিকল্পনাৰ ৰূপায়ণৰ বিস্তৃত পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিজেপি মিত্ৰজোঁটৰ অন্যতম সহযোগী অসম গণ পৰিষদৰ সভাপতি অতুল বৰাক দপ্তৰ হস্তান্তৰ কৰাৰ পিছত এই বৈঠকখন অনুষ্ঠিত হোৱা প্ৰথমখন পৰ্যালোচনা সভা আছিল। বৈঠকত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযান, প্ৰধান মন্ত্ৰী আৱাস যোজনা (গ্ৰাম্য) আৰু অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা অভিযানকে ধৰি কেইবাটাও উচ্চাকাংক্ষী আঁচনিৰ ৰূপায়ণৰ অগ্ৰগতিৰ বিষয়ে আলোচনা কৰা হয়। মন্ত্ৰী অতুল বৰাই কয় যে গ্ৰামাঞ্চলৰ জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নয়নৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহ নিৰন্তৰ নিৰীক্ষণ কৰা হ'ব আৰু সকলো বিষয়াই সময়সীমাৰ ভিতৰত আঁচনিসমূহ কাৰ্যকৰীভাৱে ৰূপায়ণ কৰিবলৈ সম্পূৰ্ণ সুকলমে কাম কৰিব লাগে। বিষয়াসকলে এএছআৰএলএমৰ অধীনত শেহতীয়াকৈ গ্ৰহণ কৰা পদক্ষেপ, খালী পদসমূহ শীঘ্ৰেই পূৰণ কৰা, সেৱা প্ৰদান প্ৰণালী শক্তিশালী কৰা আৰু ত্ৰুটিপূৰ্ণ একাউণ্ট আৰু প্ৰতিষ্ঠানিক সক্ষমতা উন্নত কৰি এনপিএ হ্ৰাস কৰাৰ ৰণনীতিৰ বিষয়ে অৱগত কৰে। বৈঠকখনে আৰ্থিক অনুশাসন আৰু সামূহিক প্ৰতিষ্ঠানসমূহৰ সুদৃঢ়তা নিশ্চিত কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। মন্ত্ৰীগৰাকীয়ে উপস্থিত সকলো জ্যেষ্ঠ বিষয়াক নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত ১০০ দিনীয়া কাৰ্যসূচী সম্পূৰ্ণ কৰাৰ বাবে এক পৰিকল্পিত আৰু সমন্বিত ভাৱে কাম কৰিবলৈ আৰু ৰূপায়ণত যিকোনো ব্যৱধান অবিলম্বে আঁতৰ কৰিবলৈ অনুৰোধ জনায়। বৈঠকত বিভাগৰ অতিৰিক্ত মুখ্য সচিব ড° বি কল্যাণ চক্ৰৱৰ্তী, আয়ুক্ত কীৰ্তি জল্লী, বিশেষ সচিব মুনিন্দ্ৰ শৰ্মা, সচিব পুষ্পাঞ্জলি দাস, গৌতম দাস, অৰূপ কুমাৰ শৰ্মা, এএছআৰএলএমৰ পৰিচালন সঞ্চালক কুন্তলমণি শৰ্মা বৰদলৈ আৰু যুটীয়া সচিব অৰ্চিত্ৰা সোণৱাল আৰু অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

উলহ-মালহেৰে 'ৰামধেনু মহিলা চ'ৰা'ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

গীত-মাত আৰু কবিতাৰে মুখৰিত ডুমডুমা

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৭ মে' ঃ ডুমডুমা অঞ্চলৰ অন্যতম অগ্ৰণী মহিলা সংগঠন 'ৰামধেনু মহিলা চ'ৰা'ৰ উদ্যোগত দেওবাৰে অনুষ্ঠানটোৰ প্ৰতিষ্ঠা দিৱস অতি উলহ-মালহেৰে উদযাপন কৰা হয়। ২০০৪ চনতে প্ৰতিষ্ঠা লাভ কৰা এই সংগঠনটোৰ বৰ্ষপূৰ্তি উপলক্ষে ডুমডুমা শাখা সাহিত্য সভা ভৱনত এক গাম্ভীৰ্যপূৰ্ণ সভা আৰু বৰ্ণিল সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। কাৰ্যসূচী অনুসৰি, সভাৰ আৰম্ভণিতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, জনপ্ৰিয় শিল্পী জুবিন গাৰ্গ, সংগঠনটোৰ প্ৰতিষ্ঠাপক সভানেত্ৰী বীণা ডেকা আৰু শেহতীয়াকৈ প্ৰাণ হেৰুওৱা চ'ৰাৰ দুই উপদেষ্টা গায়ত্ৰী গোস্বামী ও ৰেণু দাসৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণেৰে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ৰামধেনু মহিলা চ'ৰাৰ সভানেত্ৰী দিব্যলতা ডেকাৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা এই মূল সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে বিশিষ্ট কবি, সাহিত্যিক তথা ছেখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা প্ৰনতি বৰুৱা আৰু হুলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা সীমা চৌধুৰী। সভাত নিৰ্দিষ্ট বক্তা প্ৰনতি বৰুৱাই নাৰী সমাজৰ সৃষ্টিশীলতা আৰু ঘৰখনৰ প্ৰতি থকা দায়বদ্ধতাৰ ওপৰত আলোকপাত কৰি এক সাৰুৱা ভাষণ প্ৰদান কৰে। তেওঁ কয় যে এখন ঘৰ গঢ়াত মাতৃগৰাকীৰ ভূমিকাই প্ৰধান আৰু মাতৃৰ আচৰণ তথা সংস্কাৰেই শিশুৰ ভৱিষ্যত নিৰ্ধাৰণ কৰে। বৰ্তমান সময়ত নাৰী কোনো ক্ষেত্ৰতে পিছপৰি থকা নাই বুলি উল্লেখ কৰি তেওঁ কয় যে সংস্কৃতি, ক্ৰীড়া, বস্ত্ৰশিল্পৰ পৰা আৰম্ভ কৰি থলুৱা খাদ্যসম্ভাৰলৈকে সকলোতে অসমৰ নাৰীয়ে পাৰদৰ্শিতা দেখুৱাই বিশ্ব দৰবাৰত নিজৰ সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে। সংগঠনটোৰ সম্পাদিকা ৰুমী পাঠকে আঁত ধৰা সাংস্কৃতিক অনুষ্ঠানটোত চ'ৰাৰ সদস্যসকলে দুটাকৈ সমবেত সংগীত আৰু এটি মধুৰ ৰবীন্দ্ৰ সংগীত পৰিৱেশন কৰে। ইয়াৰ উপৰি উপদেষ্টা নিৰলা চৌধুৰীয়ে এক ব্যতিক্ৰমী সৃষ্টিশীল নৃত্য আৰু সাংস্কৃতিক সম্পাদিকা গিৰি দাসে এটি সুমধুৰ গীত পৰিৱেশন কৰি দৰ্শকক আপ্লুত কৰে। সাহিত্যৰ সুবাস কঢ়িয়াই উপদেষ্টা নিৰলা চৌধুৰী, সদস্য মৌচুমী পাটোৱাৰী আৰু অলি সোণোৱালে নিজৰ স্বৰচিত কবিতা আবৃত্তি কৰে। আনহাতে, সদস্যা নিভাৰাণী চৌধুৰী দাস, প্ৰণীতা চক্ৰৱৰ্তী শৰ্মা আৰু মিৰাণ্ডা বৰুৱা ডেকাই কামৰূপীয়া কথিত ভাষাত এটি ধেমেলীয়া কবিতা আবৃত্তি কৰি সমবেত ৰাইজক প্ৰচুৰ হাঁহিৰ খোৰাক যোগায়। অৱশেষত, সভানেত্ৰীয়ে উপস্থিত সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰাৰ পিছত সমবেত কণ্ঠৰে জাতীয় সংগীত পৰিৱেশন কৰি এই সফল উদ্‌যাপনৰ সামৰণি মাৰে।

পহু উদ্ধাৰ কৰি চমজাই দিলে বন বিভাগক

ৰূপহীহাটৰ কাছখাইটিৰ ৰাইজে দেখুৱালে প্ৰকৃতিপ্ৰেমৰ নিদৰ্শন

অসম বাৰ্ত, ৰূপহীহাট, ২৬ মে' ঃ ৰূপহীহাটৰ কাছখাইটিৰ ৰাইজে দেখুৱালে প্ৰকৃতি প্ৰেমৰ এক সুন্দৰ নিদৰ্শন। আজি লাওখোৱা অভয়াৰণ্যৰ পৰা খাদ্যৰ সন্ধানত বনাঞ্চল এৰি জনাঞ্চলত প্ৰৱেশ কৰে এটি হৰিণা পহু। দুপৰীয়া ভাগত কৃষকে পথাৰত ধান কাটিবলৈ যাওঁতে প্ৰত্যক্ষ কৰে হৰিণাটিক। লগে-লগেই স্থানীয় ৰাইজ একত্ৰিত হৈ হৰিণা পশুটিক ধৰিবলৈ সক্ষম হয়। ৰাইজে পশুটিক ধৰি লাওঁখোৱা অভয়াৰণ্যৰ বন বিভাগক খবৰ দিয়ে। ঘটনাস্থলীত বন বিভাগৰ লোক উপস্থিত হৈ পহুটো উদ্ধাৰ কৰি লাওখোৱ অভয়াৰণ্যত মুকলি কৰি দিয়ে। কাছখাইটিৰ ৰাইজে দেখুওৱা প্ৰকৃতি প্ৰেমৰ নিদৰ্শনক সকলোৱে একে মুখে শ'লাগ লৈছে।

জিনজিয়াত চুলাই মদৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান

অসম বাৰ্তা, জিনজিয়া, ২৭ মে' ঃ জিনজিয়া আৰক্ষী থানাই কিছু দিন ধৰি উক্ত থানাৰ অন্তৰ্গত প্ৰায়বোৰ এলেকাত চলি থকা অবৈধ চুলাই মদৰ বেহা বন্ধ কৰিবলৈ ব্যাপকভাৱে ব্যৱস্থা লোৱা দেখা গৈছে। অঞ্চলটোৰ পুৱ জিনজিয়া, মোনাবাৰী, বৰজাৰণীকে ধৰি নিশাৰ ভাগত উক্ত ভাটি সমূহ চিনাক্ত কৰি চুলাই মদৰ সামগ্ৰী সমূহ তচনচ কৰে। কালি জিনজিয়া থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ত্ৰিলোচন দাসে বিহালী সম জিলাৰ আৰক্ষী অধীক্ষক গৰাকীৰ সহযোগত মাদুৰালি এলেকাত অভিযান চলাই ২০০০ লিটাৰ চুলাইৰ সামগ্ৰী উদ্ধাৰ কৰে।

পলাশবাৰীৰ ব্ৰহ্মপুত্ৰত গাভিনী মাছ নিধনকাৰীৰ বিৰুদ্ধে জিলা মীন বিভাগৰ অভিযান

বৃহৎ পৰিমাণৰ মাছ ধৰা সঁজুলি জব্দ

অসম বাৰ্তা, মিৰ্জা, ২৭ মে' ঃ দক্ষিণ কামৰূপৰ পলাশবাৰীৰ ব্ৰহ্মপুত্ৰ নদীত জিলা মীন বিভাগে এক বিশেষ অভিযান চলাই বৃহৎ পৰিমাণৰ অবৈধ মৎস্য চিকাৰ কৰা সামগ্ৰী জব্দ কৰে। উক্ত অভিযানত এখন মচৰি জাল, ৭৬টা চেপা আৰু ৮খন লাঙি জাল জব্দ কৰা হয়। উল্লেখযোগ্য যে, মাছৰ প্ৰজনন কাল চলি থকাৰ বাবে চৰকাৰী নিয়ম অনুসৰি যোৱা ১ এপ্ৰিলৰ পৰা অহা ১৫ জুলাই পৰ্যন্ত মাছ ধৰা সম্পূৰ্ণ নিষিদ্ধ ঘোষণা কৰা হৈছে। তথাপিও একাংশ দুষ্কৃতিকাৰীয়ে অবৈধভাৱে মাছ ধৰাৰ চেষ্টা চলাই থকাৰ অভিযোগ উত্থাপিত হৈছে। সেয়ে মীন বিভাগে অতৰ্ব্যকিতে এই অভিযান চলাই। অভিযানকাৰী দলটোৱে ছয়গাঁও অঞ্চলৰ পৰা অভিযান আৰম্ভ কৰি চিমনাফুটুৰী, দখলা আদি ব্ৰহ্মপুত্ৰ নদীৰ বিভিন্ন অঞ্চলত তালাচী চলায়। কামৰূপ জিলা মীন উন্নয়ন বিষয়া ড° সঞ্জয় শৰ্মাৰ আদেশ মৰ্মে এই অভিযান চলোৱা হয়। অভিযানত অংশগ্ৰহণ কৰে মীন উন্নয়ন বিষয়া মণিদীপ শইকীয়া, আব্দুল্লাহ ছাইম, চক্ৰপাণি পেগু, যোতিষ্মণ বৰা আৰু ঋতুপৰ্ণা ডেকাই। লগতে সহকাৰী মীন বিষয়া ৰাজেন দাস আৰু মীন প্ৰদৰ্শক হিমাংশু বৰুৱা, ৰাজকুমাৰ মালাকাৰ আৰু অৰূপ জ্যোতি দাসেও অভিযানত সহযোগিতা আগবঢ়ায়। এই অভিযানত শুৱালকুছি নদী আৰক্ষীয়েও সক্ৰিয় সহযোগিতা কৰে। মীন বিভাগৰ মতে, ব্ৰহ্মপুত্ৰ নদীত অবৈধভাৱে মৎস্য চিকাৰ ৰোধ কৰাৰ উদ্দেশ্যে আগন্তুক দিনতো এনে অভিযান অব্যাহত থাকিব বুলি জানিব পৰা গৈছে।

তিনিচুকীয়াত কেন্দ্ৰীয় মন্ত্ৰী হৰদীপ সিং পুৰিৰ পুত্তলিকা দাহ কৰি আছুৰ হুংকাৰ, আৰক্ষীৰে হতাহতি; জিলাজুৰি অ.জা.যু.ছা.পৰো বিক্ষোভ

মূল্যবৃদ্ধিৰ জুইত জ্বলিছে অসম

অসম বাৰ্তা, তিনিচুকীয়া সদৰ, ২৭ মে' ঃ পেট্ৰ'ল-ডিজেল, ৰন্ধন গেছ, জীৱনদায়িনী ঔষধকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ অবিৰত মূল্যবৃদ্ধিয়ে জুৰুলা কৰা জনসাধাৰণৰ হৈ আজি ৰাজ্যজুৰি গৰজি উঠিল সদৌ অসম ছাত্ৰ সন্থা (আছু)। কেন্দ্ৰীয় সমিতিৰ আহ্বানত ৰাজ্যৰ প্ৰতিখন জিলা সদৰৰ লগতে বাণিজ্যিক চহৰ তিনিচুকীয়াতো আছুৱে কেন্দ্ৰীয় পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰিৰ পুত্তলিকা দাহ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। সমান্তৰালভাৱে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদেও জিলাখনৰ সকলোবোৰ আঞ্চলিক সমিতিৰ এলেকাত একেই দাবীৰে বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। সোমবাৰে তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ উদ্যোগত থানা চাৰিআলিত এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা শ শ আছু কৰ্মীয়ে হাতে হাতে প্লেকাৰ্ড, বেনাৰ লৈ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিৰুদ্ধে ক্ষোভ উজাৰিলে। "মূল্যবৃদ্ধি ৰোধ কৰক", "হৰদীপ সিং পুৰি হায় হায়", "বিজেপি চৰকাৰ হায় হায়", "জনসাধাৰণক মাধমাৰ সোধা বন্ধ কৰক" আদি শ্ল'গানেৰে সমগ্ৰ চহৰখন কঁপাই তোলে প্ৰতিবাদকাৰীয়ে। প্ৰতিবাদকাৰীসকলে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ পুত্তলিকা দাহ কৰিবলৈ উদ্যত হওঁতেই ঘটনাস্থলীত উপস্থিত আৰক্ষী বাহিনীয়ে বাধা প্ৰদান কৰে। তাকে লৈ আছু কৰ্মী আৰু আৰক্ষীৰ মাজত সামান্য হতাহতিৰ সৃষ্টি হয়। অৱশ্যে প্ৰতিবাদকাৰীৰ দৃঢ়তাৰ বাবে আৰক্ষীৰ বেষ্টনী ভেদি আছু কৰ্মীয়ে পুত্তলিকা দাহ কৰিবলৈ সক্ষম হয়। প্ৰতিবাদস্থলীত আছুৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক জিতেন্দ্ৰ চুতীয়াই কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰক তীব্ৰ ভাষাৰে সমালোচনা কৰে। তেওঁ কয়, "অসমৰ এগৰাকী বিধায়ক পীয়ূষ হাজৰিকাই সদনত কৈছে যে যুদ্ধ চলি থকাৰ কাৰণে মূল্যবৃদ্ধি হৈছে। তেওঁৰ এই যুক্তি মানি ল'লৈ আমাৰ প্ৰশ্ন হয়- তেনেহ'লে নিৰ্বাচনৰ আগত কিয় মূল্যবৃদ্ধি নহ'ল ? নিৰ্বাচনৰ পিছত প্ৰতিদিনাই কিয় পেট্ৰ'ল-ডিজেলৰ দাম বাঢ়িছে ? যদিহে সঁচাকৈয়ে আন্তঃৰাষ্ট্ৰীয় বজাৰত যুদ্ধৰ বাবে খাৰুৱা তেলৰ দাম বাঢ়িছে তেন্তে নিৰ্বাচনৰ আগতেই বাঢ়িব লাগিছিল। কিন্তু নিৰ্বাচনত ভোট লাভৰ স্বাৰ্থত দাম স্থিৰ ৰাখি এতিয়া জনসাধাৰণক মাধমাৰ সোধোৱা হৈছে। এয়া চৰকাৰৰ জনবিৰোধী নীতিৰ বাহিৰে আন একো নহয়।" চুতীয়াই লগতে অভিযোগ কৰে যে পেট্ৰ'ল-ডিজেলৰ দাম বৃদ্ধিৰ প্ৰভাৱত পৰিবহণ খৰচ বাঢ়িছে, যাৰ ফলত চাউল, দাইল, তেল, শাক-পাচলি, ঔষধ, নিৰ্মাণ সামগ্ৰীলৈকে প্ৰতিটো বস্তুৰ দামে সাধাৰণ মানুহৰ বাজেটৰ বাহিৰলৈ গুচি গৈছে। "দিন-হাজিৰা কৰি খোৱা মানুহজনৰ ঘৰত আজি চৌকা জ্বলা কঠিন হৈ পৰিছে। ৰোগীয়ে ঔষধ কিনিব নোৱাৰা হৈছে। ছাত্ৰ-ছাত্ৰীয়ে শিক্ষানুষ্ঠানলৈ অহা-যোৱা কৰিবলৈও খৰচৰ বোজা বহন কৰিবলগীয়া হৈছে। এনেকুৱা অৱস্থাত চৰকাৰ নিৰ্বিকাৰ হৈ বহি থাকিব নোৱাৰে" তেওঁ কয়। আছুৰ এইগৰাকী কেন্দ্ৰীয় নেতাই চৰকাৰক সকীয়াই দি কয় যে অতি শীঘ্ৰে অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী, ৰন্ধন গেছৰ লগতে পেট্ৰ'ল-ডিজেলৰ মূল্য হ্ৰাস কৰিব লাগিব। অন্যথা আছুৱে ৰাইজক লগত লৈ ৰাজপথত তীব্ৰ, ব্যাপক আৰু গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিবলৈ বাধ্য হ'ব। ইফালে আজিৰ প্ৰতিবাদী কাৰ্যসূচীত তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সভাপতি, সম্পাদক প্ৰমুখ্যে বহু কেইগৰাকী বিষয়ববীয়া উপস্থিত থাকে। আনহাতে, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদেও জিলাখনৰ তিনিচুকীয়া, ডুমডুমা, মাকুম, মাৰ্ঘেৰিটা, ডিগবৈ, তালাপ আদি সকলোবোৰ আঞ্চলিক সমিতিৰ এলেকাত একেই দাবীৰে আজি পৃথকে পৃথকে বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। সংগঠনটোৱে মূল্যবৃদ্ধি ৰোধ কৰি সাধাৰণ জনতাক সকাহ দিবলৈ চৰকাৰক দাবী জনায়।

মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৫৩৮ সংখ্যক জয়ন্তী উপলক্ষ্যে মাজুলীভিত্তিত দিহানাম প্ৰতিযোগিতা আয়োজন

অসম বাৰ্তা, উজনী মাজুলী, ২৭ মে' ঃ আলোক সন্ধানী যুৱ সমাজ ভলুকাগুৰিৰ উদ্যোগত আৰু ভলুকাগুৰিৰ গাঁৱৰ ৰাইজৰ সহযোগত এদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱৰ ৫৩৮ সংখ্যক জয়ন্তী উদযাপনৰ আয়োজন কৰিছে। উক্ত দিনা মাজুলী ভিত্তিত দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। পুৱা ৭ বজাত পৰিৱেশ নিকাকৰণ, ৮ বজাত পতাকা উত্তোলন কৰিব আলোক সন্ধানী যুৱ সমাজৰ সভাপতি বুধিন কলিতাই। ৮:৩০ বজাত গছ পুলি ৰোপণ কৰিব অঞ্চলৰ বিশিষ্ট ব্যক্তিসকলৰ দ্বাৰা। পুৱা ৯ বজাত নাম প্ৰসঙ্গ, ১০ বজাত ভাগৱত পাঠ, ১১:৩০ বজাত প্ৰতিযোগিতা উদ্বোধন কৰিব ভলুকাগুৰি গাঁৱৰ আইমাতৃসকলে। উদ্বোধক হিচাপে উপস্থিত থাকিব নামনি মাজুলী জ্যেষ্ঠ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক দিগন্ত শইকীয়াই। দিহানাম প্ৰতিযোগিতাখনি সঞ্চালনা কৰিব গণেশ হাজৰিকাই। দিহানাম প্ৰতিযোগিতাখনিত প্ৰথম পুৰস্কাৰ ৭,১১১ টকাৰ লগতে ট্ৰফী আৰু মানপত্ৰ, দ্বিতীয় পুৰস্কাৰ ৪০৫১ টকাৰ লগতে ট্ৰফী আৰু মানপত্ৰ, তৃতীয় পুৰস্কাৰ ২০২১ টকাৰ লগতে ট্ৰফী আৰু মানপত্ৰ আৰু শ্ৰেষ্ঠ নামতি ১০১১ টকাৰ লগতে ট্ৰফী আৰু মানপত্ৰ। গাঁৱৰ জ্যেষ্ঠ ব্যক্তি পদ্মধৰ শইকীয়াই বঁটা বিতৰণী সভাখন সঞ্চালন কৰিব বুলি সাংস্কৃতিক সম্পাদক ৰাজু কলিতাই জানিবলৈ দিয়ে। ৰাইজৰ সুবিধাৰ্থে সমিতিৰ তৰফৰ পৰা ৭০৮৬৩০৬৩৮৬, ৬০০৩৪০৭৪৫৩ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

জাঁজীৰ সু-স্বাদু লিচুয়ে আকৰ্ষিত কৰিছে পথচাৰীক

অসম বাৰ্তা, জাঁজী, ২৭ মে' ঃ অসম বিখ্যাত যোৰহাট আৰু শিৱসাগৰ জিলাৰ জাঁজীৰ লিচু। মে'মাহ আৰম্ভ হোৱাৰ পৰা জাঁজী দলংৰ দুয়োপাৰে লিচু ব্যৱসায়ীয়ে হাতৰ মুঠিত বিক্ৰীৰ বাবে লিচু লৈ ক্ৰেতাক আকৰ্ষণ কৰে। আনহাতে যোৰহাট জিলাৰ পুব প্ৰান্তৰ জাঁজী দলঙৰ কাষত আৰু শিৱসাগৰ জিলাৰ জাঁজী গড়মূৰ তিনিআলিৰ ওচৰত পুৱাৰ পৰা সন্ধিয়া পয্যন্ত লিচু ব্যৱসায়ীয়ে লিচু বিক্ৰী কৰিয়েই পৰিয়াল চলাই গৈছে। তথ্য অনুসৰি এই লিচু স্থানীয় এলেকাৰ জাঁজী, শেনচোৱা গাঁও, জামুগুৰি, বলমিয়া গাঁও, মাজৰ আলি, চাওদাং গাঁও, বেটনি চুক, অভয়পুৰীয়া, চিৰিপুৰীয়া, ৰতনপুৰীয়া, ফুলপানিছিগা, গৰকোষ, খাটোৱাল, কঁঠালগুৰি, হাঁহচৰা ইত্যাদি অঞ্চলৰ পৰা সংগ্ৰহ কৰি ব্যৱসায়ীয়ে জাঁজীত বিক্ৰী কৰে। আনহাতে এই সু- স্বাদু লিচুৰ বৰ্তমান মূল্য এক কিলোৰ দাম ২৫০ টকাৰ পৰা ৪০০ টকা পয্যন্ত বিক্ৰী হৈ আছে। সমান্তৰাল ভাৱে আগৰ তুলনাত এইবাৰ লিচুৰ চাহিদা তেনেই সীমিত যদিও জুন, জুলাই মাহ পৰ্য্যন্ত বিক্ৰি হৈ থাকে। ইয়াৰোপৰি এই লিচু বাদুলি আৰু বিভিন্ন ধৰণৰ চৰাইয়ে যাতে লোকচান কৰিব নোৱাৰে তাৰ বাবে সংৰক্ষণ কৰিবলৈ বিশেষকৈ আঁঠুৱা আৰু লাইট ব্যৱহাৰ কৰা দেখা যায়। জানিব পৰা মতে প্ৰায় বিলাক ব্যৱসায়ীয়ে বৰ্তমান সময়ত লিচুৰ গছৰ সৈতে কিনি লয়। তদুপৰি ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ জাঁজীৰ তিনিআলিত উজনি আৰু নামনি অসমৰ পথচাৰিয়ে যাতায়ত কৰোঁতে লিচু সংগ্ৰহ কৰা দেখা যায়। অত্যধিক দাম যদিও বতৰৰ ফল হিচাপে জাঁজীত পথচাৰী লিচু ক্ৰয় কৰাত ব্যস্ত। বৰ্তমান যোৰহাট আৰু শিৱসাগৰ জিলাৰ চাৰিলেনযুক্ত পথৰ দুয়ো কাষে হাতৰ মুঠিত লিচু লৈ উজনি-নামনি পথচাৰিক আকৰ্ষিত কৰিছে লিচু ব্যৱসায়ীয়ে।

ইলেক্ট হোমিও মেডিকেল এচোছিয়েশ্যনৰ ৩৮তম প্ৰতিষ্ঠা দিৱসত সু-চিকিৎসক ডাঃ কবিতা শৰ্মালৈ প্ৰেষ্টিজ ৰিকগনাইজেশ্যন এৱাৰ্ড

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ২৭ মে' ঃ ডেৰাডুনৰ হোটেল গ্ৰেণ্ড লেগেছিত যোৱা ২৪ মেত অনুষ্ঠিত হয় সৰ্বভাৰতীয় ইলেক্ট হোমিও মেডিকেল এচোছিয়েশ্যনৰ ৩৮ তম্ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠা দিৱস। ভাৰতৰ বিভিন্ন ৰাজ্যৰ কেইবাশতাধিক চিকিৎসকে অংশগ্ৰহণ কৰা এই প্ৰতিষ্ঠা দিৱসত অসমৰ এগৰাকী আগশাৰীৰ হোমিওপেথিক চিকিৎসক ডাঃ কবিতা শৰ্মাক প্ৰদান কৰা হয় প্ৰেষ্টিজ ৰিকগনাজেশ্যন এৱাৰ্ড। উত্তৰাখণ্ডৰ আয়ুষ বিভাগৰ মন্ত্ৰী মদন কৌশিকে ডাঃ কবিতা শৰ্মাক এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ বটা আনুষ্ঠানিক ভাৱে প্ৰদান কৰে। সমগ্ৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ লগতে দেশৰ বহুকেইখন ৰাজ্যৰ ৫০ হাজাৰৰো অধিক জটিল ৰোগত আক্ৰান্ত ৰোগীক কম দিনৰ ভিতৰতে সু চিকিৎসাৰে আৰোগ্য কৰি তোলাৰ বাবে অসমৰ সু চিকিৎসক ডাঃ কবিতা শৰ্মাক প্ৰেষ্টিজ ৰিকগনাইজেশ্যন এৱাৰ্ড প্ৰদান কৰা হৈছে বুলি আয়ুষ মন্ত্ৰী মদন কৌশিকে সভাত অৱগত কৰে। এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ অভিৱৰ্তনত ৰাজস্থান, পশ্চিমবংগ, মহাৰাষ্ট্ৰ, কাশ্মীৰ, উত্তৰাখণ্ড, উত্তৰ প্ৰদেশ, পঞ্জাৱ আদি ৰাজ্যৰ পৰা অহা বিভিন্ন চিকিৎসকে নিজৰ নিজৰ চিকিৎসা পদ্ধতি আৰু ৰোগ নিৰূপণ সম্পৰ্কে বিস্তৃত ভাৱে ব্যাখ্যা দাঙি ধৰে। উল্লেখযোগ্য যে, নিজস্ব দক্ষতাৰে জটিল ৰোগত আক্ৰান্ত ৰোগীসকলক সু চিকিৎসাৰে অতি কমদিনৰ ভিতৰতে আৰোগ্য কৰিবলৈ সক্ষম হোৱা ডাঃ কবিতা শৰ্মাই ২০১৬ চনৰ পৰা বৰ্তমানলৈকে হোমিও চিকিৎসাৰ সৰ্বোচ্চ সন্মান হেনিমেন এৱাৰ্ড, এৱাৰ্ড অৱ অনাৰ, এৱাৰ্ড অৱ এক্সিলেন্স কে ধৰি কেইবাটাও ৰাষ্ট্ৰীয় বটা ইতিমধ্যে লাভ কৰিবলৈ সক্ষম হৈছে। এই প্ৰতিষ্ঠা দিৱসৰ পূৰ্বে হৰিদ্বাৰৰ আলিপুৰ বহদৰাবাদত অনুষ্ঠিত বিনামূলীয়া চিকিৎসা আৰু ঔষধ বিতৰণ শিবিৰত অংশগ্ৰহণ কৰি ডাঃ কবিতা শৰ্মাই শতাধিক ৰোগীক চিকিৎসা সেৱা আগবঢ়ায়। এই চিকিৎসা শিবিৰ উদ্বোধন কৰে আলিপুৰ সমষ্টিৰ বিধায়ক আদেশ চৌহানে। প্ৰতিষ্ঠা দিৱসৰ অন্তত ই, এম, এ ইণ্ডিয়াৰ ৰাষ্ট্ৰীয় অধ্যক্ষ কে পি চৌহানৰ তত্বাৱধানত হৰিদ্বাৰত পবিত্ৰ গংগা আৰতি সম্পন্ন কৰে ডাঃ কবিতা শৰ্মাই। এই গংগা আৰতি অনুষ্ঠানত হৰিদ্বাৰৰ অধ্যক্ষ নিতিন গৌতম, কবিতা শৰ্মাৰ স্বামী দেৱজিৎ কাকতিকে ধৰি এচোছিয়েশ্যনৰ বহু কেইগৰাকী বিষয়ববীয়া উপস্থিত থাকে।

বৰিকাদঙাত বনৰীয়া হাতীৰ উপদ্ৰৱ, ঘৰ ভাঙি লণ্ড-ভণ্ড

অসম বাৰ্তা, বাগানপাৰা, ২৭ মে' ঃ আজি কিছু দিনৰ পৰা বা'ৰী অঞ্চলত অব্যাহত আছে হাতী মানুহৰ সংঘাত। খাদ্যৰ সন্ধানত ভাৰত ভূটান সীমান্তৰ পৰা নামি অহা বনৰীয়া হাতীৰ জাকে অঞ্চলটোত উপদ্ৰৱ চলাই আহিছে। প্ৰতিনিশা নষ্ট কৰিছে কৃষকৰ শস্য, ভঁৰালৰ ধান খাই, ঘৰ দুৱাৰ ভাঙি লণ্ড-ভণ্ড কৰিছে। ভাঙিছে তামোলৰ বৃহৎ বাগান। বাক্সা জিলাৰ বৰিকাদঙা গাঁৱত নিশা হ'লে প্ৰৱেশ কৰে বনৰীয়া হাতীৰ জাক। বনৰীয়া হাতীৰ আতংকত উজাগৰী নিশা পাৰ কৰিছে গঞাই। কালি ২৪ মে'ত নিশা প্ৰায় বাৰ বজাত অতৰ্কিতে অহা এটা বনৰীয়া হাতীয়ে বাক্সা জিলাৰ বৰিকাদঙা গাঁৱৰ মহেশ কলিতাৰ নতুনকৈ নিৰ্মাণ কৰা পকী ঘৰৰ দেৱাল ভাঙি লণ্ড ভণ্ড কৰিছে। অতি দুখীয়া পৰিয়ালৰ লোক মহেশ কলিতাই কেনেবাকৈ পকী ঘৰটো সাজিছিল। কালি নিশা হঠাতে এটা বনৰীয়া হাতীয়ে আহি ঘৰৰ পকী দেৱাল ভাঙি পেলোৱাত লোকজন ভীষণ সমস্যাৰ সন্মুখীন হৈছে। লোক গৰাকীয়ে ঘৰৰ পকী দেৱাল হাতীয়ে ক্ষতিগ্ৰস্ত কৰাত চৰকাৰৰ ওচৰত সাহায্য পোৱাৰ বাবে আবেদন নিবেদন কৰিছে।

UCC গৃহীত তৃতীয়খন

ভাষণ দি ইউচিচি প্ৰৱৰ্তনক ঐতিহাসিক বুলি অভিহিত কৰে। তেওঁ স্পষ্টকৈ কয় যে ৰাজ্য চৰকাৰে নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰিয়েই এই আইন কাৰ্যকৰী কৰিলে। মুখ্যমন্ত্ৰীয়ে লগতে উল্লেখ কৰে, “যোৱা বিধানসভাত বহুবিবাহ আইন গ্ৰহণ কৰা হৈছিল, যিটো সম অধিকাৰ দিয়াৰ ক্ষেত্ৰত প্ৰথম পদক্ষেপ। আজি আমি ইউচিচি প্ৰণয়ন কৰি সেই প্ৰতিশ্ৰুতি পূৰ্ণ কৰিলোঁ।” মুখ্যমন্ত্ৰী শৰ্মাই কংগ্ৰেছ দলৰ বিৰোধিতাক লক্ষ্য কৰি তীব্ৰ সমালোচনা কৰে। তেওঁ কয়, “কংগ্ৰেছে ইউচিচিৰ বিৰোধিতা এটা বিশেষ ধৰ্মৰ বাবেহে কৰিছে। তেওঁলোকে কোৰান আৰু ছৰিয়তৰ কথা কৈছে, কিন্তু ভাগৱত বা গীতাৰ কথা কোৱা নাই।” মুখ্যমন্ত্ৰীয়ে পূৰ্বৰ কংগ্ৰেছ চৰকাৰসমূহে ইউচিচিৰ পক্ষত থকা সত্ত্বেও বৰ্তমানৰ কংগ্ৰেছ দল এটা সাম্প্ৰদায়িক শক্তিত পৰিণত হৈছে বুলি অভিযোগ উত্থাপন কৰে। ইউচিচি আইনখনৰ মূল দিশসমূহৰ বিষদ বিৱৰণ দি মুখ্যমন্ত্ৰীয়ে কয় যে এই আইনৰ জৰিয়তে বিবাহ, বিবাহ বিচ্ছেদ, উত্তৰাধিকাৰ আৰু লিভ-ইন সম্পৰ্কৰ ক্ষেত্ৰত এক সমনীয় আইনী কাঠামো প্ৰতিষ্ঠা কৰা হৈছে। আইনখন অনুসৰি বিবাহৰ বাবে ছোৱালীৰ বয়স কমেও ১৮ বছৰ আৰু ল’ৰাৰ বয়স ২১ বছৰ হ’ব লাগিব। বহুবিবাহ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে। কোনেও এগৰাকী পত্নী থাকোঁতে পুনৰ বিবাহ কৰিলে সাত বছৰ কাৰাদণ্ডৰ ব্যৱস্থা থাকিব। লিভ-ইন সম্পৰ্কৰ ক্ষেত্ৰতো কঠোৰ নিয়মীয়া ব্যৱস্থা ৰখা হৈছে। মুখ্যমন্ত্ৰীৰ মতে, লিভ-ইন সম্পৰ্কত থকা ব্যক্তিসকলে এক মাহৰ ভিতৰত পঞ্জীয়ন কৰিব লাগিব। ইয়াৰ লগতে এজন ব্যক্তিৰ একাধিক লিভ-ইন সম্পৰ্ক থাকিব নোৱাৰিব। লিভ-ইন সম্পৰ্কত সন্তান জন্ম হ’লে পিতৃ-মাতৃৰ নাম উল্লেখ কৰাটো বাধ্যতামূলক কৰা হৈছে। সম্পত্তিৰ উত্তৰাধিকাৰৰ ক্ষেত্ৰত আইনখনে জীৱিত পিতৃ-মাতৃ আৰু কন্যা সন্তানকো সম্পত্তিৰ অধিকাৰ প্ৰদান কৰিছে। উল্লেখযোগ্য যে অসমৰ জনজাতীয় সম্প্ৰদায়সমূহক এই ইউচিচি আইনৰ পৰা বাহিৰত ৰখা হৈছে। মুখ্যমন্ত্ৰীয়ে এই সিদ্ধান্তৰ সমৰ্থন কৰি কয় যে জনজাতীয় সমাজে পৰম্পৰাগতভাৱে মহিলাৰ সন্মান আৰু সম অধিকাৰ নিশ্চিত কৰি আহিছে, সেয়ে তেওঁলোকৰ নিজা ৰীতি-নীতিৰ প্ৰতি সন্মান জনাই ইউচিচিৰ পৰা বাহিৰত ৰখা হৈছে। বিৰোধী শিবিৰে যদিও বিধেয়কখন এখন নিৰ্বাচিত সমিতিলৈ প্ৰেৰণ কৰাৰ দাবী উত্থাপন কৰে, সেই দাবী অধ্যক্ষই অগ্ৰাহ্য কৰে। অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে বিধেয়কখন গৃহীত কৰাৰ পিছতে শাসকীয় দলৰ বিধায়কসকলে ‘ভাৰত মাতা কি জয়’ আৰু ‘শ্ৰীৰাম’ ধ্বনিৰে সদন উত্তাল কৰি তোলে, আনহাতে বিৰোধী বিধায়কসকলে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামৰণি ভাষণত কয়, “ইউচিচি নথকা বাবে বহু মাতৃ আৰু ভগ্নীয়ে দুখ সহিব লগা হৈছিল। আজি এই আইন গৃহীত হোৱাটো তেওঁলোকৰ প্ৰতি শ্ৰদ্ধাঞ্জলি। আমি আশা কৰোঁ দেশৰ সকলো ৰাজ্যই ইউচিচি গ্ৰহণ কৰিব।” আইনখন ৰাজ্য চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনা জাৰি কৰা তাৰিখৰ পৰাই কাৰ্যকৰী হ’ব বুলি জানিবলৈ দিয়া হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ তামিলনাডুৰ মুখ্যমন্ত্ৰী

বাহন আছিল, যাৰ বাবে দিল্লীৰ বিভিন্ন পথত সাধাৰণ যাত্ৰীসকলে চৰম যান-জটৰ সন্মুখীন হ’বলগীয়া হয়। সূত্ৰই জানিবলৈ দিয়া অনুসৰি, মুখ্যমন্ত্ৰী বিজয়ে চেন্নাইৰ পৰা বিশেষ বিমানযোগে দিল্লী উপস্থিত হৈ প্ৰথমে তামিলনাডু হাউচত কিছু সময় কটায়। ইয়াৰ পিছত দুপৰীয়াৰ ভাগত তেওঁ প্ৰধানমন্ত্ৰী মোডীক সাক্ষাৎ কৰে। এই গুৰুত্বপূৰ্ণ বৈঠকত মেকাদাটু বান্ধ বিবাদ, নীট পৰীক্ষা আৰু কেন্দ্ৰীয় চৰকাৰে তামিলনাডুক আগবঢ়াব লগা বিত্তীয় সাহায্য আদি কেইবাটাও অতি জৰুৰী বিষয়ত বিস্তাৰিত আলোচনা হয়। কিন্তু এই চৰকাৰী কাম-কাজৰ মাজতে মুখ্যমন্ত্ৰীগৰাকীৰ বিশাল কনভয়টোৱেই সামাজিক মাধ্যমত ব্যাপক সমালোচনাৰ সৃষ্টি কৰিছে। উল্লেখ্য যে শেহতীয়াকৈ প্ৰধানমন্ত্ৰী মোদীয়ে অপ্ৰয়োজনীয় খৰচ নিয়ন্ত্ৰণ কৰাৰ লগতে ইন্ধনৰ সঞ্চয় কৰিবলৈ দেশৰ জনপ্ৰতিনিধিসকলক স্পষ্ট আহ্বান জনাইছিল। নিজে উদাহৰণ দি প্ৰধানমন্ত্ৰীয়ে তেওঁৰ নিৰাপত্তা কনভয় আগতকৈ যথেষ্ট সৰু কৰি পেলাইছে। দেশৰ বহু ৰাজ্যৰ মুখ্যমন্ত্ৰীয়েও এই সৰলতা নীতি মানি চলিবলৈ আৰম্ভ কৰিছে। কিন্তু মুখ্যমন্ত্ৰী বিজয়ৰ এই কাৰ্যই বিৰোধী শিবিৰত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিৰোধী নেতাসকলে কয় যে ইন্ধনৰ মূল্যবৃদ্ধিৰ বাবে সদায় কেন্দ্ৰীয় চৰকাৰক সমালোচনা কৰা মুখ্যমন্ত্ৰী বিজয়ে নিজেই ৰাজধানীৰ বুকুত ভিআইপি সংস্কৃতিৰ প্ৰদৰ্শন কৰি অহা গৰ্বিত জনসাধাৰণৰ আৱেগত আঘাত হানিছে। অৱশ্যে মুখ্যমন্ত্ৰীগৰাকীৰ সমৰ্থকসকলে এই পদক্ষেপক সম্পূৰ্ণভাৱে সুৰক্ষা আৰু চৰকাৰী প্ৰট’কলৰ স্বাৰ্থত লোৱা বুলি সাব্যস্ত কৰিবলৈ চেষ্টা চলাইছে। তেওঁলোকৰ দাবী অনুসৰি, এজন মুখ্যমন্ত্ৰী হিচাপে বিজয়ৰ বাবে ই আছিল প্ৰয়োজনীয় ব্যৱস্থা। উল্লেখনীয় যে এই সাক্ষাৎকাৰৰ মাত্ৰ এদিন পূৰ্বেই মুখ্যমন্ত্ৰী বিজয়ে প্ৰধানমন্ত্ৰী মোডীলৈ এখন জৰুৰী পত্ৰ প্ৰেৰণ কৰিছিল। সেই পত্ৰত তেওঁ কাৱেৰী নদীৰ ওপৰত কৰ্ণাটকে নিৰ্মাণ কৰিবলৈ লোৱা মেকাদাটু বান্ধ প্ৰকল্পটো বন্ধ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ তৎক্ষণাত হস্তক্ষেপ দাবী কৰিছিল। কৰ্ণাটক চৰকাৰে এই প্ৰকল্পৰ বাবে ভূমি পূজন অনুষ্ঠান সম্পন্ন কৰাত তেওঁ গভীৰ উদ্বেগ প্ৰকাশ কৰি কয় যে এই বান্ধ নিৰ্মাণৰ ফলত কাৱেৰী নদীৰ পানীৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল তামিলনাডুৰ হাজাৰ হাজাৰ খেতিয়কৰ জীৱিকা চৰমভাৱে বিপদাপন্ন হৈ পৰিব। এই প্ৰসংগটোও আজিৰ আলোচনাৰ মূল বিষয় হিচাপে চৰ্চা লাভ কৰিছে যদিও বিজয়ৰ কনভয়ৰ জটে অধিক শিৰোনাম কাঢ়ি লৈছে।

কেৰালাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী

লিমিটেড (চিএমআৰএল) সংক্ৰান্তিয় এখন ধন সৰবৰাহ গোচৰক কেন্দ্ৰ কৰি চলোৱা হয়। ইডি সূত্ৰৰ মতে, কেৰালা আৰু বেংগালুৰুৰ প্ৰায় ১০ৰ পৰা ১২টা স্থানত সমান্তৰালভাৱে এই তল্লাশী অভিযান চলোৱা হয়। অভিযানৰ মূল কেন্দ্ৰবিন্দু আছিল প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ কন্যা টি বীণা আৰু তেওঁৰ কোম্পানী ‘এ’লজিক ছলিউচনছ প্ৰাইভেট লিমিটেড’। ইতিপূৰ্বেও এই কোম্পানীৰ লেনদেনৰ সন্দৰ্ভত বিভিন্ন মহলত প্ৰশ্ন উত্থাপিত হৈ আহিছিল। এই সমগ্ৰ বিতৰ্কটো ২০১৭ চনৰ ঘটনাৰ সৈতে জড়িত। তেতিয়া কেৰালাৰ প্ৰাক্তন মুখ্যমন্ত্ৰীৰ কন্যাৰ কোম্পানী এ’লজিকে চিএমআৰএল নামৰ ৰাজ্যিক খণ্ডৰ কোম্পানীটোৰ সৈতে ছফ্‌টৱেৰ আৰু বিপণন সেৱা যোগান ধৰিবলৈ এখন আনুষ্ঠানিক চুক্তি স্বাক্ষৰ কৰে। অভিযোগ উত্থাপিত হৈছে যে এই চুক্তিৰ নামত কোনো বাস্তৱিক সেৱা প্ৰদান নকৰাকৈয়ে ১৩৩.৮২ কোটি টকাৰ সন্দেহজনক লেনদেন চলোৱা হৈছিল। প্ৰয়োজনীয় কাম নোহোৱাকৈয়ে ব্যয় দেখুৱাই এই ধন উদ্ধাৰ কৰা বুলি অভিযোগ কৰা হৈছে। ইডিৰ অভিযানৰ সময়ত পিনাৰায়ী বিজয়নৰ বাসগৃহৰ বাহিৰত বিপুল সংখ্যক চিপিআইএম কৰ্মী সমবেত হয়। তেওঁলোকে সংস্থাটোৰ বিৰুদ্ধে স্লোগান দি পৰিৱেশ উত্তাল কৰি তোলে। কিছু ঠাইত কৰ্মীসকলে ইডিৰ বাহন আক্ৰমণ কৰা বুলিও খবৰ পোৱা গৈছে। প্ৰাক্তন মুখ্যমন্ত্ৰীজনে ইতিমধ্যে নিজকে আৰু তেওঁৰ কন্যাক এই অভিযোগৰ পৰা নিৰ্দোষী বুলি ঘোষণা কৰি কয় যে এই অভিযান সম্পূৰ্ণ ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিতৎ। চিএমআৰএল গোচৰটো পূৰ্বে কেৰালা উচ্চ ন্যায়ালয়ত বিবেচনাধীন আছিল। ন্যায়ালয়ে সাম্প্ৰতিকভাৱে ইডিৰ কাৰ্যধাৰা খাৰিজ কৰিবলৈ দাখিল কৰা আবেদন অগ্ৰাহ্য কৰাৰ পিছদিনাই ইডিয়ে এই তল্লাশী অভিযান চলায়। কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৰ মতে, এই লেনদেনৰ ধাৰাবাহিকতাত ধন সৰবৰাহৰ যথেষ্ট প্ৰমাণ পোৱা গৈছে। তদন্ত আৰু আগবঢ়াবলৈ এই অভিযান অতি প্ৰয়োজনীয় বুলি ইডিৰ বিষয়াসকলে জানিবলৈ দিয়ে।

(BYJU’s)ৰ প্ৰতিষ্ঠাপক

আদালতে তেওঁক আদালত অৱজ্ঞাৰ দোষত ৬ মাহ কাৰাদণ্ড আৰু ৭০, ৫০০ ডলাৰ (প্ৰায় ৬৭, ৪৮, ৫২৪ টকা) জৰিমনা বিহিছে। লগতে আদালতে তেওঁক তৎক্ষণাত আত্মসমৰ্পণ কৰিবলৈও নিৰ্দেশ দিছে। এসময়ত এডটেক খণ্ডৰ এক অমোঘ শক্তি হিচাপে পৰিগণিত হোৱা বিওয়াইজুছ বৰ্তমান দেউলিয়া হোৱাৰ যন্ত্ৰণা ভুগিছে। কোম্পানীটোৰ প্ৰতিষ্ঠাপক ৰবীন্দ্ৰনে এই সংকটৰ মাজতে চৰম আইনী পৰাজয় সোৱৰণ কৰিবলগীয়া হৈছে। ব্লুমবাৰ্গৰ এক প্ৰতিবেদন অনুসৰি, ছিংগাপুৰৰ আদালতে কয় যে ৰবীন্দ্ৰনে ২০২৪ চনৰ পৰা নিজৰ সম্পত্তিৰ সৈতে জড়িত বহু গুৰুত্বপূৰ্ণ তথ্য গোপনে ৰাখিছিল। লগতে প্ৰয়োজনীয় নথিপত্ৰসমূহ আদালতত দাখিল কৰা নাছিল। আদালতৰ বাৰম্বাৰ নিৰ্দেশ অমান্য কৰি তেওঁ আদালতক অৱজ্ঞা কৰাত দোষী সাব্যস্ত হয়। আদালতে ৰবীন্দ্ৰনক তৎকালীনভাৱে আত্মসমৰ্পণ কৰিবলৈ, ৭০, ৫০০ ডলাৰ জৰিমনা পৰিশোধ কৰিবলৈ আৰু ‘বিয়াৰ ইনভেষ্টকো পিটিই’ (Beeaar Investco Pte) কোম্পানীত নিজৰ অংশীদাৰিত্ব প্ৰমাণ কৰা সকলো নথিপত্ৰ তৎক্ষণাত জমা দিবলৈ আদেশ জাৰি কৰে। উল্লেখযোগ্য যে ‘থিংক এণ্ড লাৰ্ণ প্ৰাইভেট লিমিটেড’ (Think & Learn Pvt) কোম্পানীৰ প্ৰতিষ্ঠাপক বাইজু ৰবীন্দ্ৰন ইতিমধ্যে কেইবাটাও আইনী গোচৰত জড়িত হৈ আছে। আমেৰিকাৰ আদালতত তেওঁৰ বিৰুদ্ধে ১.২ বিলিয়ন (১২০ কোটি) ডলাৰৰ গোচৰ চলি আছে। এই গোচৰসমূহৰ মাজতে ছিংগাপুৰৰ আদালতৰ ৰায়ই তেওঁৰ দুৰ্দশা আৰু ঘনীভূত কৰিছে। ছিংগাপুৰৰ আদালতত এই গোচৰটো দাখিল কৰিছিল কাতাৰ চৰকাৰী কোম্পানী কিউআইএ (QIA)ৰ সহযোগী প্ৰতিষ্ঠান ‘কাতাৰ হোল্ডিংছ’-এ। কাতাৰ ইনভেষ্টমেণ্ট অথৰিটিৰ এই সহযোগী কোম্পানীটোৱে বাইজুৰ কোম্পানীত বিনিয়োগ কৰিছিল। পিছলৈ বিত্তীয় অনিয়ম আৰু খেলিমেলিৰ অভিযোগ উত্থাপন কৰি কোম্পানীটোৱে আদালতৰ দ্বাৰস্থ হয়। বাইজু ৰবীন্দ্ৰনক এসময়ত দেশৰ আটাইতকৈ ধনী শিক্ষকসকলৰ অন্যতম বুলি গণ্য কৰা হৈছিল। তেওঁৰ শিক্ষামূলক প্ৰযুক্তি প্ৰতিষ্ঠান ‘থিংক এণ্ড লাৰ্ণ’য়ে বিশ্বজুৰি অগ্ৰণী কোম্পানীসমূহৰ বিনিয়োগ আকৰ্ষণ কৰিছিল। এটা সময়ত বিওয়াইজুছ আছিল ভাৰতীয় ক্ৰিকেট দলৰ আনুষ্ঠানিক স্পনছৰ। বাইজু ৰবীন্দ্ৰনৰ সম্পত্তিৰ পৰিমাণ এসময়ত ১৭, ৫৪৫ কোটি টকালৈ বৃদ্ধি পাইছিল। বিওয়াইজুছ কোম্পানীৰ মূল্যই ২২ বিলিয়ন ডলাৰ (প্ৰায় ১, ৮৩, ০০০ কোটি টকা) অতিক্ৰম কৰিছিল। কিন্তু ভুল ব্যৱসায়িক নীতি, অতি আগ্ৰাসী সম্প্ৰসাৰণ, বিত্তীয় কু-পৰিচালনা আৰু বিদেশী বিনিয়োগকাৰীসকলৰ সৈতে ক্ৰমবৰ্ধমান বিবাদৰ বাবে কোম্পানীটো বৃহৎ লোকচানৰ মুখত পৰে। এই পটপৰিৱৰ্তনৰ ফলত বৰ্তমান ৰবীন্দ্ৰনৰ সম্পত্তিৰ মূল্য প্ৰায় শূন্যলৈ হ্ৰাস পাইছে। এই আইনী জটিলতা আৰু আৰ্থিক পতনে এসময়ৰ শিক্ষা ক্ষেত্ৰৰ আইকন বাইজু ৰবীন্দ্ৰনৰ বাবে এক চৰম পৰাজয় বুলি বিশেষজ্ঞ মহলে মন্তব্য কৰিছে।

ছানৰাইজাৰ্ছক ৪৭ ৰানত

হায়দৰাবাদৰ ইনিংছ স্তব্ধ কৰি ৰাজস্থানৰ বিজয় সুনিশ্চিত কৰে। টছত জিকি হায়দৰাবাদৰ অধিনায়ক পেট কামিন্সে প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। প্ৰথমে বেটিং কৰিবলৈ নামি ৰাজস্থান ৰয়েলছে নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ২৪৩ ৰাণৰ এক চূড়ান্ত প্ৰত্যাহ্বানমূলক স্ক’ৰ থিয় কৰায়। ৰাজস্থানৰ হৈ ওপেনাৰ বৈভৱ সূৰ্যবংশীয়ে মাত্ৰ ২৯টা বলত ৫টা চাৰি আৰু ১২টা ছয়ৰ সহায়ত ৯৭ ৰাণৰ এক আচৰিত ইনিংছ উপহাৰ দিয়ে। শতকৰ পৰা মাত্ৰ ৩ ৰাণৰ বঞ্চিত হোৱা সূৰ্যবংশীয়ে ক্ৰীড়াপ্ৰেমীৰ মন জয় কৰাৰ লগতে আই পি এলৰ ইতিহাসত এক ছিজনত সৰ্বাধিক ছয় কোবোৱাৰ অভিলেখ গঢ়ে। তেওঁ এই কৃতিত্বৰ মাধ্যমেৰে ওপজা প্ৰতিভা গেইলৰ পুৰণি অভিলেখ ভংগ কৰে। বৈভৱৰ উপৰিও ধ্ৰুৱ জুৰেলে ২১টা বলত ৫০ ৰাণৰ সংক্ষিপ্ত কিন্তু ফলপ্ৰসূ ইনিংছ খেলে। আনহাতে অসমীয়া সন্তান তথা দলৰ অধিনায়ক ৰিয়ান পৰাগে মাত্ৰ ১২টা বলত ২৬ ৰাণ সংগ্ৰহ কৰি দলৰ ৰাণৰ গতিত বেগ প্ৰদান কৰে। হায়দৰাবাদৰ হৈ প্ৰফুল হিংগেই ৩টা উইকেট দখল কৰে যদিও তেওঁৰ চেষ্টা বৃথা যায়। ২৪৪ ৰাণৰ বিশাল লক্ষ্য আগত লৈ নামি ছানৰাইজাৰ্ছ হায়দৰাবাদৰ আৰম্ভণি ভাল নহ’ল। দলটোৱে নিয়মিত ব্যৱধানত উইকেট হেৰুৱাই ১৯.২ অভাৰত ১৯৬ ৰাণত অল-আউট হয়। হায়দৰাবাদৰ হৈ নীতিশ কুমাৰ ৰেড্ডীয়ে ৩৮ ৰাণ সংগ্ৰহ কৰে, আনহাতে ঈশান কিষাণে ৩৩ ৰাণ যোগান ধৰে। কিন্তু এই ব্যক্তিগত প্ৰদৰ্শনবোৰ দলৰ পৰাজয় আঁতৰ কৰিবলৈ যথেষ্ট নহ’ল। ৰাজস্থানৰ বলাৰসকল সংযমী আৰু নিয়ন্ত্ৰিত আছিল। জফ্ৰা আৰ্চাৰে ৩টা উইকেট দখল কৰিলেও ৰবীন্দ্ৰ জাডেজা, নান্দ্ৰে বাৰ্গাৰ আৰু সুশান্ত মিশ্ৰই ২টাকৈ উইকেট লাভ কৰি হায়দৰাবাদৰ ইনিংছ সম্পূৰ্ণ ৰূপে স্তব্ধ কৰি দিয়ে। এতিয়া ৰিয়ান পৰাগৰ নেতৃত্বাধীন ৰাজস্থান ৰয়েলছে অহা ২৯ মে’ত অনুষ্ঠিত হ’বলগীয়া কোৱালিফায়াৰ-২ মেচত গুজৰাট টাইটানছ (GT)ৰ মুখামুখি হ’ব। সেই খেলখনৰ বিজয়ী দলটোৱে ৩১ মে’ত অনুষ্ঠিত হ’বলগীয়া ফাইনেলত শক্তিশালী ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু (RCB)ৰ বিৰুদ্ধে টান লৰণু খেলিব। আনহাতে, এই পৰাজয়ৰ লগে লগে ছানৰাইজাৰ্ছ হায়দৰাবাদৰ ২০২৬ চনৰ আই পি এল অভিযানৰ সামৰণি পৰিল।

চৰকাৰে আমোলাতন্ত্ৰ সৃষ্টি

বিধানসভাৰ অধিৱেশনত ভাষণ দি গগৈয়ে অভিযোগ উত্থাপন কৰে যে এই আইনৰ জৰিয়তে চৰকাৰে নাগৰিকৰ ব্যক্তিগত জীৱনত অনাকাংক্ষিত হস্তক্ষেপ বৃদ্ধি কৰিব আৰু চোৰাংচোৱাগিৰিক বৈধতা প্ৰদান কৰিব। গগৈয়ে কয়, “অসমৰ মানুহৰ ব্যক্তিগত জীৱন সম্পৰ্কে ইউচিচিয়ে কি কৈছে আৰু চৰকাৰে কি কৈছে, সেইফালে চকু দিয়ক। চৰকাৰে মানুহৰ জীৱনৰ অন্তৰংগ আৰু ব্যক্তিগত দিশসমূহ নিৰীক্ষণ কৰিবলৈ এখন বিশাল আমোলাতন্ত্ৰৰ সৃষ্টি কৰিছে। এই ব্যৱস্থাৰ ফলত প্ৰশাসনে প্ৰতিটো মুহূৰ্ততে আপোনাৰ ওপৰত চোৰাংচোৱাগিৰি কৰিব। আপুনি কেনেদৰে বাস কৰে, কেনেদৰে জীৱন চলায়, সেই সকলো দিশত অহৰহ নজৰ ৰখা হ’ব। এনেকুৱা কাৰ্যক আমি কেনেকৈ অনুমতি দিব পাৰো?” বিধায়কগৰাকীয়ে যুক্তি দাঙি ধৰে যে প্ৰস্তাৱিত এই বিধানসমূহ ভাৰতীয় সংবিধানে প্ৰদান কৰা মূল নীতিৰ সম্পূৰ্ণ বিপৰীতে। তেওঁ স্মৰণ কৰাই দিয়ে যে ব্যক্তিগত গোপনীয়তাৰ অধিকাৰ সম্পৰ্কত উচ্চতম ন্যায়ালয়ে বাৰে-বাৰে গুৰুত্বপূৰ্ণ পৰ্যবেক্ষণ আগবঢ়াইছে। গগৈয়ে কয়, “ভাৰতীয় সংবিধানে কি কয় আৰু উচ্চতম ন্যায়ালয়ে বাৰে-বাৰে কি কৈ আহিছে? উচ্চতম ন্যায়ালয়ে স্পষ্টভাৱে কৈছে যে বিধানসভা আৰু সংসদেও এনেদৰে নাগৰিকৰ ব্যক্তিগত জীৱনত হস্তক্ষেপ কৰিব নোৱাৰে। কিন্তু এই চৰকাৰে সেই নিৰ্দেশ সম্পূৰ্ণ আওকাণ কৰি চলিছে।” বিজেপি নেতৃত্বাধীন অসম চৰকাৰক উদ্দেশ্যি তেওঁ কটাক্ষ কৰে যে প্ৰশাসনে চৰকাৰী যন্ত্ৰ ব্যৱহাৰ কৰি মানুহৰ ব্যক্তিগত জীৱনৰ ওপৰত নিয়ন্ত্ৰণ জাপি দিবলৈ চেষ্টা চলাইছে। তেওঁ লগতে কয়, “এতিয়া ৰাজ্য চৰকাৰে এক হিটলাৰী মানসিকতাৰে মানুহৰ ব্যক্তিগত জীৱনৰ ওপৰত চকু ৰাখিব বিচাৰিছে। এই কথা অতি দুৰ্ভাগ্যজনক যে গণতান্ত্ৰিক পৰম্পৰাত বিশ্বাসী ৰাজ্য এখনত এইদৰে নাগৰিকৰ স্বাধীনতা খৰ্ব কৰা হৈছে।” অখিল গগৈয়ে ইউচিচি বিধেয়কখনক ব্যক্তিগত স্বাধীনতাৰ ওপৰত প্ৰত্যক্ষ আক্ৰমণ বুলি অভিহিত কৰি ইয়াক বাতিল কৰিবলৈ দাবী জনায়। তেওঁ কয়, “এই বিধেয়কখন আমাৰ ব্যক্তিগত জীৱন, আমাৰ জীৱন ধাৰণৰ পদ্ধতি আৰু আমাৰ সংস্কৃতিৰ ওপৰত এক গভীৰ আঘাত। ইয়াক যিকোনো মূল্যে বাতিল কৰিবই লাগিব।” গগৈয়ে দাবী কৰে যে এনেধৰণৰ আইনী কাঠামোৱে সমাজত অশান্তি আৰু ভয়ৰ সৃষ্টি কৰিব, যাৰ ফলত সৰ্বসাধাৰণ নাগৰিক বিশেষভাৱে পীড়িত হ’ব। উল্লেখ্য যে অসম চৰকাৰে আজি বিধানসভাত ইউচিচি বিধেয়ক গৃহীত কৰাৰ পিছত এই আইনখন ৰাজ্যৰ তৃতীয়খন ইউচিচি প্ৰৱৰ্তনকাৰী ৰাজ্য হিচাপে পৰিগণিত হৈছে। কিন্তু অখিল গগৈকে ধৰি বিৰোধী বিধায়কসকলে এই আইনখনৰ বিৰুদ্ধে সদনত প্ৰবল প্ৰতিবাদ চলাই আছে। বিধেয়কখন ছিলেক্ট কমিটীলৈ প্ৰেৰণ কৰাৰ দাবীও উত্থাপন কৰা হৈছিল যদিও তাক অগ্ৰাহ্য কৰা হয়।

গুৱাহাটী বিশ্ববিদ্যালয়

শতাংশ বৃদ্ধি কৰা বুলি দাবী কৰাৰ পিছতে আজি পৰিষদৰ সাধাৰণ সম্পাদক ড° ৰঞ্জন কলিতাই তীব্ৰ প্ৰত্যুত্তৰ দি পঞ্জীয়কগৰাকীৰ তথ্যক ‘চৰম মিথ্যাচাৰ’ বুলি আখ্যা দিছে। তেওঁ লগতে কয় যে প্ৰকৃততে মাচুলৰ হাৰ পূৰ্বতকৈ প্ৰায় ৬ গুণ বৃদ্ধি পাইছে। সংবাদমেলত পঞ্জীয়ক ড° শৰ্মাই কৈছিল যে ২০১৮ চনত যি ৯, ০৮০ টকা আছিল, সেয়া এতিয়া ১০, ৫০০ টকা হৈছে, অৰ্থাৎ মাত্ৰ ১৫ শতাংশ বৃদ্ধি। কিন্তু ড° কলিতাই এই তথ্যক অৰ্ধসত্য বুলি উৰাই দি কয়, “গুৱাহাটী বিশ্ববিদ্যালয়ে মহাবিদ্যালয়সমূহলৈ মাচুল বৃদ্ধিৰ যি জাননী প্ৰেৰণ কৰিছে, তাত কেৱল স্বীকৃতি আৰু অনুমতিৰ বাবদ মাচুলৰ কথা কোৱা হৈছে। কিন্তু সেই তালিকাত আন কেইবাটাও দিশৰ মাচুল উল্লেখ আছে। সেইবোৰ যোগ কৰিলে পূৰ্বতকৈ প্ৰায় ৬ গুণ মাচুল বৃদ্ধি হ’বগৈ।” ড° কলিতাই পঞ্জীয়কক প্ৰত্যাহ্বান জনাই কয়, “যোৱা ২০ এপ্ৰিল, ২০২৬ তাৰিখে বিশ্ববিদ্যালয়ে যি ৯ পৃষ্ঠাৰ সংশোধিত মাচুলৰ তালিকা কলেজসমূহলৈ প্ৰেৰণ কৰিছে, তাত কিছুমান ক্ষেত্ৰত মাচুল ১০০ শতাংশতকৈও অধিক বৃদ্ধি পাইছে। লগতে এনে কিছুমান মাচুলো অন্তৰ্ভুক্ত কৰা হৈছে যিবোৰ পূৰ্বে নাছিলেই। যেনে— পাৰমিচন ৰিনুৱেল ফ্ৰীজ, ডি-এফিলিয়েশ্যন ফ্ৰীজ ইত্যাদি। এইবোৰ যোগ কৰিলে এখন কলেজে আগতে বিশ্ববিদ্যালয়লৈ যিমান দিছিল, এতিয়া সেয়া ৬ গুণতকৈও বেছি হোৱাৰ সম্ভাৱনা আছে।” অনুমোদন বিহীন জাননী প্ৰকাশৰ অভিযোগ উত্থাপন কৰি পৰিষদৰ সাধাৰণ সম্পাদকগৰাকীয়ে কয়, “গুৱাহাটী বিশ্ববিদ্যালয়ে ৬ মে’ ২০২৬ তাৰিখে প্ৰকাশ কৰা জাননীত উল্লেখ কৰা হৈছিল যে ২৭ জানুৱাৰী, ২০২৬ৰ কাৰ্যবাহী পৰিষদে এই মাচুল তালিকা অনুমোদন কৰিছে। কিন্তু সেই তথ্য ভুল বুলি প্ৰমাণ হোৱাত পঞ্জীয়কে ২২ মে’ত পুনৰ এটা জাননী দি কয় যে ১৩ মাৰ্চ, ২০২৬ত অনুমোদন দিয়া হৈছিল। প্ৰশ্ন হৈছে — কাৰ্যবাহী পৰিষদে অনুমোদন নিদিয়াকৈ এনেকৈ জাননী প্ৰকাশ কৰাৰ ক্ষমতা বিশ্ববিদ্যালয়ৰ কোন আইনত দিয়া আছে? এনে কামে পঞ্জীয়কগৰাকীৰ পদমৰ্যাদা ম্লান কৰিছে।” ড° কলিতাই লগতে কয় যে পঞ্জীয়কে মাত্ৰ ‘পাৰমিচন ফ্ৰীজ’ৰ কথা কৈছে, কিন্তু অন্যান্য মাচুলৰ কথা গুপুত ৰাখিছে।” উদাহৰণস্বৰূপে, গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ পৰা পৰীক্ষাৰ বাবে ৯৮০ টকাকৈ লৈছে। সেই ধনেৰে প্ৰশ্নকাকত কটা হয়, কিন্তু নিয়ম অনুসৰি বিশ্ববিদ্যালয়েই সেই কাকত কলেজসমূহলৈ প্ৰেৰণ কৰিব লাগে, যিটো নকৰে। লগতে, তিনিটা ষ্ট্ৰীমৰ বাবে পাৰমিচন ফ্ৰীজ ৩১, ৫০০ টকা। যদি প্ৰতি ষ্ট্ৰীমত ১৫টাকৈ বিষয় থাকে তেন্তে বিষয়ভিত্তিক মাচুল (১৫ X ১০, ৫০০ ঞ্চ ১, ৫৭, ৫০০ টকা) লগতে ৩১, ৫০০ টকা যোগ হৈ মুঠ ১, ৮৯, ০০০ টকা হয় — এই কথা কিয় নকয়? গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষক যেতিয়ালৈকে প্ৰয়োজনীয় অৰ্ডিনেন্স সংশোধন নকৰে, তেতিয়ালৈকে তেওঁলোকৰ কোনো মাচুল নিৰ্ধাৰণৰ ক্ষমতা নাই।’ উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে বুধবাৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° উৎপল শৰ্মাই এক সংবাদমেল সম্বোধন কৰি মাচুল বৃদ্ধি সম্পৰ্কীয় অভিযোগ নস্যাৎ কৰিছিল। সেই সংবাদমেলতে তেওঁ অসম কলেজ অধ্যক্ষ পৰিষদক ভুল তথ্য প্ৰচাৰ নকৰি আলোচনালৈ আহিবলৈ আহ্বান জনাইছিল। কিন্তু আজি পৰিষদৰ প্ৰত্যুত্তৰে বিতৰ্কক নতুন মাত্ৰা প্ৰদান কৰিছে। এতিয়া এই জটিলতাৰ সুসমাধানৰ বাবে দুয়োপক্ষৰ মাজত ফলপ্ৰসূ আলোচনা অনুষ্ঠিত হয়নে নাই, সেই ফালেই ৰাইজৰ দৃষ্টি নিবদ্ধ হৈ আছে।

সীমান্তৰ ১৫ কিলোমিটাৰৰ

দেশৰ সীমান্তৰ ১৫ কিলোমিটাৰৰ ভিতৰত থকা সকলো অবৈধ নিৰ্মাণকাৰ্য তৎক্ষণাত ধ্বংস কৰিব লাগিব। এইক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ ‘শূন্য সহনশীলতা’ নীতি কঠোৰভাৱে মানি চলিবলৈ মন্ত্ৰীগৰাকীয়ে প্ৰশাসনৰ বিষয়াসকলক আহ্বান জনায়। গৃহমন্ত্ৰালয়ে জিলা দণ্ডাধীশসকলক সীমান্তৱৰ্তী অঞ্চলৰ নিৰাপত্তা সন্দৰ্ভত কেইবাটাও গুৰুত্বপূৰ্ণ দায়িত্ব অৰ্পণ কৰিছে। ইয়াৰ ভিতৰত আছে— সীমান্তৱৰ্তী প্ৰতিটো বেংকত ধনৰ লেনদেন সঠিকভাৱে হৈছে নে নাই সেয়া নিশ্চিত কৰা, বৃহৎ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ পুঁজিৰ উৎস পৰীক্ষা কৰা, ভুৱা একাউণ্ট আৰু শ্বেল কোম্পানী ধৰা পেলোৱা, ভুৱা আধাৰ কাৰ্ড চিনাক্তকৰণ, আৰু সীমা অতিক্ৰমি হোৱা চোৰাং ব্যৱসায় নিয়ন্ত্ৰণ কৰা। মঙলবাৰে ৰাজস্থানৰ বিকানেৰত অনুষ্ঠিত এক নিৰাপত্তা পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰি গৃহমন্ত্ৰী শ্বাহে ভাৰত-পাকিস্তান সীমান্ত সংলগ্ন ৰাজস্থানৰ সীমান্তৱৰ্তী জিলাসমূহৰ নিৰাপত্তাজনিত বিষয়সমূহৰ মূল্যায়ন কৰে। এই বৈঠকত ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজনলাল শৰ্মা, ৰাজ্য প্ৰশাসনৰ শীৰ্ষ বিষয়া আৰু পাঁচখন সীমান্তৱৰ্তী জিলা— বিকানেৰ, জয়ছালমেৰ, বৰমেৰ, শ্ৰীগংগানগৰ আৰু ফালোডীৰ জিলা দণ্ডাধীশ আৰু আৰক্ষী অধীক্ষকসকল উপস্থিত থাকে। গৃহ মন্ত্ৰালয়ে প্ৰকাশ কৰা বিবৃতি অনুসৰি, সীমান্তৱৰ্তী জিলাসমূহত সংঘটিত অপৰাধ আৰু ড্ৰাগছ সৰবৰাহৰ আঁৰৰ মূল উৎস, আৰ্হি আৰু নেটৱৰ্কসমূহ ভালদৰে নজৰত ৰাখি স্থায়ী সমাধান প্ৰস্তুত কৰিবলৈ মন্ত্ৰী শ্বাহে নিৰ্দেশ দিছে। যাতে এই সমস্যাসমূহৰ পুনৰাবৃত্তি নঘটে। বিশেষকৈ সীমান্তৰ ১৫ কিলোমিটাৰৰ ভিতৰৰ সকলো অবৈধ নিৰ্মাণকাৰ্য ধ্বংস কৰি ‘শূন্য সহনশীলতা’ নীতি প্ৰয়োগ কৰিবলৈ তেওঁ আহ্বান জনায়। বৈঠকত অনুপ্ৰৱেশ, ড্ৰাগছ সৰবৰাহ, ভূমি বেদখল, সন্ত্ৰাসবাদীক বিত্তীয় সাহায্য আৰু অন্যান্য সীমা অতিক্ৰমী অপৰাধৰ বিৰুদ্ধে সাহসেৰে যুঁজিবলৈ বিএছএফ, চিবিডিটি, এনচিবিকে ধৰি সীমা ব্যৱস্থাপনা সংস্থাসমূহৰ মাজত সমন্বিত পন্থা অৱলম্বনৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰা হয়। মন্ত্ৰালয়ৰ বিবৃতিত লগতে কোৱা হয়, “সীমান্তৱৰ্তী অঞ্চলৰ শাসন ব্যৱস্থা শক্তিশালী কৰা, বিত্তীয় অপৰাধ ৰোধ কৰা, আন্তঃগাঁথনিগত ব্যৱধান পূৰণ আৰু সীমান্তৰ জনসংখ্যাক সহায় কৰাৰ বাবে ‘ভাইব্ৰেণ্ট ভিলেজ প্ৰগ্ৰেম (ভিভিপি)-২’ৰ সফল ৰূপায়ণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।” গৃহমন্ত্ৰীয়ে সীমান্তৱৰ্তী গাঁৱৰ সকলো চৰকাৰী আঁচনি ১০০ শতাংশ কাৰ্যকৰী কৰিবলৈ নিৰ্দেশ দিয়া লগতে চাইবাৰ অপৰাধ মোকাবিলাৰ বাবে ‘১৯৩০’ কল চেণ্টাৰৰ ফলপ্ৰসূ ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিবৃতিত উল্লেখ কৰা মতে, এই বিষয়সমূহ পুনৰ পৰ্যালোচনা কৰি দুমাহৰ পিছত পুনৰ মতামত গ্ৰহণ কৰা হ’ব। সেয়েহে জিলাসমূহক ফলাফলমুখী ব্যৱস্থা গ্ৰহণ কৰাটো নিশ্চিত কৰিবলৈ মন্ত্ৰীগৰাকীয়ে কঠোৰ নিৰ্দেশ দিছে।

৩ জুনৰ পাছতহে হ’ব

হৈছে। এই প্ৰেক্ষাপটত বুধবাৰে মুখ্যমন্ত্ৰী-জনে এখন স্পষ্ট ঘোষণা প্ৰদান কৰে যে অহা ৩ জুন তাৰিখৰ পাছতহে মন্ত্ৰীসভা সম্প্ৰসাৰণৰ কাম সম্পন্ন কৰা হ’ব। বুধবাৰে যোড়শ অসম বিধানসভাৰ অধিৱেশন সামৰণি পৰাৰ পাছত বিধানসভা চৌহদত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয়, “ক্ৰমান্বয়ে মন্ত্ৰীসভাৰ সম্প্ৰসাৰণৰ কাম চলি থাকিব। জুন মাহৰ প্ৰথম সপ্তাহত মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ হৈ যাব। কিন্তু ৩ জুনলৈকে ৰাজ্যপাল মংগোলীয়াত থাকিব। গতিকে যি হ’ব ৩ জুনৰ পাছতেহে হ’ব।” ইতিমধ্যে শপতগ্ৰহণৰ সময়তে গঠন কৰা চাৰিজনীয়া অন্তৰ্বৰ্তীকালীন মন্ত্ৰীসভাত চাহ জনগোষ্ঠী, মহিলা প্ৰতিনিধি, লগতে মিত্ৰদল অসম গণ পৰিষদ (অগপ) আৰু বড়োলেণ্ড পিপলছ ফ্ৰণ্ট (বিপিএফ)ৰ প্ৰতিনিধি সন্নিৱিষ্ট হৈছে। কিন্তু বিগত নিৰ্বাচনত বিজেপিয়ে ৮২খন আসন লাভ কৰি নিৰংকুশ সংখ্যাগৰিষ্ঠতা অৰ্জন কৰিলেও মিত্ৰদল দুটাক সন্তুষ্ট কৰাৰ বাবে তেওঁলোকক এটাতকৈ অধিক মন্ত্ৰীপদ দিয়াটো নাযায় বুলি শক্তিশালী চৰ্চা চলি আছে। যাৰ বাবে বিজেপিৰ ভিতৰত এতিয়াও মন্ত্ৰীপদ বিতৰণক লৈ চাপা উৎকণ্ঠা বিদ্যমান। উল্লেখযোগ্য যে এই সম্প্ৰসাৰণৰ পূৰ্বে মুখ্যমন্ত্ৰী শৰ্মাই দুবাৰকৈ দিল্লী গমন কৰি বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন, সাধাৰণ সম্পাদক তথা কেন্দ্ৰীয় গৃহমন্ত্ৰীকে ধৰি দলৰ শীৰ্ষ নেতৃত্বৰ সৈতে সাক্ষাৎ কৰে। মন্ত্ৰীসভাৰ সম্প্ৰসাৰণৰ চূড়ান্ত ৰূপৰেখা স্থিৰ কৰিবলৈ এই বৈঠকসমূহ অনুষ্ঠিত হোৱা বুলি ৰাজনৈতিক মহলে মত পোষণ কৰিছে যদিও মুখ্যমন্ত্ৰীয়ে এই সন্দৰ্ভত কোনো মন্তব্য ব্যক্ত কৰা নাই। মুখ্যমন্ত্ৰীৰ আজিৰ ঘোষণাৰ পাছত এতিয়া সকলোৰে দৃষ্টি জুন মাহৰ প্ৰথম সপ্তাহৰ ফালে নিবদ্ধ হৈছে। কোনে মন্ত্ৰীপদ পাব, কোনে হেৰুৱাব, নৱাগতসকলক স্থান দিয়াটো কিমান সম্ভৱ — এই প্ৰশ্নই ৰাজনৈতিক বিশ্লেষকৰ লগতে সাধাৰণ ৰাইজৰ মাজতো জাগৰণ সৃষ্টি কৰিছে।

৪ গুণ মাচুল বৃদ্ধিৰ বাতৰি

দিশ স্পষ্ট কৰে। এই সংবাদমেলযোগে তেওঁ মাচুল বৃদ্ধি সম্পৰ্কীয় তথ্যৰ গুৰুত্বপূৰ্ণ দিশবোৰ ৰাইজৰ আগত তুলি ধৰে। সংবাদমেল আৰম্ভ কৰিয়েই ড° শৰ্মাই কয় যে ২০২৩ চনৰ পৰা আৰম্ভ হোৱা চাৰিবছৰীয়া স্নাতক ডিগ্ৰীৰ বাবে এইবাৰ চতুৰ্থ বৰ্ষ আহি পাইছে। শিক্ষাৰ্থীসকল যেতিয়া চতুৰ্থ বৰ্ষত প্ৰৱেশ কৰে, তেতিয়া বিশ্ববিদ্যালয়ৰ কিছুমান নিয়মীয়া প্ৰক্ৰিয়া সম্পন্ন কৰিবলগীয়া হয়। তাৰ ভিতৰত কলেজসমূহৰ স্বীকৃতি আৰু অনুমতি লাভ কৰাটো প্ৰধান। এই প্ৰক্ৰিয়াৰ অংশ হিচাপেই মাচুল নিৰ্ধাৰণ কৰা হৈছে। তেওঁ স্পষ্টকৈ উল্লেখ কৰে যে ইয়াৰ আগৰবোৰ বছৰত কলেজসমূহে যি পদ্ধতিৰ মাজেৰে মাচুল দি আহিছিল, ঠিক সেই একে পদ্ধতিৰ মাজেৰেই এইবাৰো মাচুল নিৰ্ধাৰণ কৰা হৈছে। মাচুল বৃদ্ধিৰ হাৰ সম্পৰ্কে অসম কলেজ অধ্যক্ষ পৰিষদে চলাই অহা প্ৰচাৰৰ তীব্ৰ সমালোচনা কৰি পঞ্জীয়কে কয়, “অসম কলেজ অধ্যক্ষ পৰিষদৰ তৰফৰ পৰা এই কথাটো এনেদৰে প্ৰচাৰ কৰা হৈছে যে আমি প্ৰায় চাৰিগুণ মাচুল বৃদ্ধি কৰিছো। আচলতে তেনে একো নহয়। আমি মাত্ৰ ১৫ শতাংশ মাচুলহে বৃদ্ধি কৰিছো।” তেওঁ উদাহৰণ হিচাপে কয়, “২০১৮ চনত যি মাচুল ৯, ০৮০ টকা আছিল, সেই মাচুল এইবাৰ ১০, ৫০০ টকা কৰা হৈছে।” এই মাচুল লোৱাৰ কাৰণ সম্পৰ্কেও পঞ্জীয়কগৰাকীয়ে বিস্তাৰিত ব্যাখ্যা আগবঢ়ায়। তেওঁ কয়, “আমি এই মাচুল লোৱাটো বাধ্যতামূলক। কাৰণ ছাত্ৰ-ছাত্ৰীসকলৰ সকলো তথ্য আমাৰ বিশ্ববিদ্যালয়ৰ ওচৰত সংৰক্ষিত হৈ থাকে। প্ৰতিবছৰে প্ৰায় ৮০ হাজাৰ শিক্ষাৰ্থীয়ে আমাৰ বিশ্ববিদ্যালয়ত পৰীক্ষা দিয়ে। তেওঁলোকৰ প্ৰশ্নকাকত ছেটিং, উত্তৰবহী মূল্যায়ন, উত্তৰবহী ছপা কৰা, পুনৰ মূল্যায়ন (ৰি-ইভালুৱেশ্যন), জীৱনজোৰা চাৰ্টিফিকেট প্ৰদানৰ প্ৰক্ৰিয়া, প্ৰমাণীকৰণ (ভেৰিফিকেশ্যন) আদিকে ধৰি সমুদায় ডাটা ব্যৱস্থাপনাৰ বাবে এটা বৃহৎ প্ৰণালী অবিৰতভাৱে চলি থাকে। সেইবোৰ কাৰ্য সম্পাদন কৰিবলৈ আমি অতি সামান্য মাচুলহে লৈছো।” পঞ্জীয়ক শৰ্মাই উল্লেখ কৰে যে কোনো এখন কলেজত যদি তিনিটা শাখা (ষ্ট্ৰীম) থাকে, তেন্তে সেই কলেজে প্ৰতিটো শাখাৰ বাবে ১০, ৫০০ টকাকৈ মাচুল দিবলগীয়া হয়। তেওঁ লগতে কয়, “গত ২৫ মে’ত এই সমস্যাৰ সমাধান বিচাৰি গুৱাহাটীৰ প্ৰায়বোৰ কলেজৰ অধ্যক্ষ, ওচৰ-পাজৰৰ কেইবাখনো কলেজৰ অধ্যক্ষ আৰু মডেল কলেজৰ কেইবাজনো অধ্যক্ষক আমি এখন বৈঠকলৈ আমন্ত্ৰণ জনাইছিলো। কিন্তু দুখনমান কলেজৰ অধ্যক্ষহে সেই বৈঠকত উপস্থিত আছিল।” অসম কলেজ অধ্যক্ষ পৰিষদক পুনৰ আলোচনালৈ মাতি অনাৰ বাবে ড° শৰ্মাই আবেদন জনায়। তেওঁ কয়, “মই পুনৰ বাৰ অনুৰোধ জনাইছো যে অসম কলেজ অধ্যক্ষ পৰিষদে ভুল তথ্য প্ৰচাৰ নকৰি তেওঁলোকে আমাৰ সৈতে আলোচনা কৰিলে মই বিশ্বাস কৰো সমস্যাসমূহৰ সুসমাধান কৰিব পাৰিম।”

গুৱাহাটী ৰিং ৰোড প্ৰকল্পত

শেষ কৰি আবেদনখন নিষ্পত্তি কৰিছে। অসম চৰকাৰ আৰু ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে (এনএইচএআই) আদালতক স্পষ্টভাৱে আশ্বাস দিয়াৰ পাছতেই এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। চৰকাৰী পক্ষই জনাইছে যে বন্যপ্ৰাণীৰ ওপৰত পৰিব পৰা ব্যাপক প্ৰভাৱৰ অধ্যয়ন সম্পূৰ্ণ নকৰাকৈ এই প্ৰকল্পৰ বাবে একো গছ-গছনি কটা কাৰ্য চলোৱা নহ’ব। মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু ন্যায়াধীশ অৰুণ দেৱ চৌধুৰীৰ গঠিত খণ্ড বিচাৰপীঠে সমাজকৰ্মী অৰ্কাশীষ চলিহা আৰু নৰ্থইষ্ট নাওৰ কাৰ্যবাহী সম্পাদক মহেশ ডেকাই দাখিল কৰা আবেদনটোৰ শুনানি সমাপ্ত কৰে। প্ৰকল্পটোৰ বাবে পৰিৱেশ আৰু বন্যপ্ৰাণীৰ সম্ভাব্য ক্ষতিৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিয়েই তেওঁলোকে এই আবেদন দাখিল কৰিছিল। উল্লেখ্য যে প্ৰায় ১২১ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই ৰিং ৰোড প্ৰকল্পটো সম্পূৰ্ণ কৰিবলৈ প্ৰায় ৫, ৭২৯ কোটি টকা ব্যয় হ’ব বুলি অনুমান কৰা হৈছে। কিন্তু প্ৰকল্পটোৱে আমচাং বন্যপ্ৰাণী অভয়াৰণ্য, বিভিন্ন বনাঞ্চল আৰু হাতীৰ চলাচলৰ কৰিডৰসমূহৰ ওপৰত পেলাব পৰা বিৰূপ প্ৰভাৱক লৈ চিন্তা-উদ্বেগ প্ৰকাশ পাইছিল। এই প্ৰেক্ষাপটতে আদালতে পূৰ্বে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ আৰু কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ক প্ৰয়োজনীয় বিভাগীয় অনুমতি সংক্ৰান্তত বিতং শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিছিল। লগতে ৱাইল্ডলাইফ ইনষ্টিটিউট অৱ ইণ্ডিয়াৰ দৰে বিশেষজ্ঞ সংস্থাৰ জৰিয়তে হাতী আৰু অন্যান্য বন্যপ্ৰাণীৰ বাসস্থানৰ ওপৰত পৰা প্ৰভাৱৰ সঠিক অধ্যয়ন প্ৰতিবেদন দাখিল কৰিবলৈও কোৱা হৈছিল। আবেদনকাৰী পক্ষৰ অধিবক্তাসকলে আদালতত অভিযোগ উত্থাপন কৰে যে ৰাষ্ট্ৰীয় বন্যপ্ৰাণী ব’ৰ্ডৰ স্থায়ী সমিতিয়ে বান্ধি দিয়া চৰ্তসমূহ বন বিভাগৰ অনুমতি লাভ কৰাৰ পূৰ্বে সঠিকভাৱে পালন কৰা হোৱা নাছিল। তেওঁলোকৰ মতে, ৱাইল্ডলাইফ ইনষ্টিটিউট অৱ ইণ্ডিয়াই পূৰ্বে পৰামৰ্শ দিছিল যে পথটো অভয়াৰণ্যৰ মাজেৰে নিয়াৰ পৰিৱৰ্তে ইয়াৰ সীমাৰে লৈ যোৱাটো উত্তম। লগতে হাতী যাতে মানুহৰ বসতিপূৰ্ণ অঞ্চললৈ ওলাই নাহে তাৰ বাবে বিশেষ বেৰা নিৰ্মাণৰ ব্যৱস্থা কৰিবলৈও পৰামৰ্শ দিছিল। কিন্তু আবেদনকাৰীৰ ভাষ্য অনুসৰি, কোনো স্বতন্ত্ৰ বিশেষজ্ঞ সংস্থাৰ পৰামৰ্শ নোলোৱাকৈয়ে প্ৰকল্পটো ৰূপায়ণকাৰী সংস্থাই নিজেই বন্যপ্ৰাণী সুৰক্ষা আঁচনি প্ৰস্তুত কৰি উলিয়াইছিল, যিটো নিয়মৰ সুস্পষ্ট উলংঘন। আনকি জৰুৰী অধ্যয়ন সম্পূৰ্ণ নোহোৱাকৈয়ে প্ৰকল্পটোক চূড়ান্ত বন বিভাগৰ অনুমতি প্ৰদান কৰা বুলিও আদালতত অভিযোগ উত্থাপিত হয়। শুনানিৰ সময়ত ৰাজ্য চৰকাৰৰ অতিৰিক্ত মহাধিবক্তা পি এন গোস্বামীয়ে আদালতক আশ্বাস দিয়ে যে অভয়াৰণ্য অঞ্চলত গছ কটাৰ বাবে যি নিবিদা আহ্বান কৰা হৈছিল, সেয়া কেৱল কাম কৰিবলগীয়া সম্ভাব্য ঠিকাদাৰসকলক তালিকাভুক্ত কৰাৰ বাবেহে, কোনো কাম আৰম্ভ কৰাৰ বাবে নহয়। তেওঁ স্পষ্টভাৱে জনাই দিয়ে যে বন্যপ্ৰাণীৰ ওপৰত প্ৰভাৱ অধ্যয়ন সম্পূৰ্ণ নোহোৱাকৈ একো গছ কটা নহ’ব। লগতে নিশাৰ ভাগত নিৰ্মাণ কাৰ্য বন্ধ ৰখাকে ধৰি সকলো ধৰণৰ সুৰক্ষা নিয়ম আৰু নিষেধাজ্ঞা কঠোৰভাৱে মানি চলা হ’ব বুলিও প্ৰতিশ্ৰুতি দিয়ে।

উচ্চতৰ মাধ্যমিকত সপ্তম

মাধ্যমিক পৰ্যায়ৰ পৰীক্ষা পদ্ধতি, বিষয় সংযোজন আৰু গ্ৰেডিং ব্যৱস্থা সন্দৰ্ভত বিভিন্ন দিশ উত্থাপন হয়। বৈঠকৰ অন্তত আছুৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই সাংবাদিকক অৱগত কৰে যে ছাত্ৰ-ছাত্ৰীসকলক সময়োপযোগী শিক্ষা প্ৰদানৰ স্বাৰ্থতে পাঠ্যসূচীত পৰিৱৰ্তন আৱশ্যক। তেওঁ স্পষ্টভাৱে কয়, “আমি ছাত্ৰ-ছাত্ৰীসকলক যুগৰ লগতি আগবাঢ়ি যাব পৰাকৈ পাঠ্যপুথিৰ পৰিৱৰ্তন বিচাৰিছো। বিশেষভাৱে ৬টা বিষয়ৰ পৰিৱৰ্তে ৭টা বিষয় ৰখা সন্দৰ্ভত বিস্তাৰিত আলোচনা হৈছে। কিন্তু অতিৰিক্ত সপ্তম বিষয়টোৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীয়ে কেৱল পঢ়িব, সেই বিষয়ৰ কোনো পৰীক্ষা নহ’ব। অৰ্থাৎ ৬টা বিষয়ৰ পৰীক্ষাই চূড়ান্ত ফলাফল নিৰ্ধাৰণ কৰিব।” আছুৰ সভাপতি উৎপল শৰ্মাই গ্ৰেডিং ব্যৱস্থাৰ বিষয়টোত গুৰুত্ব আৰোপ কৰি কয়, “বৰ্তমানলৈকে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে গ্ৰেডিং ব্যৱস্থা গ্ৰহণ কৰা নাই। এই সন্দৰ্ভত পৰিষদৰ মাজতো কোনো আনুষ্ঠানিক আলোচনা হোৱা নাই। আমি দাবী জনাইছো যে পূৰ্বৰ দৰে নম্বৰৰ ভিত্তিতেই মূল্যায়ন ব্যৱস্থা বাহাল ৰখা হওক। কাৰণ প্ৰতিযোগিতামুলক পৰীক্ষাৰ পৃথিৱীখনত আগবাঢ়িবলৈ নম্বৰৰ ভিত্তিত মূল্যায়ন অধিক সহায়ক।” তেওঁ লগতে উল্লেখ কৰে যে এএছএছইবিয়ে আছুৰ এই দাবীৰ প্ৰতি ইতিবাচক সঁহাৰি জনাইছে। বিষয় সন্নিৱিষ্ট কৰাৰ ক্ষেত্ৰতো বিদ্যালয় পৰিষদৰ সৈতে সদভিপ্ৰায় গঢ় লৈ উঠিছে বুলি শৰ্মাই জানিবলৈ দিয়ে। আনহাতে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ আগ্ৰাসন ৰোধৰ প্ৰসংগত আছুৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনে গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। তেওঁ কয়, “চৰকাৰী তথা ৰাজহুৱা খণ্ডৰ বিদ্যালয়সমূহ যাতে ব্যক্তিগত বিদ্যালয়ৰ তুলনাত পিছপৰি নাথাকে, সেইবাবে শিক্ষণ-শিকন প্ৰক্ৰিয়াটো আৰু অধিক উন্নত কৰাৰ প্ৰয়োজন আছে। লগতে চৰকাৰী বিদ্যালয়ৰ আন্তঃগাঁথনি সুদৃঢ় কৰাৰ ওপৰত জোৰ দিছো আমি। এই ব্যৱস্থা গ্ৰহণৰ বাবে আমি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ কৰ্তৃপক্ষক আহ্বান জনাইছো।” উল্লেখ্য যে অহা দিনবোৰত শিক্ষাৰ মান উন্নয়নৰ লগতে ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ ভৱিষ্যত নিৰ্ধাৰণৰ দিশত এই আলোচনাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা ব্যক্ত কৰে ছাত্ৰ সন্থাৰ নেতৃত্বই। এএছএছইবিৰ বিষয়াসকলে আছুৰ দাবীসমূহ গভীৰভাৱে বিবেচনা কৰাৰ আশ্বাস দিয়া বুলি জানিবলৈ দিয়ে আছু সূত্ৰই।

বজাৰ বাৰৰ দিনা চাওঁক একাংশ ব্যৱসায়ীয়ে পথ দখলৰ দৃশ্য

ৰহাত পথ সুৰক্ষাৰ সভা

পথসমূহ পৰিদৰ্শন কৰিবলৈ দাবী ৰহা সাধাৰণ ৰাইজৰ

অসম বাৰ্তা, ৰহা, ২৭ মে’ ঃ পথ সুৰক্ষাৰ বাবে বিভিন্ন সময়ত সজাগতামূলক সভা অনুষ্ঠিত হোৱাৰ বাহিৰেও কেতিয়াবা কেতিয়াবা মাইক ব্যৱহাৰ জৰীয়তে পথ আবদ্ধ কৰি ব্যৱসায় নকৰিবলৈ ৰহা পৌৰসভাই ব্যৱসায়ী সকলক সকিয়াই দিয়ে যদিও বাস্তৱত ফুটুকাৰ ফেনত পৰিণত হয়। ৰহা অঁঞ্চলৰ সাধাৰণ ৰাইজৰ মতে সজাগতামূলক সভাৰ পৰিবৰ্তে এবাৰ ৰহা পৌৰসভাৰ অন্তৰ্গত পথ সমূহ পৰিদৰ্শন কৰাৰ লগতে বজাৰ বাৰ দুদিন বিশেষকৈ বুধবাৰ আৰু দেওবাৰ দিনা কেনেকৈ একাংশ ব্যৱসায়ীয়ে পথ দখল কৰি ব্যৱসায় কৰে তাক চাবলৈ আহ্বান জনাই সাধাৰণ ৰাইজে। আহ্বান পুৰণি চাৰিআলিৰ পৰা নতুন চাৰিআলিৰ অভিমুখে যোৱা পথটো চাওঁক। পুৰণি চাৰিআলিৰ পৰা পৌৰসভাৰ কাৰ্য্যালয়ৰ অভিমুখে যোৱা পথটো আৰু পুৰণি চাৰিআলিৰ পৰা কলঙ নদীৰ অভিমুখে যোৱা পথটো বজাৰ বাৰ দিনা এবাৰ চকু দিয়ক। আনকি সাপ্তাহিক বজাৰৰ একাংশ ব্যৱসায়ীয়ে ৰহা পৰিপূৰক স্বাস্থ্য কেন্দ্ৰলৈ যোৱা এটা পথ আবদ্ধ কৰি ব্যৱসায় কৰা দেখা যায়। ৰহা পুৰণা চাৰিআলিৰ পৰা পৌৰসভাৰ কাৰ্য্যালয়ৰ অভিমুখে যোৱা চকটোৰ কাষতে বজাৰ বাৰে বহা এখন দোকানৰ বাবে সহজতে জৰুৰীকালীন সেৱাৰ বাহন, বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী কঢ়িওৱা বাহন ঘুৰাবলৈ সমস্যাত পৰে বাহনৰ চালক। আনহাতে একাংশ ভব্য গব্য সম্ভ্ৰান্ত বুলি দাবী কৰা ব্যক্তিয়ে নিজৰ বাহন পথৰ ওপৰত ৰাখি পথ আবদ্ধ কৰি বজাৰ কৰা দেখা যায় যাৰ ফলত বহু সময়ত পথটোৰে অহা যোৱা কৰা ছাত্ৰ ছাত্ৰীৰ লগতে সাধাৰণ ৰাইজ সমস্যাত পৰে। তৰোপৰি বালি কঢ়িওৱা বাহন, টেক্টৰ আদি বাহনে বহুসময়ত যানজটৰ সমস্যাৰ সৃষ্টি কৰে বুলিও স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰাৰ লগতে বিহিত ব্যৱস্থাৰ বাবে স্থানীয় ৰাইজে আহ্বান জনাইছে। পথ সুৰক্ষাৰ নামত সভা অনুষ্ঠিত কৰাতকৈ বৈধ্য নথিপত্ৰ অবিহনে চলাই থকা ই-ৰিস্কা, টেম্প’ অনান্য যাত্ৰী কঢ়িওৱা বাহন সমূহে পথ সুৰক্ষাৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰি আহিছে গতিকে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে দ্বাবী উত্থাপন কৰিছে।

গহপুৰৰ ঘাঁহিগাঁৱৰ মেধাৱী ছাত্ৰ ভাৰ্গৱ ভূঞাৰ কৃতিত্ব

অসম বাৰ্তা, গহপুৰ, ২৭ মে’ ঃ গহপুৰ সমজিলাৰ অন্তৰ্গত ঘাঁহিগাঁৱৰ মেধাৱী ছাত্ৰ ভাৰ্গৱ ভূঞাই JAM-2026ৰ কালি ঘোষিত ফলাফলত সফলতাৰে উত্তীৰ্ণ হৈ প্ৰথম কাউঞ্চেলিঙতে আই আই টি গান্ধীনগৰ (গুজৰাট)ত Astrophysics বিভাগত অধ্যয়নৰ সুযোগ লাভ কৰিছে। মেধাৱী ছাত্ৰ ভাৰ্গৱ ভূঞা ঘাঁহিগাঁও নিবাসী তথা গমিৰিঘাট উচ্চ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষক সূৰ্য্য ভূঞা আৰু উৎপলা বৰা ভূঞাৰ সুযোগ্য সন্তান। তেওঁ বৰ্তমান তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ স্নাতক শাখাৰ পদাৰ্থ বিজ্ঞান বিভাগৰ ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰ। তেওঁৰ এই কৃতিত্বৰ বাবে অঞ্চলটোৰ শিক্ষানুৰাগী ৰাইজে তেওঁক আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে। এসময়ৰ বৰঙাবাৰীৰ মৰ্ণিং ষ্টাৰ হাইস্কুলৰ ছাত্ৰ ভাৰ্গৱ ভূঞাৰ এই কৃতিত্বৰ বাবে তেওঁক অভিনন্দন জ্ঞাপন কৰিছে বিদ্যালয়খনৰ পৰিচালনা সঞ্চালক যাদৱ চলিহাই। পুত্ৰৰ এই আশাপ্ৰদ সাফল্যত সন্তোষ প্ৰকাশ কৰি শিক্ষক পুত্ৰ সূৰ্য ভূঞাই নিজৰ প্ৰতিক্ৰিয়াত কয় যে ভাৰ্গৱ ভূঞাৰ এই সাফল্যৰ আঁৰত আছে বৰঙাবাৰীৰ মৰ্ণিং ষ্টাৰ হাইস্কুলৰ অফুৰন্ত বৰঙনি। বিজ্ঞান শিক্ষাৰ প্ৰতি তেওঁক আকৰ্ষিত কৰি তোলাৰ ক্ষেত্ৰত মৰ্ণিং ষ্টাৰ হাইস্কুলে হাইস্কুল পৰ্য্যায়ত যি পদক্ষেপ গ্ৰহণ কৰিছিল তাৰ ফলতেই ভাৰ্গৱ ভূঞাই শেহতীয়া ফলাফলত আশানুৰূপ ফলাফল লাভ কৰিবলৈ সক্ষম হয় বুলি তেওঁ উল্লেখ কৰে। এইক্ষেত্ৰত ভাৰ্গৱ ভূঞাৰ কঠোৰ অধ্যৱসায় আৰু একানপটীয়া প্ৰচেষ্টাৰ কথাও উল্লেখ কৰে পিতৃ সূৰ্য ভূঞাই।

বেচৰকাৰী সংস্থা ৱাৰিয়ৰ্ছৰ শিৱসাগৰ জিলা সমিতি নতুনকৈ গঠন

অসম বাৰ্তা, গেলেকী, ২৭ মে’ ঃ মহিলা সজাগতা আৰু গ্ৰামোন্নয়ন সংস্থা তথা জ্যোতিৰ্ময় সমাজ, অসম ৱাৰিয়ৰ্ছৰ শিৱসাগৰ জিলা সমিতিখন নতুনকৈ গঠন কৰা হৈছে। এই উদ্দেশ্যৰে শিৱসাগৰৰ ষ্টেচন চাৰিআলিৰ সমীপত অৱস্থিত অসম পলিটেকেনিক ইন্সটিটিউট স্কুলত অনুষ্ঠিত সভাখনৰ আঁত ধৰে প্ৰাক্তন জিলা সমিতিৰ সভাপতি প্ৰাঞ্জল প্ৰতিম বুঢ়াগোহাঁইয়ে আৰু সভাপতিত্ব কৰে জিলাৰ উপদেষ্টা ৰূপজ্যোতি নেওগ দত্তই। উল্লিখিত সভাতেই বেচৰকাৰী সংস্থাটোৰে জিলাখনৰ বিভিন্ন প্ৰান্তত কৰি অহা কামৰ পৰ্যালোচনা কৰাৰ উপৰিও ভৱিষ্যত পৰিকল্পনাৰ বিষয়েও আলোচনা কৰা হয়। সভাখনত জিলাখনৰ পূৰ্বৰ কেইবাখনো আঞ্চলিকৰ সতীৰ্থসকল উপস্থিত থাকি নিজৰ নিজৰ মত আগবঢ়াই। সভাত মন্তব্য ডাঙি প্ৰাক্তন সভাপতিয়ে ৰাজ্যখনৰ ভিতৰতে অন্যতম আগশাৰীৰ জিলা হিচাপে শিৱসাগৰৰ যি সুনাম আছে তাক অক্ষুণ্ণ ৰখাৰ বাবে জিলাখনৰ বিভিন্ন প্ৰান্তৰ সদস্য সদস্যাসকলক নিজ কৰ্মৰ মাজেৰে পৰিচয় দিবলৈ আহ্বান জনায়। এই সভাখনতেই শিৱসাগৰ জিলা সমিতিখন ভংগ কৰি কিছু নতুন সদস্য সদস্যাৰ অন্তৰ্ভুক্তিৰে মুখ্য উপদেষ্টা ৰূপজ্যোতি নেওগ দত্ত উপদেষ্টা নিলোফা আলম, ৰাহিদ আলী, কিৰণ বৰুৱা, সভাপতি প্ৰাঞ্জল প্ৰতিম বুঢ়াগোহাঁই, সম্পাদিকা ৰঞ্জুমণি বড়াক লৈ ২১ জনীয়া এখন পূৰ্ণাংগ শিৱসাগৰ জিলা সমিতি গঠন কৰা হয়।

বৰপেটা মথুৰাপুৰী শাখা সাহিত্য সভাৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু বিশেষ বাৰ্ষিক অধিৱেশন

অসম বাৰ্তা, বৰপেটা সদৰ, ২৭ মে’ ঃ অসম সাহিত্য সভাৰ শতদল শাখাৰ স্বীকৃতিপ্ৰাপ্ত বৰপেটাৰ মথুৰাপুৰী শাখা সাহিত্য সভাৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু বিশেষ বাৰ্ষিক অধিৱেশন কালিৰে পৰা তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হয়। মথুৰাপুৰী শাখা সাহিত্য সভাৰ কাৰ্যালয় চৌহদ ৰংপুৰহাটীত অনুষ্ঠিত হোৱা প্ৰতিষ্ঠা দিৱস আৰু বিশেষ বাৰ্ষিক অধিৱেশনৰ আজি মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাখন উদ্বোধন কৰে বৰপেটা সাহিত্য সভাৰ সভাপতি হিৰণ শইকীয়া লহকৰে। মুকলি সভা উদ্বোধন কৰি লহকৰে কয় একোখন সভাৰ শ্ৰেষ্ঠতম অংগ হৈছে সভাত উপস্থিত থকা দৰ্শক। মথুৰাপুৰী শাখা সাহিত্য সভাই এই অঞ্চলটোৰ পুৰুষ মহিলা যুৱক-যুৱতী সকলক সাহিত্যৰ প্ৰতি আগ্ৰহী কৰাত সফল হৈছে। মথুৰাপুৰী শাখা সাহিত্য সভাৰ সভাপতি মতিলাল পাঠকৰ সভাপতিত্বত আজি সন্ধিয়া অনুষ্ঠিত হোৱা মুকলি সভাত বিশিষ্ট অতিথিৰ ভাষণৰ লগতে বিপুল কুমাৰ দাসৰ হালধীয়া পাতৰ পানচৈ শীৰ্ষক কবিতা পুথি উন্মোচন কৰি বিশিষ্ট সাহিত্যিক শিক্ষাৰত্ন বঁটা প্ৰাপক অক্ষয় কুমাৰ মিশ্ৰই কয় যত সূৰ্যই প্ৰৱেশ কৰিব নোৱাৰে তাত কবিয়ে প্ৰৱেশ কৰিব পাৰে। কবিয়ে মানুহৰ হৃদয়ত প্ৰৱেশ কৰিব পাৰে। কিন্তু সূৰ্যই নোৱাৰে। কবি হবলৈ স্বাভাৱিক প্ৰতিভা লাগে। কবিসকলে পাঠকৰ ভাল পোৱাৰ মাজতহে জীয়াই থাকে। মিশ্ৰই কয় মোবাইলৰ কাৰণে এটা প্ৰজন্ম ধ্বংস হৈ যাবলৈ ওলাইছে। ভাৱৰ লগত ভাষাৰ মিলন, হৃদয়ৰ লগত হৃদয়ৰ মিলন ঘটে। বৰপেটা অসমীয়া ভাষা সাহিত্যৰ কঠীয়াতলি। মিশ্ৰই বৰপেটাৰ ২২খন হাটীৰ কেবাখনৰো নামৰ অৰ্থ ব্যাখ্যা কৰে। যুৱক-যুৱতী সকলক গ্ৰন্থ অধ্যয়নৰ জৰিয়তে জীৱনটো উপভোগ কৰিবলৈ মিশ্ৰই আহ্বান জনায়। অসম সাহিত্য সভাৰ লোক পৰিৱেশ্য কলা উপ সমিতিৰ কাৰ্যকৰী সভাপতি ডাঃ কমল কৃষ্ণ দাসে বিশিষ্ট অতিথিৰ ভাষণত অসম সাহিত্য সভাৰ আজীৱন সভ্য হবলৈ কবি সাহিত্যিক হব নালাগে বুলি দোহাৰি অসমীয়া ভাষা সংস্কৃতিক ভাল পোৱা সকলো লোকে অসম সাহিত্য সভাৰ সদস্য হ’ব পাৰে বুলি মন্তব্য কৰে। তেওঁ সকলো সাহিত্যিক হ’লে নহ’ব পাঠকো থাকিব লাগিব বুলি কয়। অসম সাহিত্য সভাই সকলো কাম কৰিবলৈ সক্ষম হোৱা নাই উল্লেখ কৰি ডাঃ দাসে কয় এতিয়াও অসমৰ বহু দোকান অনুষ্ঠান প্ৰতিষ্ঠানৰ চাইনবোৰ্ড বোৰ অসমীয়া কৰিব পৰা নাই। বহু চেষ্টা কৰি আছে যদিও অধিকাংশ দোকান তথা অনুষ্ঠান প্ৰতিষ্ঠানে অসম সাহিত্য সভাৰ আহ্বানক গুৰুত্ব দিয়া নাই। বৰপেটাত সংস্কৃতিৰ ভঁড়াল আছে। সাহিত্যৰ ভঁড়ালো চহকী কৰিব লাগে। অসম সাহিত্য সভাৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য দিলীপ ৰয়ে বিশিষ্ট অতিথিৰ ভাষণত কয় বৰপেটা অম্বিকাগিৰী ৰায়চৌধুৰীৰ দেশ, মাধৱদেৱৰ দেশ, মথুৰাদাস বুঢ়া আতাৰ দেশ, এতিয়া অক্ষয় কুমাৰ মিশ্ৰৰ দৰে বিশিষ্ট সাহিত্যকৰ দেশ হ’ল বৰপেটা। আমাৰ জাতিটো ৰক্ষা কৰাৰ বাবে আমি অসমীয়া ভাষা সাহিত্যক সংস্কৃতিক জানিবই লাগিব। অসমীয়া ভাষা চৰ্চাৰ মাজেদি আমি অসমীয়া জাতিটোক প্ৰাণ দিব লাগিব। কেৱল সাহিত্য সৃষ্টিৰ বাবে সাহিত্য হ’ব নালাগে বুলি ৰয়ে কয়। অসম সাহিত্য সভাৰ স্থায়ী বিত্তীয় নিধিৰ আহ্বায়ক গোবিন্দ কলিতাই বিশিষ্টৰ অতিথিৰ ভাষণত কয় অসম সাহিত্য সভাই অসমীয়া জাতিটো একত্ৰিত কৰি ৰাখিছে। আমি আমাৰ জাতিটোক জীয়াই ৰাখিবলৈ সকলো অসমীয়াই আমাৰ ভাষা সাহিত্য-সংস্কৃতিক চৰ্চা কৰিব লাগিব। অসমীয়া ভাষাক সকলো অসমীয়াই আপোন কৰি লব লাগিব। অসমীয়া ভাষা-সংস্কৃতি জীয়াই থাকিলেহে অসমীয়া জাতিটোও জীয়াই থাকিব বুলি কলিতাই মন্তব্য কৰে। মথুৰাপুৰী শাখা সাহিত্য সভাৰ সদস্যা সকলৰ দ্বাৰা চিৰ চেনেহী মোৰ ভাষা জননী গীতেৰে আৰম্ভ কৰা সভাত আদৰণি ভাষণ আগবঢ়ায় শাখাৰ উপ-সভাপতি ভাৰত চন্দ্ৰ দাসে। সভাখনৰ আঁত ধৰে মথুৰাপুৰী শাখা সাহিত্য সভাৰ সম্পাদক সন্তোষ লাল মজুমদাৰে। মুকলি সভাতে অসম চৰকাৰৰ যুৱ লেখক সন্মান ২০২৫ বঁটা প্ৰাপক সুৰজিৎ ভূঞা, হৰ্ষজিৎ ওজা, বহ্নিশিখা তালুকদাৰ আৰু মামনী দাসক সম্বৰ্ধনা জনায়। কালি মথুৰাপুৰীৰ আকাশত আইৰ জিলিকনি আৰু কুঁহিৰ চোতালত শিশুৰ কলৰৱ শীৰ্ষক অনুষ্ঠানৰ জৰিয়তে মহিলাৰ লোক সংগীত সমাৰোহ, চিত্ৰাংকন, সাধুকথা কোৱা আৰু শিশু গীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজি পুৱা সাতোৰঙী ৰামধেনু সিঁচি দিয়া ৰং শীৰ্ষক অনুষ্ঠানৰ জৰিয়তে কুইজ আৰু বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। কাইলৈ ভাগৱত পাঠেৰে মথুৰাপুৰী শাখা সাহিত্য সভাৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু বিশেষ বাৰ্ষিক অধিৱেশনৰ সামৰণি পৰিব।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগত ড° কমলাকান্ত বৰগোহাঁই সোঁৱৰণীত আধুনিক সভাকক্ষ উদ্বোধন উপাচাৰ্য্যৰ

অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, ডিব্ৰুগড়, ২৭ মে’ ঃ বিশিষ্ট গল্পকাৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ প্ৰাক্তন বিভাগীয় প্ৰধান তথা সাংবাদিকতা আৰু গণসংযোগ অধ্যয়ন কেন্দ্ৰৰ প্ৰতিষ্ঠাপক সঞ্চালক, গল্পকাৰ ড° কমলাকান্ত বৰগোহাঁইৰ স্মৃতি যুগমীয়া কৰাৰ উদ্দেশ্যেৰে বৰগোহাঁইৰ কৰ্মস্থলী ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, প্ৰাধ্যাপক ড° জিতেন হাজৰিকাই আজি (২৫-৫-২০২৬) ডংকমলাকান্ত বৰগোহাঁই মেমৰিয়েল কনফাৰেন্স হল আনুষ্ঠানিক ভাবে উদ্বাধন কৰে। উদ্বোধনী সভাত শিক্ষাতত্ত্ব বিভাগৰ মুৰব্বী অসমী চলিহাই আদৰণি ভাষণ আগবঢ়োৱা অনুষ্ঠানত বিশ্ববদ্যালয়খনৰ পঞ্জীয়কৰ ড° পৰমানন্দ সোণোৱাল, বিভিন্ন বিভাগৰ শিক্ষকসকলৰ লগতে বৰগোহাঁইৰ পৰিবাৰ মামনি গগৈ বৰগোঁহাই আৰু পৰিয়ালবৰ্গ উপস্থিত থাকে। উল্লেখযোগ্য যে ড° কমলাকান্ত বৰগোহাঁইৰ পৰিয়ালবৰ্গ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মাজত দুখন বুজাবুজিৰ চুক্তি সম্পন্ন হৈছে আৰু বৰগোহাঁইৰ পৰিয়ালৰ পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ক সৰ্বমুঠ ২৫ লাখ (প্ৰথম চুক্তি অনুসৰি ২০ লাখ আৰু দ্বিতীয় চুক্তি অনুসৰি ৫ লাখ) টকা প্ৰদান কৰা হৈছে। এই দুখন বুজাবুজি চুক্তি অনুসৰি ড° কমলাকান্ত বৰগোহাঁই স্মাৰক বক্তৃতা প্ৰদান, দীক্ষান্ত সমাৰোহত শিক্ষাতত্ত্ব বিভাগৰ স্বৰ্ণপদক প্ৰাপকক “কমলাকান্ত বৰগোহাঁই মেমৰিয়েল স্ক’লাৰশ্বিপ” প্ৰদান আৰু শিক্ষাতত্ত্ব বিভাগত কমলাকান্ত বৰগোহাঁই মেমৰিয়েল কনফাৰেন্স হল প্ৰদান কৰা হয়। গল্পকাৰ, শিক্ষাবিদ ড° কমলাকান্ত বৰগোহাঁইৰ স্মৃতিত বিদ্যায়তনিক সমাজৰ কামত অহাকৈ হাতত লোৱা এই বিভিন্ন আদৰ্শনীয় পদক্ষেপৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষ আৰু শিক্ষাতত্ত্ব বিভাগত উভয়েই ধন্যবাদৰ পাত্ৰ বুলি সমাজ সচেতন ৰাইজৰ মন্তব্য। অনুষ্ঠানত অধ্যাপক প্ৰবীন কুমাৰ গগৈয়ে সমল ব্যক্তি হিচাপে উপস্থিত থাকি ড° কমলাকান্ত বৰগোহাঁইৰ স্মৃতিক শ্ৰদ্ধাৰে সোঁৱৰে।

উচ্চতৰ মাধ্যমিকত সুখ্যাতিৰে উত্তীৰ্ণ ২১ গৰাকী শিক্ষাৰ্থীক ঘৰে-ঘৰে গৈ সম্বৰ্ধনা

চুতীয়া ছাত্ৰ সন্থাৰ ব্যতিক্ৰমী পদক্ষেপ

অসম বাৰ্তা, উজনী মাজুলী, ২৭ মে’ ঃ শেহতীয়াকৈ ঘোষিত ২০২৬ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত মাজুলী জিলাৰ চুতীয়া জনগোষ্ঠীৰ কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে দেখুওৱা উন্নত প্ৰদৰ্শনে সমগ্ৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। এই কৃতি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ লগতে তেওঁলোকৰ ভৱিষ্যত শৈক্ষিক যাত্ৰা অধিক উমাল কৰি তোলাৰ উদ্দেশ্যে ‘সদৌ অসম চুতীয়া ছাত্ৰ সন্থা’ আৰু ‘মাজুলী জিলা চুতীয়া ছাত্ৰ সন্থা’ই এক ব্যতিক্ৰমী তথা আদৰণীয় পদক্ষেপ গ্ৰহণ কৰিছে। জনগোষ্ঠীটোৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ২১ গৰাকী শিক্ষাৰ্থীক তেওঁলোকৰ নিজ নিজ বাসগৃহলৈ গৈ ৰাজহুৱাভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক ৰূপজ্যোতি বৰাৰ নেতৃত্বত যোৱা এটা প্ৰতিনিধি দলে শিক্ষাৰ্থীসকলৰ ঘৰে-ঘৰে উপস্থিত হৈ এই সম্বৰ্ধনা জনায়। সম্বৰ্ধনা কাৰ্যসূচীত সহকাৰী সাধাৰণ সম্পাদক গৰাকীক পূৰ্ণ সহযোগ কৰে মাজুলী জিলা চুতীয়া ছাত্ৰ সন্থাৰ অন্যতম প্ৰতিনিধি অৰুণ শইকীয়া, বিতুপন সেনাপতি, ৰিদিপ দত্ত আৰু বুধিন শইকীয়াই। প্ৰতিনিধি দলটোৱে কৃতি ছাত্ৰ-ছাত্ৰীসকলক ফুলাম অসমীয়া গামোচা আৰু একোখনকৈ গ্ৰন্থৰে সম্বৰ্ধনা জনোৱাৰ লগতে তেওঁলোকৰ ভৱিষ্যত জীৱনৰ উজ্জ্বল কামনা কৰে। ছাত্ৰ সন্থাৰ নেতৃবৃন্দই কয় যে এই ছাত্ৰ-ছাত্ৰীসকল কেৱল চুতীয়া জনগোষ্ঠীৰে নহয়, সমগ্ৰ মাজুলীৰে সম্পদ। তেওঁলোকৰ এই সফলতাৰ আঁৰত থকা কঠোৰ পৰিশ্ৰম আৰু অধ্যৱসায়ক সন্থাৰ তৰফৰ পৰা উচ্চ প্ৰশংসা কৰা হয়। ঘৰতে লাভ কৰা এই আশীৰ্বাদ আৰু আদৰণিয়ে কৃতি শিক্ষাৰ্থীসকলৰ লগতে তেওঁলোকৰ অভিভাৱকসকলকো নথৈ আনন্দিত আৰু আৱেগিক কৰি তোলে। ছাত্ৰ সন্থাৰ এই প্ৰশংসনীয় পদক্ষেপক এতিয়া মাজুলীৰ সচেতন মহলে একমুখে শলাগ লৈছে।

১৬৬৮টা য়াবা টেবলেটসহ এজন আটক

গোলকগঞ্জত আৰক্ষীৰ বৃহৎ সফলতা

অসম বাৰ্তা, গোলকগঞ্জ, ২৭ মে’ ঃ ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত বালাডোবা অঞ্চলত আৰক্ষীয়ে চলোৱা এক বিশেষ অভিযানত বৃহৎ পৰিমাণৰ নিচাজাতীয় ঔষধ জব্দ কৰিবলৈ সক্ষম হয়। অভিযানত আৰক্ষীয়ে ১৬৬৮টা য়াবা টেবলেট জব্দ কৰাৰ লগতে এজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰে। আটকাধীন ব্যক্তিজন আনোৱাৰ হুছেইন বুলি চিনাক্ত কৰা হৈছে। তেওঁৰ ঘৰ পশ্চিমবংগৰ বালাকুটি অঞ্চলত বুলি আৰক্ষীসূত্ৰে জানিব পৰা গৈছে। জানিব পৰা মতে, ধৃত আনোৱাৰ হোছেনে WB-63 C-3362নম্বৰৰ বেটাৰী চালিত স্কুটিৰে য়াবা টেবলেটসমূহ বিক্ৰীৰ উদ্দেশ্যে লৈ আহিছিল। আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা স্কুটিখনো জব্দ কৰে। ইফালে, বহুদিন ধৰি অভিযুক্ত ব্যক্তিজনে অসমৰ ছাগলীয়া অঞ্চলত ড্ৰাগছ সৰবৰাহৰ সৈতে জড়িত থকাৰ অভিযোগ উত্থাপিত হৈছে। ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। অভিযুক্তক সোধা-পোছা অব্যাহত ৰাখিছে গোলকগঞ্জ আৰক্ষীয়ে।

শৈশৱৰ পখিলা খেদাৰ বয়সত কঠোৰ জীৱন সংগ্ৰাম

খুমটাইৰ শেনচোৱাৰ ১২ বছৰীয়া পাৰ্থ প্ৰতীম বৰাৰ অনন্য জীৱনযুদ্ধ

অসম বাৰ্তা, খুমটাই, ২৬ মে’ ঃ যি বয়সত শিশুসকলে পখিলা খেদি খেলাধূলাত ব্যস্ত থাকে, সেই কোমল বয়সতেই কঠোৰ জীৱন সংগ্ৰামৰ মাজেৰে দিন কটাইছে গোলাঘাট জিলাৰ খুমটাই সমষ্টিৰ শেনচোৱা গাঁৱৰ ১২ বছৰীয়া কিশোৰ পাৰ্থ প্ৰতীম বৰাই। শৈশৱৰ সোণালী দিনবোৰত ভৱিষ্যতৰ সপোন ৰচাৰ সময়ত পাৰ্থই আজি জীৱনৰ তিক্ত বাস্তৱতাৰ সৈতে যুঁজ দি পৰিয়ালৰ দায়িত্ব কাঁধত তুলি লৈছে। সৰুতেই মাতৃৰ মৰমৰ পৰা বঞ্চিত হোৱা পাৰ্থ প্ৰতীমৰ জীৱনত কিছুদিন পিছতেই নামি আহে আন এক দুঃসময়। পিতৃৰ মৃত্যুৰ পিছত সম্পূৰ্ণ অসহায় হৈ পৰে শিশুটি। এতিয়া চকুৰে নেদেখা বৃদ্ধা আইতাকেই হৈছে পাৰ্থৰ একমাত্ৰ আপোনজন। আইতাকৰ ভৰসা আৰু সংসাৰৰ একমাত্ৰ সাৰথি হিচাপে কণমানি পাৰ্থই প্ৰতিদিনে চাইকেলত পাচলি লৈ বিক্ৰী কৰি কোনোমতে ঘৰখন চলাই আছে। শিশুটিৰ এই সংগ্ৰামময় জীৱনৰ কথা জানিব পাৰি খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াই পাৰ্থ প্ৰতীমক এখন চাইকেল প্ৰদান কৰিছিল। সেই চাইকেলখনেই এতিয়া পাৰ্থৰ জীৱনযুদ্ধৰ মূল সম্বল। ফুলকুমলীয়া কান্ধত সংসাৰৰ গধুৰ বোজা লৈ কণমানি পাৰ্থই গাঁওয়ে গাঁওয়ে পাচলি বিক্ৰী কৰি আইতাকৰ মুখত আহাৰ জোগাই আহিছে। অভাৱ-অনাটনৰ মাজতো শিক্ষাৰ প্ৰতি গভীৰ আগ্ৰহ হেৰুৱাই নাই পাৰ্থ প্ৰতীমে। শেনচোৱা বাপুজী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ পাৰ্থই নিয়মীয়াকৈ বিদ্যালয়লৈ গৈ পঢ়া-শুনা অব্যাহত ৰাখিছে। কঠোৰ জীৱন সংগ্ৰামৰ মাজতো তেওঁৰ মনত আছে এটি সপোন-ভৱিষ্যতে এজন আদৰ্শ খেতিয়ক হোৱাৰ। পাৰ্থ প্ৰতীম বৰাৰ এই জীয়া সংগ্ৰামৰ কাহিনীয়ে সমাজক এক গভীৰ বাৰ্তা দিয়ে। জীৱনৰ প্ৰতিকূল পৰিস্থিতিৰ সন্মুখীন হৈও আশা আৰু সাহস হেৰুৱাই নোযোৱা এই কিশোৰে বহুজনৰ বাবে প্ৰেৰণাৰ উৎস হৈ পৰিছে।

নগাঁও জিলা আয়ুক্তলৈ স্মাৰক পত্ৰ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ৰহা আঞ্চলিক সমিতিৰ

ৰহাত ৰন্ধন গেছ যোগানৰ নামত সাধাৰণ ৰাইজৰ সমস্যা দুৰ কৰাৰ লগতে গেছ যোগানৰ নামত ক’লা বজাৰ ৰোধৰ দাবী

অসম বাৰ্তা, ৰহা, ২৭ মে’ ঃ মূল্যবৃদ্ধিয়ে ৰাজ্যৰ জনসাধাৰণক মাধমাৰ সোধোৱাৰ সময়তে শেহতীয়াকৈ ৰন্ধন গেছ যোগানৰ নামতো সাধাৰণ গ্ৰাহকে চৰম বিপৰ্যয়ৰ সন্মুখীন হোৱাৰ অভিযোগ উঠিছে। ৰহাতো ৰন্ধন গেছৰ সমস্যাই গ্ৰাহকক জুৰুলা কৰাৰ অভিযোগ উঠিছে। ৰন্ধন গেছৰ নাটনিৰ বাবেই ৰহা অঞ্চলত বহু কেইখন হোটেল ৰেষ্টুৰেণ্ট বন্ধ হোৱাৰ উপক্ৰম হোৱাৰ লগতে হোটেলত অত্যধিক দামত বাণিজ্যিক চিলিণ্ডাৰ কিনিবলগীয়া হোৱাত খাদ্য সামগ্ৰী পূৰ্বৰ নিৰিখত বিক্ৰী কৰাটোৰেই সমস্যা সৃষ্টি হোৱাত খাদ্য তালিকাৰ নিৰিখ বৃদ্ধি কৰিবলগীয়াত পৰিছে। আনহাতেদি ঘৰুৱা চিলিণ্ডাৰ লাভৰ ক্ষেত্ৰতো দেখা দিয়া পৰিস্থিতিত সৰ্বসাধাৰণ গ্ৰাহকৰ ভীষণ সমস্যাৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। বিশেষকৈ বহু ক্ষেত্ৰত গেছ বুকিং কৰিও সময়ত DAC নম্বৰ লাভ নকৰা, বুকিং কৰিও কেবাদিনলৈকে গেছ নোপোৱাৰ বাবে বহু দিনলৈ গ্ৰাহকে গেছ চিলিণ্ডাৰৰ বাবে এতিয়া তাতবাটি কাঢ়িবলগীয়া হৈছে। ৰহাতো এতিয়া দেখা গৈছে চিলিণ্ডাৰৰ বাবে গ্ৰাহকৰ দীঘলীয়া শাৰী। ইপিনে গেছৰ নাটনিৰ সুবিধা গ্ৰহণ কৰি ৰহাৰ একাংশ গেছ এজেন্সীৰ লগতে একাংশ দালালে অধিক ধন লৈ গেছৰ যোগান ধৰা বুলিও অভিযোগ কৰিছে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে। পৰিষদৰ ৰহা আঞ্চলিক সমিতিয়ে এই সন্দৰ্ভত ৰহা সমজিলা আয়ুক্তৰ জৰিয়তে অলপতে নগাঁও জিলা আয়ুক্তলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰি গেছ যোগানৰ নামত হোৱা গ্ৰাহকৰ সমস্যাৰ বিষয়ে উল্লেখ কৰাৰ লগতে গেছৰ নাটনিৰ সুযোগ গ্ৰহণ কৰি ৰহাৰ একাংশ গেছ এজেন্সীয়ে অনিয়মত লিপ্ত হোৱাৰ অভিযোগ তুলি বহু সময়ত বুকিং কৰা গ্ৰাহকৰ বিপৰীতে বেলেগ ব্যক্তিয়ে গেছ লৈ যোৱা বুলিও অভিযোগ কৰা হৈছে। স্মাৰক পত্ৰখনত পৰিষদে ৰহা অঞ্চলৰ অন্তৰ্গত সকলো গেছ এজেঞ্চিৰ শেহতীয়া কাৰ্যকলাপৰ তৎকালীনভাৱে তদন্ত কৰাৰ লগতে গেছ যোগানৰ নামত কলা বজাৰ ৰোধ কৰি গেছ যোগান সম্পূৰ্ণৰূপে স্বাভাৱিক কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা, DAC সমূহ সময়মতে দিয়াৰ ব্যৱস্থা কৰি বুকিংৰ পিচতে গেছ চিলিণ্ডাৰ পোৱাৰ ব্যৱস্থা কৰাৰ লগতে গেছৰ কৃত্ৰিম নাটনিৰ সৃষ্টি কৰি অবৈধ ব্যৱসায়ত লিপ্ত হোৱা সকলৰ বিৰুদ্ধে তৎকালীন ব্যৱস্থা গ্ৰহণৰ দাবী জনোৱা হৈছে। অন্যথাই পৰিষদে ইয়াৰ বিৰুদ্ধে শীৰ্ঘে গণতান্ত্ৰিক আন্দোলন আৰম্ভ কৰিব বুলিও কোৱা হৈছে।

এগৰাকী মহিলা গুৰুতৰভাৱে আহত

চামগুৰিৰ গেৰুৱামুখত বিজেপি সমৰ্থকৰ ঘৰত কংগ্ৰেছৰ গুণ্ডা বাহিনীৰ আক্ৰমণ

অসম বাৰ্তা, পুৰণিগুদাম, ২৭ মে’ ঃ নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ অধীনৰ আৰু খাটোৱাল আৰক্ষী থানাৰ অন্তৰ্গত গেৰুৱামুখ অঞ্চলত যোৱা কালি ৰাজনৈতিক সংঘাতৰ আলম লৈ ভূমিকেন্দ্ৰিক সংঘাতৰ প্ৰতিশোধ পূৰণৰ লক্ষ্যৰে ছয়জনীয়া কংগ্ৰেছৰ গুণ্ডা বাহিনীয়ে এজন বিজেপি কৰ্মীৰ ঘৰত আক্ৰমণ কৰাৰ অভিযোগ উঠিছে। লগতে কংগ্ৰেছ কৰ্মীৰ আক্ৰমণত এগৰাকী মহিলা গুৰুতৰভাৱে আহত হয় বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, খাটোৱাল আৰক্ষী থানাৰ অন্তৰ্গত গেৰুৱামুখ অঞ্চলৰ বিজেপি সমৰ্থক আব্দুল ৰফিক নামৰ লোকজনৰ বাসগৃহত কালি ছয়জনীয়া কংগ্ৰেছী লোকে চোকা অস্ত্ৰ লৈ প্ৰৱেশ কৰি ৰফিকক আক্ৰমণ কৰাৰ সময়ত তেওঁ পত্নী বোচা মিবা বেগম আগবাঢ়ি যোৱাত আক্ৰমণকাৰী দলটোৱে মিবা বেগমক পেটত গোৰ মাৰি গুৰুতৰভাৱে আহত কৰে বুলি অভিযোগ উত্থাপন কৰিছে পৰিয়ালটোৱে। উক্ত ঘটনা সংঘটিত হোৱাৰ পিছত খাটোৱাল আৰক্ষী থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। উক্ত ঘটনাৰ সন্দৰ্ভত আহত মহিলা গৰাকীৰ পৰিয়ালৰ লোকে খাটোৱাল আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। পৰিয়ালৰ অভিযোগ ভিত্তিত আৰক্ষীয়ে মজিবুৰ ৰহমান, আজিবুৰ ৰহমান, আব্দুল বাৰিক, নাজিমূল হক, এবাদুল ইছলাম আৰু আলম নামৰ লোককেইজন আটক কৰে বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে। আৰক্ষীয়ে আটক কৰা লোককেইজনক আজি নগাঁও আদালতত হাজিৰ কৰাই জেল হাজোতলৈ প্ৰেৰণ কৰে বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে। আনহাতে, পৰিয়ালকেন্দ্ৰিক ভূমি বিবাদৰ কাৰণে উক্ত ঘটনাটো সংঘটিত হোৱা বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে। উক্ত ঘটনাত গুৰুতৰভাৱে আহত হোৱা মিবা বেগম বৰ্তমান চিকিৎসাধীন অৱস্থাত আছে বুলি জানিব পৰা গৈছে।

বিজেপি মিত্ৰজোঁটৰ চৰকাৰক তীব্ৰ সমালোচনা

অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰী আৰু পেট্ৰ’ল-ডিজেলৰ দামবৃদ্ধিকলৈ ক্ষুব্ধ জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ

অসম বাৰ্তা, পুৰণিগুদাম, ২৭ মে’ ঃ অসমত তৃতীয়বাৰলৈ শাসনলৈ আহিয়েই অত্যাৱশ্যকীয় খাদ্যসামগ্ৰী, পেট্ৰ’ল আৰু ডিজেলৰ দামবৃদ্ধিৰে জনতাক মাধমাৰ সোধোৱাত লৈ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ পুৰণিগুদাম আঞ্চলিক সমিতি জাঙুৰ খাই উঠিছে। আজি বজাৰত প্ৰতিবিধ সামগ্ৰীৰ আকাশলংঘী দামবৃদ্ধিক লৈ সংগঠনটো সৰৱ হৈ পৰে। সংগঠনটোৰ নগাঁও জিলা সমিতিৰ উপ-সভাপতি চন্দন ফুকনে ক্ষোভ উজাৰি কয় যে, চৰকাৰে কৈছিলে এটা আৰু আনহাতে কৰি আছে এটা। যিখন চৰকাৰে আঁচনিৰ ওপৰত আঁচনি লৈ আছে তাৰ মাধমাৰ কিন্তু সাধাৰণ জনতাৰ ওপৰত পেলাই গৈছে। ছাত্ৰ নেতাজনে নগতে কয়, পেট্ৰ’ল আৰু ডিজেলৰ মূল্য ১০ দিনৰ ভিতৰতে ৪ বাৰকৈ বৃদ্ধিক কৰাকলৈ চৰকাৰখনক তীব্ৰ সমালোচনা কৰে। ইফালে, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ পুৰণিগুদাম আঞ্চলিক সমিতিৰ সভাপতি প্ৰাণকৃষ্ণ ডেকাই কয় যে, ৰাজ্যত জীৱন দায়িনী ঔষধ, অভাৱনীয়ভাৱে খাদ্য সামগ্ৰীৰ মূল্যবৃদ্ধিৰে জনসাধাৰণক কোঙা কৰিব বিচাৰিছে। ছাত্ৰ নেতাজনে লগতে কয় যে, অসমীয়া ৰাইজে বিজেপিক যিধৰণে মৰম দিছিল চৰকাৰখনে তাৰ বিপৰীত ছবি এখনহে দাঙি ধৰিছে। পৰিষদৰ পুৰণিগুদাম আঞ্চলিক সমিতিৰ সম্পাদক মাহমুদৰ ৰহমানে কয় যে, পুৱা শুই উঠিয়েই বাতৰি কাকত বা টিভিৰ সন্মুখত দামবৃদ্ধিৰ হেডলাইন পঢ়িব লাগে। এতিয়া যুদ্ধৰ দোহাই দিয়া চৰকাৰে কিছুদিন পূৰ্বেই কৈছিলে পৰ্যাপ্ত পৰিমাণৰ তেল, গেছ মজুত আছে। তাৰ পিছত আজি নিৰ্বাচনৰ শেষত কেনেকৈ দাম বৃদ্ধি হ’বলৈ পালে ? ইয়াৰ উপৰিও পুৰণিগুদাম, চামগুৰি আদি বিভিন্ন অঞ্চলত গেছ ছিলিণ্ডাৰৰ লগতে বিভিন্ন সামগ্ৰীৰ ক’লা বজাৰ আৰম্ভ হোৱাৰ এক গুৰুতৰ অভিযোগ তুলিছে।

চাকৰিৰ প্ৰলোভনেৰে যুৱতীক হোটেলৰ কোঠাত আৱদ্ধ কৰি অসৎ কাৰ্যৰ চেষ্টা

■ প্ৰাক্তন হোমগাৰ্ড হেমন্ত দাস গ্ৰেপ্তাৰ ■

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ২৭ মে' ঃ চাকৰিৰ প্ৰলোভন দি এগৰাকী যুৱতীক হোটেলৰ কোঠাত আৱদ্ধ কৰি অসৎ কাৰ্য চলোৱাৰ চেষ্টা কৰা এক ভয়ংকৰ ঘটনা পোহৰলৈ আহিছে গোৱালপাৰাত। এই ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে হেমন্ত দাস নামৰ এজন লম্পট প্ৰাক্তন হোমগাৰ্ডক গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰিছে। ধৃত হেমন্ত দাসৰ ঘৰ গোৱালপাৰা জিলাৰ মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত ডুবাপাৰাত বুলি জানিব পৰা গৈছে। ঘটনাৰ বিৱৰণ অনুসৰি, অভিযুক্ত হেমন্ত দাসে নিজকে এজন চৰকাৰী বিষয়া বুলি পৰিচয় দি দুধনৈৰ এগৰাকী যুৱতীক চাকৰি দিয়াৰ প্ৰলোভন দিছিল। সেই মৰ্মে ২৫ মে'ত চাকৰিৰ আশা লৈ অহা যুৱতীগৰাকীক তেওঁ গোৱালপাৰা আয়ুক্ত কাৰ্যালয়লৈ লৈ যায়। পৰৱৰ্তী সময়ত দুপৰীয়া ভোজন কৰাৰ চলেৰে যুৱতীগৰাকীক এখন হোটেললৈ লৈ যায় আৰু তাত এটা কোঠাত আৱদ্ধ কৰে। যুৱতীগৰাকী বাথৰুমলৈ যোৱাৰ সুযোগ লৈ লম্পট হেমন্তই কোঠাৰ দুৱাৰ বন্ধ কৰি দিয়ে আৰু যুৱতী গৰাকীৰ সৈতে অশালীন আচৰণ কৰিবলৈ চেষ্টা কৰে। পাছত নিৰ্যাতিতা যুৱতীগৰাকীয়ে সাহস গোটাই কোনোমতে লম্পটটোৰ কবলৰ পৰা পলাই আহিবলৈ সক্ষম হয় আৰু স্থানীয় ৰাইজৰ সহযোগত ঘৰলৈ খবৰ দিয়ে। তেতিয়া ঘৰৰ মানুহে যুৱতী গৰাকীক ঘৰলৈ লৈ আহি। ঘৰলৈ আহি পৰিয়ালৰ মানুহৰ সৈতে দুধনৈ আৰক্ষী থানাত উপস্থিত হৈ এক গোচৰ তৰে আৰু সকলো কথা বিবৰি কয়। অভিযোগ লাভ কৰাৰ পিছতেই দুধনৈ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভাৰ্গৱ বৰবৰাৰ নেতৃত্বত আৰক্ষীৰ এটা দলে অভিযুক্ত হেমন্ত দাসৰ মোবাইল ফোন ট্ৰেকিং কৰে। অৱশেষত মৰনৈ আৰু মাটিয়া আৰক্ষীৰ সহযোগত নিজ বাসগৃহৰ পৰাই হেমন্ত দাসক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীক দেখা পাই অভিযুক্তই পলায়নৰ চেষ্টা চলাই ছিল যদিও আৰক্ষীৰ তৎপৰতাত সি সাৰি যাব নোৱাৰিলে। ধৃত হেমন্ত দাসৰ বিৰুদ্ধে দুধনৈ আৰক্ষী থানাত ভুক্তভোগী পৰিয়ালৰ তৰফৰ পৰা ২২/২৬ নম্বৰত এক গোচৰ পঞ্জীয়ন কৰা হৈছে। আৰক্ষীয়ে ভাৰতীয় ন্যায় সংহিতা (BNS)ৰ ৭৫, ১১৫(২), ১২৭(২), ৩১৮(৪) আৰু ৩০৮(২) ধাৰাৰ অধীনত গোচৰ ৰুজু কৰি লম্পটটোক ইতিমধ্যে গোৱালপাৰা জেল হাজোতলৈ প্ৰেৰণ কৰিছে। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, অভিযুক্ত হেমন্ত দাস পূৰ্বে অসম আৰক্ষীৰ এজন হোমগাৰ্ড হিচাপে কৰ্মৰত আছিল। কেৱল এয়াই নহয়, এই লম্পটটোক ইয়াৰ পূৰ্বেও বিভিন্ন আৰক্ষী থানাত যুৱতীক অশালীন আচৰণ কৰাৰ অভিযোগত অভিযুক্ত কৰা হৈছিল। চাকৰিৰ নামত এনেদৰে এগৰাকী যুৱতীৰ জীৱন আৰু সৰ্বস্ব লুটিবলৈ চেষ্টা কৰা এই লম্পটটোৰ বিৰুদ্ধে দৃষ্টান্তমূলক কঠোৰ শাস্তিৰ দাবী উত্থাপন কৰিছে স্থানীয় ৰাইজে।

মৃতকৰ নামত দালালি; ডুমডুমাত দুৰ্ঘটনাত নিহতৰ পৰিয়ালক প্ৰতাৰণা কৰি ৬ লাখ টকা আত্মসাতৰ গুৰুতৰ অভিযোগ

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৭ মে' ঃ মানৱতাৰ চৰম স্খলন/ এক কৰুণ পথ দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা মাতৃ-পুত্ৰৰ মৃত্যুৰ সুযোগ লৈ এইবাৰ টকাৰ দালালি কৰাৰ এক চাঞ্চল্যকৰ অভিযোগ উত্থাপিত হৈছে ডুমডুমাত। দুৰ্ঘটনা সংঘটিত কৰা পক্ষৰ পৰা বুজন পৰিমাণৰ ধন সংগ্ৰহ কৰি একাংশ দালালে শোকাকুল পৰিয়ালটোক প্ৰতাৰণা কৰা ঘটনাই সমগ্ৰ অঞ্চলটোতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্যযোগ্য যে, যোৱা ১৬ মে' তাৰিখে তিনিচুকীয়া জিলাৰ ডুমডুমা থানাৰ অন্তৰ্গত চামদাং চাহ বাগিছাত এক ভয়াবহ পথ দুৰ্ঘটনা সংঘটিত হৈছিল। তিনিচুকীয়াৰ দিশৰ পৰা অহা এখন তীব্ৰবেগী চাৰিচকীয়া বাহন(AR 20A - 0364)এই মহতিয়াই নিয়াত চামদাং পাভজান গাঁৱৰ লাজন্তী ওৰাং (৪৫) আৰু তেওঁৰ পুত্ৰ বিকাশ ওৰাং (২০) থিতাতে নিহত হৈছিল। আনহাতে, কান্দৰো ওৰাং (৪০) নামৰ আন এজন যুৱক গুৰুতৰভাৱে আহত হৈছিল। এই সন্দৰ্ভত ভুক্তভোগী পৰিয়ালে ১৮ মে'ত ডুমডুমা থানাত এক এজাহাৰ দাখিল কৰিছিল। আৰক্ষীৰ তদন্ত চলি থকাৰ মাজতে সম্প্ৰতি পোহৰলৈ আহিছে এক ভয়ংকৰ তথ্য। অভিযোগ অনুসৰি, চামদাং পাভজন গাঁৱৰে সুশীল ওৰাং আৰু অমৰ ভূমিজ নামৰ দুজন যুৱকে দুৰ্ঘটনাটোৰ সুযোগ লৈ দালালিত লিপ্ত হৈছিল। তেওঁলোকে অৰুণাচল প্ৰদেশৰ দুৰ্ঘটনা সংঘটিত কৰা পক্ষৰ সৈতে গোপন বুজাবুজি কৰি সংগোপনে ৬ লাখ টকা হস্তগত কৰে। অভিযুক্ত যুৱক দুজনে মৃত মাতৃ-পুত্ৰৰ অভিভাৱক জিতেন ওৰাঙক ফুচুলাই এখন গাড়ীৰে ডুমডুমা নগৰলৈ লৈ আহে। তাত তেওঁলোকে এক চক্ৰান্ত কৰি জিতেন ওৰাঙক এখন বগা কাকতত স্বাক্ষৰ কৰোৱাই মাত্ৰ ৫০ হাজাৰ টকা দি ঘৰত থৈ আহে। বাকী ৫.৫ লাখ টকা দালালি কৰা যুৱক দুজনে নিজেই আত্মসাৎ কৰে। পৰৱৰ্তী সময়ত পৰিয়ালৰ আন সদস্যসকলে এই সমগ্ৰ প্ৰতাৰণাৰ বিষয়ে অৱগত হয়। পুত্ৰ আৰু পত্নীক হেৰুৱাই শোকত ভাগি পৰা অসহায় জিতেন ওৰাঙক এনেদৰে উকা কাগজত চহী কৰাই টকা আত্মসাৎ কৰা কাৰ্যই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। সচেতন মহলে ইয়াক অত্যন্ত দুৰ্ভাগ্যজনক আখ্যা দিছে। অৱশেষত আজি পৰিয়ালৰ লোকে এই চক্ৰান্তত জড়িত দুই অভিযুক্ত সুশীল ওৰাং আৰু অমৰ ভূমিজৰ বিৰুদ্ধে ডুমডুমা থানাত এখন এজাহাৰ দাখিল কৰে। স্থানীয় ৰাইজে মৃতকৰ নামত দালালি কৰা এই দুই অভিযুক্তক অতিশীঘ্ৰে গ্ৰেপ্তাৰ কৰি উচিত শাস্তি প্ৰদান কৰিবলৈ প্ৰশাসনৰ ওচৰত জোৰদাৰ দাবী জনাইছে।

বৰডুমচাৰ ২ নং কনাই পথাৰত আছাৰ উদ্যোগত মেধাৱী ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্ধনা অনুষ্ঠান

অসম বাৰ্তা, বৰডুমচা, ২৭ মে' ঃ তিনিচুকীয়া জিলাৰ বৰডুমচাৰ ২ নং কনাই পথাৰত আজি সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছাৰ বৰডুমচা আঞ্চলিক সমিতিৰ উদ্যোগত আয়োজন কৰা হয় এক গৌৰৱময় সম্বৰ্ধনা অনুষ্ঠান। HSLC আৰু HS পৰীক্ষাত উত্তীৰ্ণ হোৱা মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ আৰু প্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে নৱজ্যোতি প্ৰাথমিক বিদ্যালয়ৰ প্ৰাঙ্গনত অনুষ্ঠিত হয় এই অনুষ্ঠান। অনুষ্ঠানত চলিত বৰ্ষৰ বহু কৃতী ছাত্ৰ-ছাত্ৰীক ফুলাম গামোচা, মানপত্ৰ আৰু শুভেচ্ছাৰে সম্বৰ্ধনা জনোৱা হয়। শিক্ষাৰ ক্ষেত্ৰত কৃতিত্ব অৰ্জন কৰা শিক্ষাৰ্থীসকলক আগন্তুক দিনত অধিক সফলতা অৰ্জন কৰিবলৈ আহ্বান জনায় উপস্থিত অতিথিসকলে। সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকে আছা তিনিচুকীয়া জিলা সমিতিৰ উপ সভাপতি মাতিয়াজ হেমৰম, বৰডুমচা আঞ্চলিক সমিতিৰ সভাপতি চেম হেমৰম, গোৰ্খা ছাত্ৰ সন্থাৰ মাধৱপুৰ-বৰডুমচা আঞ্চলিক সমিতিৰ সভাপতি নৰ প্ৰধানকে ধৰি বিভিন্ন দল-সংগঠনৰ নেতৃত্ব, সমাজকৰ্মী, বিশিষ্ট ব্যক্তি তথা স্থানীয় গণ্যমান্য লোকসকল। অনুষ্ঠানত বক্তাসকলে শিক্ষাৰ প্ৰয়োজনীয়তাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি নতুন প্ৰজন্মক শিক্ষাৰ জৰিয়তে সমাজ আৰু জাতিক আগুৱাই নিয়াৰ আহ্বান জনায়। ইফালে আয়োজক সমিতিৰ ফালৰ পৰা জানিবলৈ দিয়া মতে, সমাজত শিক্ষাৰ অনুকূল পৰিৱেশ গঢ়ি তোলা, ছাত্ৰ-ছাত্ৰীসকলৰ মনোবল বৃদ্ধি কৰা আৰু আগন্তুক দিনত অধিক শিক্ষামুখী সমাজ গঢ়াৰ লক্ষ্যৰে এই অনুষ্ঠান আয়োজন কৰা হৈছে।

হৃদয়বান লোকৰ পৰা বিচাৰিছে সহায়ৰ হাত

ত্ৰিশৰ দেওনা পাৰ নহওতেই দুয়োটা কিডনী বিকল দলগাঁৱৰ জিন্নত আলীৰ

অসম বাৰ্তা, দলগাঁও, ২৭ মে' ঃ ভাগ্য নামৰ সত্তাক প্ৰতিজনেই বিশ্বাস কৰে। কেতিয়াবা এই ভাগ্য নামৰ সত্তাই কাৰোবাৰ জীৱনত আনন্দৰ ৰং সানে আন কাৰোবাৰ বাবে হতাশাৰ দেৱাল নিৰ্মাণ কৰে। আশাৰ পোহৰত ভাগ্যৰ সন্ধান কৰোঁতে বহুতেই ঢলি পৰে হতাশাৰ কোলাত। জীৱন নামৰ প্ৰদীপ নুমি যাব ধৰা ছবি স্বচক্ষে প্ৰত্যক্ষ কৰাৰ নজিৰ বিদ্যমান আছে দৰং জিলাৰ দলগাঁও থানাৰ অন্তৰ্গত খাৰপুৰী চাপৰি হাবি গাঁৱত। শিক্ষা জীৱন বা যৌৱনৰ আৰম্ভণিৰ বেলাত কাল্পনিক কলমৰ চিয়াঁহীত মনৰ ফলকত আঁকি থোৱা সপোন পূৰণৰ, বয়সৰ যুখত উৎকৃষ্ট সময় হল ত্ৰিশ। শিক্ষা জীৱন সমাপ্ত কৰি সৰু এটা দোকান কৰি সপোনৰ পাহিত ৰং সনাৰ সময়তে ত্ৰিশৰ দেওনা পাৰ নহওতেই দুয়োটা কিডনী বিকল হৈছে জিন্নত আলীৰ। বিগত চাৰি মাহ ধৰি চিকিৎসালয়, চিকিৎসকৰ দুৱাৰে দুৱাৰে ঘূৰিও তেওঁৰ কিডনী দুটা ৰোগ মুক্ত কৰিব নোৱাৰিলে। বৰঞ্চ দিনে দিনে জটিলৰ পৰা জটিল হৈ পৰিল বেমাৰৰ সংজ্ঞা। বিভিন্ন ধৰণৰ পৰীক্ষা নিৰীক্ষাৰ শেষত চিকিৎসকে নিশ্চিত কৰিলে যে তেওঁৰ দুয়োটা কিডনী সম্পূৰ্ণভাৱে বিকল হৈছে। বৰ্তমান সপ্তাহত দুদিন ডায়েলেচিছ কৰি জীয়াই থাকিব লগা হৈছে জিন্নত আলী। ডায়েলেছিচ যেন এতিয়া তাৰ জীৱন ধৰি ৰখাৰ আহিলা। সপ্তাহত দুটা ডায়েলেচিছৰ বাবত খৰচ হয় দহ হেজাৰ টকা। যিটো তাৰ পৰিয়ালৰ বাবে ব্যয় কৰা বহুত কষ্টকৰ। দীৰ্ঘ দিন চিকিৎসাৰ খৰচ বহন কৰি সঞ্চয় কৃত ধন খৰচ হোৱাৰ উপৰি ঘৰৰ ভেটি স্বৰূপ মাত্ৰ আধা বিঘা মাটি। তাৰ পৰা এক কঠা মাটি বিক্ৰী কৰি পোৱা টকা খৰচ কৰি আছে চিকিৎসাৰ নামত। চিকিৎসকৰ মতে সক্ৰিয় কিডনী তাৰ দেহাত প্ৰতিষ্ঠাপন (Transplant) কৰিলে সুস্থ হোৱাৰ সম্ভাৱনা আছে জিন্নত আলীৰ। ইয়াৰ বাবে হেজাৰ নহয় লাখৰ ঘৰত প্ৰয়োজন হৈছে টকাৰ। যাক এই দুৰ্ভগীয়া পৰিয়ালটোৱে অকলে বহন কৰা সম্ভৱ নহয়। ইয়াৰ বাবে প্ৰয়োজন হ'ব সৰ্ব স্তৰৰ হৃদয়বান লোকৰ সহায়ৰ হাত। এইজটিল সময়ত উচ্চ শিক্ষিত তেজাল ডেকা জনক আৰ্থিক ভাৱে সহায় কৰি তাক জীয়াই থকাত সহায় কৰাৰ আহ্বান জনাইছে পৰিয়ালৰ লোকে। জিন্নত আলীৰ যোগাযোগ নম্বৰ -93652 98849 আৰু একাউণ্ট নম্বৰটো হ'ল ভাৰতীয় ষ্টেট বেংকৰ কৌপাটী শাখাৰ 43296544078 আইএফছি কোড নং- SBIN0007431।

নগাঁৱত অসম ভিত্তিত গল্প আৰু কবিতা প্ৰতিযোগিতাৰ আয়োজন

অসম বাৰ্তা, পুৰণিগুদাম, ২৭ মে' ঃ সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ নগাঁও শাখাৰ উদ্যোগত প্ৰতি বছৰৰ দৰে এইবাৰো অসম ভিত্তিত নলিনী দেৱান মৰলৰ স্মৃতিত গল্প আৰু কবিতা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। সেয়েহে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুক মহিলা প্ৰতিযোগীসকলক অহা ১৫ জুনৰ ভিতৰত প্ৰিয়ম্বদা শইকীয়া বৰা, সম্পাদিকা- লেখিকা সমাৰোহ সমিতি, পুথিঘৰ প্ৰেছ, ঢাকাইপট্টি, নগাঁও-০১, ফোন- ৯৯৫৪০০৫২৬১ ঠিকনালৈ প্ৰেৰণ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

হাউলীৰ মৌটুপুৰী গাঁৱত যুৱকৰ মৃতদেহ উদ্ধাৰ

অসম বাৰ্তা, কুমুল্লী পৰা, ২৭ মে' ঃ বৰপেটা জিলাৰ হাউলীৰ মৌটুপুৰী গাঁৱত সোমবাৰে এক শোকাৱহ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰে। গাঁওখনত ভাৰাতীয়া হিচাপে বসবাস কৰা এজন যুৱকৰ মৃতদেহ চীপ লোৱা অৱস্থাত উদ্ধাৰ হোৱা ঘটনাই অঞ্চলজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মৃত যুৱকজন সীমান্ত দাস বুলি চিনাক্ত কৰা হৈছে। জানিব পৰা মতে, তেওঁ হাউলী বিএইচ কলেজত বিবিএ বিভাগৰ শিক্ষাৰ্থী আছিল। তেওঁ অধ্যয়নৰ সুবিধাৰ্থে মৌটুপুৰী গাঁৱত ভাৰাতীয়া হিচাপে বাস কৰি আছিল। স্থানীয় লোকে ঘটনাটোৰ বিষয়ে অৱগত হোৱাৰ পিছতে আৰক্ষীক খবৰ দিয়ে। আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। প্ৰাথমিকভাৱে ই আত্মহত্যাৰ ঘটনা বুলি সন্দেহ কৰা হৈছে যদিও ঘটনাৰ প্ৰকৃত কাৰণ উদঘাটনৰ বাবে আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। ইফালে, সীমান্ত দাসৰ ঘৰ বৰপেটা জিলাৰ ভেল্লা, নগাঁও অঞ্চলত বুলি জানিব পৰা গৈছে। এই আকস্মিক ঘটনাই পৰিয়াল, সহপাঠী আৰু স্থানীয় লোকসকলৰ মাজত গভীৰ শোকৰ ছাঁ পৰা পৰিলক্ষিত হৈছে।

চিকিৎসক হ'ল কৃষকৰ সন্তান বেনান বাৰ্ল্লা, 'আছা'ৰ শুভেচ্ছা

উৰুঙা পঁজাৰ পৰা চিকিৎসক হোৱাৰ সপোন বাস্তৱায়িত

অসম বাৰ্তা, লীলাবাৰী, ২৭ মে' ঃ উৰুঙা পঁজাৰ পৰা বেনান বাৰ্ল্লাই সপোন দেখিছিল ডাক্তৰ হোৱাৰ। সদ্যঘোষিত চিকিৎসা বিজ্ঞানৰ 'Bachelor of Dental Surgery' (BDS)ৰ চূড়ান্ত পৰীক্ষাত বেনান বাৰ্ল্লাই অসম চিকিৎসা মহাবিদ্যালয়ৰ ডিব্ৰুগড় চৌহদৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হৈ লখিমপুৰ জিলাৰ কদম অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনে। কদম মৰিদীৰ্ঘাৰ কৃষক বেনেদিক বাৰ্ল্লা আৰু মণিকা বাৰ্ল্লাৰ জ্যেষ্ঠ পুত্ৰ বেনানে স্পষ্ট সপোন দেখাৰ লগতে মাক-দেউতাকৰ সৈতে পথাৰত হাল বাই, বোকা-পানী গচকি কদম মৰিদীৰ্ঘা গাঁৱৰ পৰা চাইকেল কোবাই আহিছিল উত্তৰ লখিমপুৰ চহৰলৈ বিজ্ঞানৰ স্নাতক হ'বলৈ। ফুটবলৰ দুৰ্ধৰ্ষ ষ্ট্ৰাইকাৰ হিচাপে জনাজাত বেনান বাৰ্ল্লাই জিলা পৰ্যায়ৰ বহুকেইখন সন্মানীয় ফুটবল প্ৰতিযোগিতাত সন্মান অৰ্জন কৰাৰ সমান্তৰালকৈ নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ আন্তঃবিভাগ ফুটবল প্ৰতিযোগিতাত একেৰাহে দুটা বছৰ গ'ল্ডেন বুট আৰু সৰ্বাধিক গ'লদাতাৰ সন্মান আজুৰি আনিছিল। নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ পৰা বিজ্ঞানৰ স্নাতক হৈ বেনানে অসম চিকিৎসা মহাবিদ্যালয়ৰ ঢাপলি মেলাৰ চাৰি বছৰৰ অন্তত ২৬ মে'ৰ সন্ধিয়া ডাক্তৰ হৈ ঘৰলৈ উভতি আহিল। কালি সন্ধিয়া বেনেদিক বাৰ্ল্লাৰ বাসগৃহত উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰে। আনন্দত আত্মহাৰা অঞ্চলবাসীৰ লগতে সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ সভাপতি গডউইন হেমৰম, কদম কেথ'লিক পেৰিছৰ মুখ্য পুৰোহিত থিয়'ডৰ পুৰ্ত্তিয়ে আদিবাসী গামোছাৰে ডাঃ বেনান বাৰ্ল্লাক সম্বৰ্দ্ধনা জনাই শুভেচ্ছা জ্ঞাপন কৰে।

আবৃত্তিৰ মহাৰণৰ বাবে মঙলদৈত বাছনি প্ৰতিযোগিতা সম্পন্ন

অসম বাৰ্তা, মঙলদৈ, ২৭ মে' ঃ অসম আবৃত্তি পৰিষদৰ উদ্যোগত ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে দৰং জিলাৰ মঙলদৈ নগৰ শাখাৰ 'আবৃত্তিৰ মহাৰণ' বাছনি প্ৰতিযোগিতা দেওবাৰে অনুষ্ঠিত হয়। মঙলদৈ মহাবিদ্যালয়ৰ বিজ্ঞান ভৱনত অনুষ্ঠিত এই অনুষ্ঠানত শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। পুৱা ঠিক ১১বজাত ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্জ্বলন আৰু মাল্যাৰ্পণেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলা কান্ত বৰা আৰু অসম আবৃত্তি-সংস্কৃতি পৰিষদ, দৰং জিলাৰ সভাপতি পৰেশ কুমাৰ শৰ্মাই অনুষ্ঠানটিৰ শুভউদ্বোধন কৰে। উদ্বোধনী ভাষণত ড° কমলা কান্ত বৰাই কয় যে গঠনমূলক আৰু সংস্কৃতিকেন্দ্ৰিক কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীসকলক সদায় উৎসাহিত কৰা উচিত। মুক্ত চিন্তা আৰু সৃষ্টিশীল মানসিকতাই তেওঁলোকক আগবাঢ়ি যোৱাত সহায় কৰে। সংস্কৃতি গঢ়ি তোলাৰ ক্ষেত্ৰত সমাজৰ প্ৰতিজন লোকেই সহায়ৰ হাত আগবঢ়াব লাগে। আবৃত্তিয়ে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক আৰু মনস্তাত্ত্বিক বিকাশ সাধন কৰাৰ লগতে ভাব প্ৰকাশৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত গুৱাহাটীৰ পৰা প্ৰতিমা হাজৰিকা আৰু কলাইগাঁও কনিষ্ঠ মহাবিদ্যালয়ৰ অৱসৰী প্ৰবক্তা শাশ্বতী শৰ্মা, আবৃত্তিকাৰ কৃষ্ণেন্দু ডেকা আৰু অধিবক্তা কৰবী শইকীয়াই বিচাৰক হিচাপে উপস্থিত থাকে। অনুষ্ঠানটিৰ উদ্দেশ্য ব্যাখ্যাৰ লগতে আঁত ধৰে মঙলদৈ নগৰ শাখাৰ সম্পাদক ড° প্ৰণামিকা শৰ্মাই। আবৃত্তিৰ নীতি নিয়ম ব্যাখ্যা কৰে নগৰ শাখাৰ সভাপতি ডাঃ ধ্ৰুৱজ্যোতি চহৰীয়াই। বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা অহা প্ৰতিযোগী আৰু অভিভাৱকসকলৰ উপস্থিতিত অনুষ্ঠানটি ভিন্ন কবিতাৰে সজীৱ হৈ উঠে। জ্যেষ্ঠ আৰু কনিষ্ঠ মুঠ ছয়টা শাখাত আবৃত্তিসমূহ বিশেষভাৱে উপভোগ্য হয়। প্ৰতিযোগিতাৰ অন্তত গজালী শাখাত লুইত কাশ্যপ, প্ৰিয়াংশু শিৱম, বৰ্ণিল দেৱশৰ্মা আৰু সাতভী প্ৰজ্ঞাক জিলা পৰ্যায়লৈ নিৰ্বাচিত কৰা হয়। আনহাতে, কিশলয় শাখাত প্ৰিয়াংশ্ৰী শিৱম, নাফিচা আনজুম আৰু চাৰ্লিন শিৱম নিৰ্বাচিত হয়। জোনাকী শাখাত কৃতাঞ্জলি ডেকা, মুকলীয়া শাখাত ডাঃ জয়ন্ত নাথ, প্ৰিয়ংকা দাস, ৰুণুপ্ৰভা ডেকা চহৰীয়া, মাজনী শইকীয়া আৰু দীপাঞ্জলি হাজৰিকাক বাছনি কৰা হয়। প্ৰবীণ শাখাত শাশ্বতী শৰ্মা আৰু জাহ্নবী চক্ৰৱৰ্তীৰ নাম বাছনি কৰে। অনুষ্ঠানৰ অন্তত দৰং জিলা আবৃত্তি-সংস্কৃতি পৰিষদৰ সম্পাদক প্ৰফুল্ল দেৱশৰ্মাই আগন্তুক জিলা পৰ্যায়ৰ প্ৰতিযোগিতাৰ বিভিন্ন দিশ সম্পৰ্কে অৱগত কৰে।

পেট্ৰ'লিয়াম মন্ত্ৰী হৰদীপ সিং পুৰীৰ পুত্তলিকা দাহ

বৰপেটাত আছুৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদ

অসম বাৰ্তা, বৰপেটা সদৰ, ২৭ মে' ঃ সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে আজি মূল্যবৃদ্ধিৰ প্ৰতিবাদত বৰপেটাতো জিলা আঞ্চলিক ছাত্ৰ সন্থাৰ সদস্য সকলে প্ৰতিবাদ সাব্যস্ত কৰে। বৰপেটা জিলা ছাত্ৰ সন্থাৰ সদস্যসকলে পেট্ৰল জাতীয় সামগ্ৰী আৰু ইন্ধন জাতীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত বৰপেটা চহৰত কেন্দ্ৰীয় পেট্ৰোলিয়াম মন্ত্ৰী হৰদীপ সিং পুৰীৰ জুমুঠি দাহ কৰে। আজিৰ প্ৰতিবাদী কাৰ্যসূচীত বৰপেটা জিলা ছাত্ৰ সন্থাৰ সম্পাদকৰ অবিনাশ কুমাৰ আৰু বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয় ববীয়াই অংশগ্ৰহণ কৰে।

ধৰ্ষণৰ অভিযোগত আত্মগোপন কৰি থকা অভিযুক্তক বিহাৰৰ পৰা গ্ৰেপ্তাৰ

ঢেকীয়াজুলি আৰক্ষীৰ বৃহৎ সফলতা

কোনো পধ্যেই ৰেহাই নাপায় কিশোৰী ধৰ্ষণকাৰীয়ে ঃ দীপক দাস

অসম বাৰ্তা, ঢেকীয়াজুলি, ২৭ মে' ঃ শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি আৰক্ষীৰ বৃহৎ সফলতা। ঢেকীয়াজুলি আৰক্ষীয়ে এক বিশেষ অভিযান চলাই এগৰাকী কিশোৰীক ধৰ্ষণ কৰাৰ অভিযোগত আত্মগোপন কৰি থকা এজন অভিযুক্ত যুৱকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। এই ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ ঢেকীয়াজুলি অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে ঢেকীয়াজুলি আৰক্ষী থানাত ৰুজু হোৱা গোচৰ নং— ৪৭/২৬ অনুসৰি ভাৰতীয় ন্যায় সংহিতাৰ আণ্ডাৰ চেকচন ৬৫(১)/৩৫১(৩) লগতে পকছ' আইনৰ ধাৰা ৬ অনুসৰি আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছিল। উক্ত গোচৰটো ২১ ফেব্ৰুৱাৰী ২০২৬ তাৰিখে ৰুজু কৰা হৈছিল। অভিযোগ অনুসৰি ঢেকীয়াজুলি পৌৰসভাৰ ৮ নং ৱাৰ্ডৰ এগৰাকী ১৩ বছৰীয়া কিশোৰীক ধৰ্ষণ কৰাৰ পাছতে অভিযুক্তজনে আত্মগোপন কৰিছিল। আৰক্ষী সূত্ৰে প্ৰকাশ কৰা মতে ঘটনাটোৰ গুৰুত্ব উপলব্ধি কৰি ঢেকীয়াজুলি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দীপক দাসৰ নেতৃত্বত বিশেষ অভিযান আৰম্ভ কৰা হয়। আৰক্ষীয়ে বিভিন্ন স্থানত অনুসন্ধান চলোৱাৰ লগতে অভিযুক্তজনৰ সম্ভাব্য অৱস্থানৰ তথ্য সংগ্ৰহ কৰি তদন্ত তীব্ৰতৰ কৰি তোলে। অভিযুক্তজন হৈছে বাপন কুমাৰ যাদৱ (২৭)। তেওঁৰ পিতৃৰ নাম শ্ৰী ৰামকেলেশ যাদৱ। অভিযুক্তজনৰ স্থায়ী ঠিকনা বিহাৰ ৰাজ্যৰ দৰভাঙা জিলাৰ অন্তৰ্গত হাতৱা অঞ্চল বুলি জনাইছে ঢেকীয়াজুলি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দীপক দাসে। ঘটনাৰ তদন্তৰ অংশ হিচাপে ঢেকীয়াজুলি আৰক্ষীৰ প্ৰথমটো দল ১ মাৰ্চ ২০২৬ তাৰিখে শিলিগুৰিলৈ ৰাওনা হৈছিল যদিও সেই সময়ত অভিযুক্তজনক আটক কৰিবলৈ সক্ষম হোৱা নাছিল। পিছত পুনৰ তথ্য সংগ্ৰহ কৰি দ্বিতীয় আৰক্ষী দল ২০ মে' ২০২৬ তাৰিখে বিহাৰলৈ ৰাওনা হয়। দীৰ্ঘ অনুসন্ধান আৰু গোপন সূত্ৰৰ তথ্যৰ ভিত্তিত অৱশেষত ২৫ মে' ২০২৬ তাৰিখে পাটনা ৰে'লৱে ষ্টেচনৰ পৰা আৰক্ষীয়ে অভিযুক্ত বাপন কুমাৰ যাদৱক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ঢেকীয়াজুলি আৰক্ষীৰ এই সফল অভিযানক লৈ সনাতনী বীৰ হিন্দু সেনাৰ অসম প্ৰান্তৰ সহ প্ৰমুখ মণিকণ দাস আৰু স্থানীয় ৰাইজে সন্তোষ প্ৰকাশ কৰাৰ লগতে আৰক্ষীৰ তৎপৰতাক প্ৰশংসা কৰিছে। ইফালে অভিযুক্তজনক আদালতত হাজিৰ কৰোৱাৰ পাছত অধিক তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে।

কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা মৰমৰ বিজনীৰ

অসম বাৰ্তা, বিজনী, ২৭ মে' ঃ মঙলবাৰে কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে মৰমৰ বিজনীৰ উদ্যোগত অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰা হয়। বিজনী চহৰস্থিত ড° বি আৰ আম্বেদকাৰ সমূহীয়া ভৱনত আয়োজন কৰা অভিনন্দন অনুষ্ঠানৰ যোগেদি ২০২৫-২৬ শিক্ষাবৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত বিজনী মহকুমাৰ বিভিন্ন হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা সুখ্যাতি অৰ্জন কৰিবলৈ সক্ষম হোৱা ছাত্ৰ-ছাত্ৰী সকলক সম্বৰ্ধনা জনোৱা হয়। মৰমৰ বিজনীৰ সঞ্চালক তথা বিজনীৰ অসমবাৰ্তা সংবাদদাতা অজয় বসাকে জানিব দিয়া অনুসৰি এইবেলি মৰমৰ বিজনীৰ তৰফৰ পৰা পোন প্ৰথমবাৰৰ বাবে মহকুমাটোৰ ১৫০ গৰাকীতকৈ অধিক কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। বিভিন্ন বিদ্যালয়ৰ কৰ্তৃপক্ষৰ ফালৰ পৰা যথাসম্ভৱ সঁহাৰিৰ পৰা বঞ্চিত হোৱাৰ বাবে কিছু বিদ্যালয়ৰ কৃতী ছাত্ৰ-ছাত্ৰীক আমন্ত্ৰণ জনাব পৰা নগল বুলি উল্লেখ কৰি পৰৱৰ্তী পৰ্যায়ত ইয়াৰ পৰিসৰ বৃদ্ধিৰ পৰিকল্পনা ৰখা বুলি জানিব দিয়ে সঞ্চালক তথা বিজনীৰ অসমবাৰ্তাৰ সংবাদদাতা অজয় বসাকে। এইবেলি ছাত্ৰ-ছাত্ৰী সকলক এখনকৈ মানপত্ৰ, কলম আৰু বিহুৱানেৰে সম্বৰ্ধনা জনোৱা হয়। মৰমৰ বিজনীৰ শুভাকাংক্ষী ৰিজু মদকে আঁত ধৰা অভিনন্দন অনুষ্ঠানত বিজনীৰ বিশিষ্ট সমাজকৰ্মী ড° সুবীৰ কুমাৰ দাস, বিজনী শিশু কল্যাণ হাইস্কুলৰ প্ৰধান শিক্ষক পৰপতি মণ্ডল, বীণাপাণি হাইস্কুলৰ প্ৰধান শিক্ষক জুৰাণ মণ্ডল, বিজনী বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক অনিল ভৌমিক, বিজনী পৌৰসভাৰ উপ পৌৰপতি প্ৰসন্ন মুখাৰ্জী, সদৌ বিটিচি বাঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি ব্ৰজগোপাল সৰকাৰ, আমছুৰ সহকাৰী সাধাৰণ সম্পাদক ৰছুল খান, মৰমৰ বিজনীৰ সঞ্চালক অজয় বসাকসক বিজনীৰ বিভিন্ন দল সংগঠনৰ মুৰব্বী আৰু কেবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

সময়মতে কাৰ্যালয়লৈ নাহে বিষয়া-কৰ্মচাৰী

চামগুৰি ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ কৰ্দযময় ৰূপ

জিলা আয়ুক্তক ব্যৱস্থা গ্ৰহণৰ দাবী স্থানীয় ৰাইজৰ

অসম বাৰ্তা, পুৰণিগুদাম, ২৭ মে' ঃ নগাঁও জিলাৰ চামগুৰিৰ এটা গুৰুত্বপূৰ্ণ কাৰ্যালয় হৈছে চামগুৰি ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়। কিন্তু কাৰ্যালয়টোৰ কৰ্মচাৰীৰ কৰ্মসংস্কৃতিৰ নমুনা আৰু কাৰ্যালয়টোৰ কৰ্দযময় ৰূপে এতিয়া সকলোকে হতচকিত কৰি তুলিছে। ভৰ দুপৰীয়ালৈকে কাৰ্যালয়লৈ কৰ্মচাৰী নহাৰ লগতে কাৰ্যালয়টো আৱৰ্জনাই ভৰি পৰিছে। কিন্তু এইসমূহ কথাৰ প্ৰতি কাণসাৰ নাই চামগুৰি ৰাজহ চক্ৰ বিষয়াগৰাকীৰ। নিজৰ অধীনস্থ কাৰ্যালয়টো কিদৰে পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখিব লাগে তাৰ প্ৰতি মুঠেও গুৰুত্ব নাই চামগুৰি ৰাজহ চক্ৰ বিষয়াগৰাকীৰ। যাকলৈ এতিয়া স্থানীয় ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। শেহতীয়াভাৱে আজিও ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ত একেই পৰিৱেশেই দেখিবলৈ পোৱা গ'ল। দিনৰ ১২ বজালৈকে কাৰ্যালটোৰ অধিকাংশ বিষয়া-কৰ্মচাৰী সময়মতে কাৰ্যালয়লৈ নহাৰ ফলত কাৰ্যালয়টোৰ অধিকাংশ চকীয়েই খালী হৈ পৰি থাকিল। যাৰ ফলত বিভিন্ন গুৰুত্বপূৰ্ণ কামৰ বাবে কাৰ্যালয়টোলৈ অহা সাধাৰণ জনতাই দুৰ্ভোগ ভুগিবলগীয়া হৈছে। উল্লেখ্য যে, সততে নগাঁও জিলাখনৰ চৰকাৰী কৰ্মচাৰীৰ দায়িত্বৰ প্ৰতি সৰৱ হৈ থকা নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মাই চামগুৰি ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ এই ৰূপ দেখি এতিয়া কি ব্যৱস্থা গ্ৰহণ কৰে সেয়াহে লক্ষণীয় হ'ব।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta ▶▶

● সম্পাদক ঃ তনয় বৰা | ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন